DP998

# Assam Legislative Assembly Debates

सत्यमेव जयते

## OFFICIAL REPORT

ELEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE ELEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

**No. 21**

Dated, the 6th April, 2005

Price - Rs. 66.00

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

## Wednesday, the 6th April, 2005

*The House met at 9.00 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Prithibi Majhi, Speaker in the Chair.*

## STARRED
## QUESTIONS AND ANSWERS
(To which oral replies were given)

**Mr. Speaker :** Now, Starred Question No. 380, questioner, Shri Pani Ram Rabha.

বিষয় ঃ **B.T.A.D.**ৰ সমষ্টিৰ সংখ্যা।

শ্ৰীপানীৰাম ৰাভাই সুধিছেঃ

★ ৩৮০। মাননীয় ভৈয়াম জনজাতি ও অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ষষ্ঠ অনুসূচীভুক্ত B.T.A.D.এলেকাত নিৰ্বাচনৰ বাবে সমষ্টিসমূহ নিৰ্দ্ধাৰিণ কৰা হৈছে নেকি? (কিমানটা সমষ্টি আৰু সমষ্টিসমূহৰ নাম কি কি)

(খ) বাক্সা জিলাত B.T.A.D.ৰ সমষ্টি কিমানটা? উক্ত সমষ্টিসমূহৰ গাওঁৰ নামবোৰ কি কি? সমষ্টি অনুযায়ী গাওঁবোৰত থকা এচ. চি. এচ. টি. আৰু সাধাৰণ শ্ৰেণীৰ জনসাধাৰণৰ সংখ্যা গাওঁৰ বিপৰীতে দাখিল কৰিবনে?

(গ) B.T.A.D.ৰ নিৰ্বাচনৰ বাবে জাননী জাৰি কৰিছে নেকি?

**শ্ৰীভৰত চন্দ্ৰ নৰহ** (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) হৈছে। ৪০ টা সমষ্টি আৰু সমষ্টিসমূহৰ নাম অনুবদ্ধ 'ক'ত দিয়া হ'ল।

(খ) বাস্কা জিলাত B.T.A.D.ৰ সমষ্টি ১১ টা। সমষ্টি কেইটাৰ নাম আৰু এচ. চি./এচ. টি.ৰ জনসংখ্যা ১৫ কপি সদনৰ মেজত অনুবদ্ধ 'খ'ত দিয়া হ'ল। (See Annexure-I)

(গ) বৰ্ত্তমানলৈ জাননী জাৰি কৰা নাই।

★ **শ্ৰীপানীৰাম ৰাভা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন আছিল যে যষ্ঠ অনুসূচীভূক্ত বি.টি.এ.ডি. এলেকাত নিৰ্বাচনৰ বাবে সমষ্টিসমূহ নিৰ্দ্ধাৰণ কৰা হৈছে নেকি? (কিমানটা সমষ্টি আৰু সমষ্টিসমূহৰ নাম কি কি)। এই সমষ্টিসমূহ ইতিমধ্যে ৪০ টা দেখুওৱা হৈছে। নামাকৰণ কৰি তালিকা দিয়া হৈছে। কিন্তু কিছুমান সমষ্টি এনেকুৱা হৈছে যিবিলাক ঠাইৰ ইতিহাস আছে আৰু সকলো ফালৰ পৰা আগবঢ়া, লগতে এটা বুৰঞ্জী আছে। কোন এলেকাত সেইবিলাক ঠাই সমষ্টিবিলাকৰ নামাকৰণ কৰিলেহে বেছি ভাল হ'লহেঁতেন? এই ক্ষেত্ৰত জনসাধাৰণে আপত্তি কৰিছে। বৰমা বিধান সভা সমষ্টিটো বি.টি.এ.ডি.ত পৰিছে। বাস্কা সমষ্টি ১৯৯৩ চনত বি.টি.এ.ডি.ৰ সমষ্টি হিচাবে থাকিব। মছলপুৰ বৰমাৰ পৰা ৩০ কিলোমিটাৰ দূৰ হয়। সেইটো বৰমা বিধান সভা সমষ্টি আছিল। সেই সমষ্টিৰ নাম ৰখা হ'লে ভাল হ'লহেঁতেন। এই ক্ষেত্ৰত বৰমা সমষ্টিৰ নামাকৰণ কৰিলে ভাল হ'লহেঁতেন। মছলপুৰ ২৪ নম্বৰত পৰিছে। এই বিষয়ে চিন্তা-চৰ্চা কৰি মন্ত্ৰী মহোদয়ে জনাবনে?

**শ্ৰীভৰত চন্দ্ৰ নৰহ** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, গোটেই বিষয়টো চৰকাৰৰ হাতত নাই, ৰাজ্যিক নিৰ্বাচনী আয়োগৰ হাতত আছে। ইতিমধ্যে

---

★ Speech not corrected.

নিৰ্ব্বাচনী প্ৰক্ৰিয়া আৰম্ভ হৈছে। যেতিয়া ডিমাৰ্কেচন প্ৰচেচ চলি আছিল, তেতিয়া লৱাৰ আসাম কমিশ্যনাৰক কথাটো জনাব পাৰিলেহেঁতেন। সেই সময়ত আমাৰ মাননীয় সদস্য শ্ৰীফণীভূষণ চৌধুৰী ডাঙৰীয়াই আপত্তি জনোৱাৰ কাৰণে লগে লগে ব্যৱস্থা লোৱা হৈছিল। এতিয়া নিৰ্বাচন ওচৰ চাপিছে। ৰাজ্যিক নিৰ্বাচন আয়োগকে ক'ব পাৰে, কিন্তু চৰকাৰে ক'ব নোৱাৰে। ১৮ এপ্ৰিল তাৰিখে নিৰ্বাচনৰ অধিসূচনা জাৰি কৰা হ'ব। ২৫ এপ্ৰিল তাৰিখে মনোনয়ন পত্ৰ দাখিলৰ দিন, ২৬ এপ্ৰিল তাৰিখে মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন, ২৮ এপ্ৰিল তাৰিখে মনোনয়ন পত্ৰ উঠাই লোৱা দিন আৰু ১৩ মে' তাৰিখে নিৰ্বাচন অনুষ্ঠিত হ'ব। ১৮ মে' তাৰিখে ভোট গণনা হ'ব, ২০ মে' তাৰিখে ঘোষণা কৰা হ'ব আৰু বি. টি.এ.ডি.ৰ কাম-কাজ আৰম্ভ হ'ব। এতিয়া একেবাৰে সময় নাই, পিচত বিবেচনা কৰা হ'ব।

★ **শ্ৰীপানীৰাম ৰাভা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো বেলেগ একো নহয়, বৰমা সমষ্টি বুলি থাকিব লাগিছিল। যিহেতু ইতিমধ্যে নিৰ্বাচন প্ৰক্ৰিয়া আৰম্ভ হোৱা বুলি কৈছে, এতিয়া এইটো নহ'ব। কিন্তু জনসাধাৰণে বাস্কাৰ ডি.চি.ৰ ওচৰত আপত্তি কৰিছিল, সেইকাৰণে কোৱা হৈছে। কিন্তু কোনো ব্যৱস্থা লোৱা নহ'ল। নিৰ্বাচন হৈ গ'লে মন্ত্ৰী মহোদয়ে বিবেচনা কৰিম বুলি কৈছে। পিছত হ'লেও কৰিবলৈ অনুৰোধ জনালো। মাহকুৰীয়া গাওঁত কোনো ধৰণৰ জনজাতি লোক নাই, ১৭/১৮ ঘৰ মান সংখ্যালঘু পৰিয়ালৰ লোক আছে। এই গাওঁখন বি.টি.এ.ডি.ত পৰা নাই। এই গাওঁখন বৰমাৰ দক্ষিণে পৰা নাই, পূবে পৰা নাই, পশ্চিমে পৰা নাই, উত্তৰে পৰে। তাৰ জনসাধাৰণে আপত্তি কৰিছিল যে মছলপুৰত কৰাৰ কাৰণে। কিন্তু এইখন গাওঁ বৰমাত পৰিছে। মছলপুৰ ২৪ নম্বৰত আছে। এই বিষয়ে মন্ত্ৰী মহোদয়ে জনাব লাগে।

**শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেনেকুৱা যদি গাওঁ

★ Speech not corrected.

সোমাইছে, সেইটো পিছত ব্যৱস্থা ল'ব পাৰিম। এইটো আগতে আমাক কোনেও দৃষ্টিগোচৰ কৰা নাই। মাননীয় সদস্য ফণীভূষণ চৌধুৰীৰ পৰা ৰাইজৰ এনেকুৱা অভিযোগ পোৱাৰ লগে লগে ব্যৱস্থা লোৱা হৈছে। তেখেতৰ যি খেলি-মেলি হৈছিল, সেইটো ঠিক-ঠাক কৰা হৈছে। এই দায়িত্ব ৰাজ্যিক নিৰ্বাচনী আয়োগৰ ওপৰত আছে। আমি জোৰ কৰি কৰিব নোৱাৰো। তেখেতে কৈছে- বৰমা এল.এ.চি.ৰ বি.জি.এ.ডি. এলেকা মছলপুৰত আছে। ইয়াত ২৬ খন গাওঁ পৰিছে, বাগানপাৰা বৰমাত আছে। বৰ্ত্তমান এই বিষয়টো চৰকাৰৰ হাতত নাই, পিছত চোৱা হ'ব।

**Mr. Speaker :** Now, Starred Question No. 381, Hon'ble Member, Shri Dilip Kumar Saikia.

বিষয় ঃ ৰাজীৱ গান্ধী সোঁৱৰণী ক্ৰীড়া প্ৰকল্প।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

★ ৩৮১। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান আমিনগাওঁত নিৰ্মাণ হৈ থকা ৰাজীৱ গান্ধী সোঁৱৰণী ক্ৰীড়া প্ৰকল্প কোন বিভাগৰ কি শিতানৰ পুঁজিৰে নিৰ্মাণ হৈ আছে?

(খ) এইক্ৰীড়া প্ৰকল্প নিৰ্মাণৰ বাবে চৰকাৰে কিমান ধন আবন্টন কৰিছে আৰু কিমান ধন মুকলি কৰি দিছে?

(গ) এই প্ৰকল্পৰ নিৰ্মাণ কাৰ্য্য কোনে কৰি আছে?

(ঘ) ৰাজীৱ গান্ধী সোঁৱৰণী ক্ৰীড়া প্ৰকল্পৰ শিতানত ১কোটি ৭৫লাখ টকা ৰেভিনিউ ডিপোজিট হৈ থকা কথাটো সঁচানে?

(ঙ) সেই পুঁজি কি পৰ্য্যায়ত আছে?

শ্ৰীৰকিবুল হুছেইন (গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) আমিনগাওঁত নিৰ্মাণ হৈ থকা ৰাজীৱ গান্ধী সোঁৱৰণী ক্ৰীড়া প্ৰকল্পৰ কাম ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ দ্বাৰা নিৰ্মাণ হৈ থকা নাই। এই নিৰ্মাণ কাৰ্য্য গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ জৰিয়তে বৰ্ত্তমান চলি আছে।

(খ) গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্প নিৰ্মাণৰ বাবে মুঠ ২৫ কোটি টকাৰ আঁচনি প্ৰস্তুত কৰিছে আৰু চৰকাৰে ২০০৪-০৫ বিত্তীয় বৰ্ষত উক্ত প্ৰকল্প নিৰ্মাণৰ বাবে ১০ কোটি টকা মোকোলাই দিছে।

(গ) 'ক' প্ৰশ্নৰ উত্তৰত কোৱা হৈছে।

(ঘ) হয়, সঁচা।

(ঙ) সেই পুঁজি এতিয়াও ৰেভিনিউ ডিপোজিটত জমা হৈ আছে।

★ **শ্ৰীদিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজীৱ গান্ধী সোঁৱৰণী প্ৰকল্পৰ কাম ইতিমধ্যে ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ দ্বাৰা নিৰ্মাণ হৈ থকা নাইবুলি কৈছে আৰু গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ জৰিয়তে কামবিলাক চলি আছে বুলি উত্তৰ দিছে। ইয়াৰ পিছত এল.এন.টি. বিভাগক কিয় চলাবলৈ দিয়া হ'ল। ১ কোটি ৭৫ লাখ টকা ৰেভিনিউ ডিপোজিটত আছে বুলি কৈছে। মাননীয় মন্ত্ৰী মহোদয়ে জনাব লাগে যে এই টকা কিয় ৰেভিনিউ ডিপোজিটত জমা ৰাখিছে? কিয় এল.এন.টি.ক দিয়া হৈছে, জনাবনে?

★ **শ্ৰীৰকিবুল হুছেইন** (ৰাজ্যিক মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, **১৯৯৫-৯৬** চনত ৰাজীৱ গান্ধী সোঁৱৰণী ক্ৰীড়া প্ৰকল্প সেই সময়ত ২ কোটি ৭৫ লাখ টকাৰ আঁচনি আছিল। এই আঁচনিৰ বাজেট অনুমোদন কৰা হৈছিল। কিন্তু এক কোটি টকাৰ কাম হৈ যোৱাৰ পিছত ১.৭৫ লাখ টকাৰ কাম হোৱা নাছিল। সেই কাৰণে সেই ধন আৰ. ডি. কৰি ৰখা হৈছিল। যোৱা চৰকাৰৰ দিনত কামখিনি হোৱা নাছিল। তেতিয়াৰ পৰাই আৰ. ডি. হৈ

★ Speech not corrected.

আজিলৈকে আছে। চৰকাৰে নেশ্বনেল গেমচ্‌ৰ ইনডোৰ ষ্টেডিয়াম বনাবৰ কাৰণে এল. এন. টি.ক দিয়া হৈছিল। এইবাৰ দহকোটি টকাৰ বাজেট মোকোলাই দিয়া হৈছে। আগন্তুক নেশ্বনেল গেমচ্‌ৰ কাম কৰাৰ কাৰণে এল.এন. টি.ক দিয়া হৈছে।

★ **শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, এক কোটি ৭৫ লাখ টকাৰ কাম শেষ কৰিব পাৰিবনে?

★ **শ্ৰীৰকিবুল হুছেইন** (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, সেই টকাৰে কাম কৰিব পৰা যাব।

(Starred Question No. 382 could not be taken up for disposal as the questioner was not present in the House when called for. However, the said question deemed to have been laid on the table of the House with replies thereto.)

**বিষয় ঃ মানাহ নৈৰ গড়াখহনীয়া।**

শ্ৰীভূপেন ৰায়ে সুধিছে ঃ

★৩৮২। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কোকৰাঝাৰ সংমণ্ডলৰ অন্তৰ্গত আই নৈ আৰু মানাহ নৈৰ গড়াখহনীয়াৰ প্ৰতিৰোধৰ বাবে কিমানখন আঁচনি যুগুত কৰিছে?

(খ) যুগুত কৰা আঁচনিসমূহ কোন শিতানৰ বাবে পুঁজি ধাৰ্য্য কৰিছে?

(গ) আঁচনিসমূহৰ কাম চলিত বৰ্ষতে সম্পূৰ্ণ কৰি তুলিবনে?

(ঘ) আই নৈৰ গৰাইমাৰী অঞ্চলৰ বাবে জৰুৰীভাবে আঁচনি ৰূপায়ণ কৰিবনে?

---

★ Speech not corrected.

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) ২০ খন আঁচনি যুগুত কৰা হৈছে।

(খ) ১৬ খন F.D.R. আঁচনি C.R.F. শিতানত, ৩ খন আঁচনি ৪৭১১ কেন্দ্ৰীয় চৰকাৰৰ সাহায্য পুঁজি শিতানত আৰু ১খন আঁচনি ৪৭১১ ৰাজ্যিক পৰিকল্পনা শিতানত অন্তৰ্ভূক্তিৰ বাবে প্ৰস্তুত কৰা হৈছে।

(গ) C.R.F. শিতানৰ ৪ খন F.D.R. আঁচনিৰ কাম চলিত বছৰতে সম্পূৰ্ণ কৰিব পৰা যাব বুলি আশা কৰা হৈছে। বাকী আঁচনিসমূহ অনুমোদন সাপেক্ষে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(ঘ) গৰাইমাৰী অঞ্চলত F.D.R. শিতানত এখন আঁচনি যুগুত কৰা হৈছে। অনুমোদন সাপেক্ষে আঁচনিখন কাৰ্য্যকৰী কৰা হ'ব।

**Mr. Speaker:** Now, Starred Question No. 383, Hon'ble Member, Shri Mission Ranjan Das.

## Sub : Flood Embankment.

**Shri Mission Ranjan Das** asked :

★ 383. Will the Minister of Revenue be pleased to state:

(a) Whether the Government has sanctioned the schemes viz. (i) restoration of flood embankment along left bank of river Kushiara PR-II for 2004-05, (ii) protection of Karimganj Town from erosion of river Kushiara at Deopur Ring Bundh for 2004-05 and (iii) restoration of embank-

ment cum road along left bank of river Kushiara from Kachua confluence to Karimganj for 2004-05 submitted by the Water Resource Department as per reply to unstarred question No. 45 dtd. 15.12.2004 from sanction and placing of fund from C.R.F. so that work can be taken up?

(b) If so, give the details?

(c) If not, state reasons thereof ?

**Shri Gautam Roy** (Minister of Revenue) replied:

(a) No.

(b) Does not arise.

(c) In 2004, a series of flood waves caused havoc in the State of Assam damaging almost all infrastructures of the Water Resources Department. Repairing of all these infrastructures of the Water Resources Department itself require an amount of Rs. 348.40 crores as submitted by the District Reconstruction Committees formed in the districts to assess actual damage of flood. As this huge fund for repairing of the damaged schemes were not available under the CRF/NCCF, State Government requested the con-

cerned Water Resources Department to submit list of schemes/estimates prioritizing works immediately required for checking flood furies in furure. The W. R. Department had so far submitted 4 (four) different list prioritizing schemes to be taken up under CRF/NCCF against which 279 numbers of estimates for an estimated cost of Rs. 111.35 crores have been sanctioned by the Revenue Department. In addition to these sanctions, two more lists featuring 29 schemes at an estimated cost of Rs. 8.57 crores have been received and under consideration of the Department. All these lists of schemes mentioned above do not feature the schemes referred in the Question.

★ শ্ৰীমিছ্ন ৰঞ্জন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো মই আগতেও কৰিছিলো, মাননীয় মন্ত্ৰীয়ে উত্তৰত আশ্বাস দিছিল। সেই হেতুকে মই আজি আৰু প্ৰশ্ন নকৰো।

(Starred Question No. 384 could not be taken up for disposal as the questioner was not present in the House when called for. However, the said question deemed to have been laid on the table of the House with replies thereto.)

---

★ Speech not corrected.

## বিষয় ঃ O.B.C. ত অন্তৰ্ভূক্ত কৰাৰ ব্যৱস্থা।

ড° ইদ্ৰিছ আলীয়ে সুধিছে ঃ

★ ৩৮৪। মাননীয় ভৈয়াম জনজাতি ও অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) Char Area ত বাস কৰা মানুহবিলাকক O.B.C.ত অন্তৰ্ভূক্ত কৰাৰ কিবা সিদ্ধান্ত চৰকাৰে হাতত লৈছে নেকি ?

(খ) যদি লৈছে, কেতিয়ালৈ এই প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অন্যান্য পিছপৰা শ্ৰেণীত অন্তৰ্ভূক্তি কৰাৰ বিষয়টো অঞ্চলভিত্তিক বিবেচনা কৰা নহয়।

(খ) প্ৰশ্ন নুঠে।

**Mr. Speaker :** Now, Starred Question No. 385, Hon'ble Member, Shri Kripanath Mallah.

## Sub : Money sanction against the schemes/ projects.

**Shri Kripanath Mallah** asked :

★ 385. Will the Minister of W.P.T.&B.C. be pleased to state :

(a) How much money sanctioned against the

schemes/projects from W.P.T.& B.C. for Karimganj District in the year 2002-2003 and 2003-2004 and out of which how many schemes implemented in Ratabari Constituency? (Give the name of schemes and the name of beneficiaries)

(b) Will the Government take special attention for the Welfare of Scheduled Castes, Plain Tribes & Backwards Classes fall under different reserved Constituencies?

(c) If so, what will be the schemes/projects?

**Shri Bharat Chandra Narah** (Minister, W.P.T.& B.C.) replied :

(a) During the years 2002-03 and 2003-04 the following schemes were taken up in Karimganj District :-

(1) The Directorate of W.P.T. & B.C. did not provide fund through I.T.D.P. Silchar for Development Work. However a total number of 420 students belonging to S.C., 6 number of students belonging to S.T. and 45 number of students belonging O.B.C. and M.O.B.C. Community received Post Matric Scholarship. In Ratabari Constituency 41 students got the

scholarship. However the fund are released in earlier years.

(b) The Directorate of Welfare of S.C. has provided Rs. 26,55.544/- during 2002-03 and Rs. 11,66,189/- during 2003-04 through Sub-Divisional Welfare Officer, Karimganj for implementation of the following schemes viz. (1) Pre-matric Scholarship, (2) Family Oriented Income Generating Scheme, (3) Grants for Construction of S.C. Girls Hostel, (4) Post-matric Scholarship and (5) Stipend for I.T.I.s and the Managing Director Assam State Development Corporation Ltd. has provided Rs. 11,53,255/- during 2002-03 and Rs. 3,98,420/- during 2003-04 through its Branches for implementation of Family Oriented Income Generating Schemes.

(3) The Directorate of Welfare of Tea & Ex-Tea Garden Tribes has provided Rs. 1,72,500/- during 2002-03 and Rs. 1,45,000/- during 2003-04 for implementation of Family Oriented Income Generating Scheme (FOIG) and grants to cultural activities including Educational Tours.

However, No seperate information for Ratabari Constituency is available for Directorate of Welfare of S.C., Managing Director, A.S.D.C. for S.C. and Directorate of Welfare of Tea and Ex-tea Garden Tribes.

The beneficiary list for 2002-03 and 2003-04 for Karimanj District for 420 number of S.C. Students, 6 Nos. of S.T. Students, 45 numbers of O.B.C. students for post matric scholarship, 410 numbers of S.C. beneficiary with address under F.O.I.G. Scheme and 78 numbers of beneficiary list for Tea and Ex-tea garden Tribes are placed on the table of the House as Annexure-I, II, III, IV, V.

(b) Government will always pay attention for all categories of the Scheduled Castes, Scheduled Tribes and Other Backward Classes.

(c) There is no proposal for including any new scheme.

**Sri Kripanath Mallah :** Hon'ble Speaker Sir, In respect of my question at sl. (a) Hon'ble Minister, W.P.T. & B.C. has answered in his reply

at sl. (a) (2) regarding the scheme implemented in Karimganj District viz. (1) Pre-matric Scholarship, (2) Family Oriented Income Generating Schemes, (3) Grants for construction of S.C. Girls Hostel, (4) Post matric scholarship and stipend for I.T.I. Students etc. Sir, I would like to know whether any Girls Hostel for S.C. has been constructed in my Ratabari Constituency or not ?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈকে গাৰ্লচ হোষ্টেল নিৰ্মাণ কৰা হোৱা নাই।

★ **ডাঃ আনন্দৰাম বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এচ. চি. এ. গ্ৰান্টৰ ক্ষেত্ৰত মইমন্ত্ৰী মহাশয়ক সুধিব খুজিছো যে আসাম এচ. চি. ডেভেলপমেন্ট কৰপোৰেচন যিটো আছে, তাত আগতেও টকা দিয়া হৈছে। এই টকা কম হৈছে নেকি ? যদি কম হৈছে ইনক্ৰিজ কৰা হৈছে নেকি ?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আসাম এচ. চি. ডেভেলপমেন্ট কৰপোৰেচনক মাজতে পইচা কম দিয়া হৈছিল। এতিয়া বেছি দিয়া হ'ব।

★ **ডাঃ আনন্দৰাম বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এচ. চি গ্ৰান্টৰ কাৰণে দিল্লীলৈ এটা সঁজাতি দল যোৱাৰ কথা আছিল। তালৈ যোৱাৰ কাৰণে দিন ফাইনেল হৈছে নেকি ?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এপ্ৰিল মাহৰ লাষ্ট উইকত যোৱাৰ কথা আমি চিন্তা-চৰ্চ্চা কৰি আছো।

(Starred Question No. 386 was withdrawn.)

---

★ Speech not corrected.

**Mr. Speaker :** Now, Starred Question No. 387, questioner, Shri Joseph Toppo.

## বিষয় ঃ **Gabharu Embankment.**

**শ্ৰীযোচেফ টপ্পই সুধিছে ঃ**

★ ৩৮৭। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ঢেকীয়াজুলি সমষ্টিৰ অন্তৰ্গত 'CLOSING OF BREACHES OF GABHARU EMBANKMENT FROM KALAKUCHI TO ITS OUT FALL INCLUDING ANTIEROSION MEASURES AT DIFFERENT REACHES' আঁচনিখন বিভাগীয় অনুমোদনৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা কথাটো সঁচানে?

(খ) যদি সঁচা, বৰ্ত্তমান উক্ত আঁচনিখন কি পৰ্য্যায়ত আছে?

(গ) যদি অনুমোদন হৈছে, মুঠ কিমান টকা হৈছে আৰু কেতিয়াৰ পৰা কাম আৰম্ভ কৰিব? (সবিশেষ জনাব)

**শ্ৰীভৰত চন্দ্ৰ নৰহ** (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, সঁচা।

(খ) উক্ত আঁচনিখনৰ প্ৰাক্‌কলন মূল্য ৭.৫ কোটিতকৈ কম মূল্য হোৱাৰ বাবে পৰিকল্পনা আয়োগৰ চিঠি No. 16(12)/1/99-WR dt. 9.9.03 মৰ্মে আঁচনিখন ৰাজ্য চৰকাৰৰ বাৰ্ষিক পৰিকল্পনাৰ শিতানত ৰূপায়ন কৰাৰ বাবে কেন্দ্ৰীয় জল আয়োগে ঘূৰাই পঠাইছে।

(গ) ৰাজ্য চৰকাৰৰ বাৰ্ষিক পৰিকল্পনা শিতানত অন্তৰ্ভূক্তি অনুমোদন তথা বিত্তীয় আৱন্টন সাপেক্ষে কাম আৰম্ভ কৰিব পৰা হ'ব।

★ **শ্ৰীযোচেফ টপ্প ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো মই প্ৰত্যেকবাৰেই আনিছো। প্ৰত্যেকবাৰেই কৈছে এই আঁচনিখনৰ প্ৰাক্কলন মূল্য ৭.৫ কোটি টকা হোৱা বাবে কেন্দ্ৰীয় চৰকাৰে ঘূৰাই দিছে। মই যোৱাবাৰ এই প্ৰশ্নই কৰিছিলো। মোৰ ফাইলখন দেখিছেই নহয়। ফাইলৰ ৰং বদলি গৈছে। কিন্তু কোনো স্কীম নহ'ল। ৭ কোটি টকাৰ কম হ'লে আঁচনি ঘূৰাই দিয়ে বুলি কৈছে। এইটো প্ৰত্যেকবাৰেই কৈ আছে। চৰকাৰে কিয় বৃদ্ধি নকৰে, এইটো মন্ত্ৰী মহোদয়ে উত্তৰ দিব লাগে।

**শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইপ্ৰশ্নটো তেখেতে প্ৰত্যেকবাৰেই কৰি আছে। উক্ত আঁচনিখনৰ প্ৰাক্কলন মূল্য ৭.৫ কোটি টকাতকৈ কম হোৱাৰ বাবে কেন্দ্ৰীয় জল আয়োগে ঘূৰাই পঠাইছে। সেই কাৰণে মই প্ৰতিশ্ৰুতি দিছো বিভাগীয় কমিচনাৰ আৰু চিফ ইঞ্জীনিয়াৰৰ লগত আলোচনা কৰিছিলো। ৫.৬৮ লাখ টকাৰ আঁচনি দিব লাগিব। এডিচনেল চেন্ট্ৰেল এচিচ্‌টেন্ট আছে। ইয়াৰ পৰা গ্ৰহণ কৰা হ'ব।

★ **শ্ৰীযোচেফ টপ্প ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদিও মন্ত্ৰী মহোদয়ে কৈছে গ্ৰহণ কৰা হ'ব, কেনেকৈ কৰিব। দুটা পৰ্য্যায়ত কৰিব নেকি?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০০৫-০৬ চনৰ কাৰণে ৫.৬৮ লাখ টকা অনুমোদন হৈ আছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমোদন হোৱাৰ পিচত ব্যৱস্থা লোৱা হ'ব।

★ **শ্ৰীৰামেশ্বৰ তেলী ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্কীমবিলাক পুঁজি সাপেক্ষে ৰখা হ'ব বুলি কৈছিল। এইটো কেতিয়া ৰখা হ'ব?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ২৫ কোটি টকা পাম, তাৰ পৰা ৫.৬৮ লাখ টকা গ্ৰহণ কৰিম।

★ **শ্ৰীমতীন্দ্ৰ বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ জল সম্পদ বিভাগে যিবিলাক আঁচনি লৈছিল সেইমতে কাম হৈছেনে? মোৰ

---

★ Speech not corrected.

সমষ্টিত এটা আঁচনি ল'ব নেকি?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীৰ আদৰ্শ আমি গ্ৰহণ কৰিম?

**Mr. Speaker :** Starred Question No. 388, Hon'ble Member, Shri Rameswar Teli.

বিষয় ঃ গাওঁবুঢ়াৰ সংখ্যা।

শ্ৰীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

★ ৩৮৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দুলীয়াজান সমষ্টিত কেইজন গাওঁবুঢ়া আছে?

(খ) উক্ত গাওঁবুঢ়াসকলৰ নাম ও ঠিকনা কি কি?

(গ) গাওঁবুঢ়াসকলৰ মাহেকীয়া বেতন কিমান?

(ঘ) দুলীয়াজান সমষ্টিত কেইখন গাওঁত গাওঁবুঢ়াৰ পদ খালী হৈ আছে?

(ঙ) গাওঁবুঢ়াসকলক টেলিফোন দিয়াৰ ব্যৱস্থা কৰিছে নেকি?

**শ্ৰীগৌতম ৰয় (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্ত্তমানে ৩০ জন গাওঁবুঢ়া আছে।

(খ) উক্ত গাওঁবুঢ়াসকলৰ নাম ও ঠিকনা পৰিশিষ্ট 'ক'ত সংলগ্ন কৰা হ'ল। (See Annexure-II)

(গ) ১১০০.০০ (এঘাৰশ) টকা। (চিকিৎসা বানচসহ (১০০০+১০০)

(ঘ) বৰ্ত্ত মানে ১২ টা গাওঁবুঢ়া লাট খালী হৈ আছে।

(ঙ) ৰাজহ বিভাগৰ পৰা এতিয়ালৈকে তেনে ব্যৱস্থা কৰা নাই।

★ শ্ৰীৰামেশ্বৰ তেলী ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ 'ঘ' প্ৰশ্নত আছিল দুলীয়াজান সমষ্টিত কেইখন গাওঁত গাওঁবুঢ়াৰ পদ খালী হৈ আছে?

---

★ Speech not corrected.

তাত ২৩ খন গাঁও আছে। উত্তৰটো আচলতে সমষ্টি ভিত্তিত দিয়া নাই। চাৰ্কোল হিচাপে দিয়া হৈছে। মন্ত্ৰী মহোদয়ে কৈছে ১২ টা গাওঁবুঢ়া লাট খালী হৈ আছে। ক'ত ক'ত খালী হৈ আছে জনাবনে? ৰাজহ বিভাগে এনেকুৱা ব্যৱস্থা কৰা নাই বুলি কৈছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো যাতে সকলো গাওঁবুঢ়াকে একোটাকৈ টেলিফোন দিয়াৰ ব্যৱস্থা কৰে যেন।

★ শ্ৰীগৌতম ৰয় (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্যগৰাকীক ক'ব খুজিছো চাপ্লিমেন্টৰীটো স্পেচিফিক ক'ব লাগে। তেখেতে কৈছে টেলিফোন দিব লাগে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয়ত গুৰুত্ব দিছে, চৰকাৰৰ ফালৰ পৰা আমি ব্যৱস্থা লম।

★ শ্ৰীৰামেশ্বৰ তেলী ঃ মাননীয় অধ্যক্ষ মহোদয়, কি ভিত্তিত গাওঁবুঢ়া লোৱা হয়? অসমত মুঠ গাওঁবুঢ়াৰ সংখ্যা কিমান আছে?

★ শ্ৰীগৌতম ৰয় (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমত ছয় হাজাৰ উনষাঠি জন গাওঁবুঢ়া আছে।

★ শ্ৰীৰামেশ্বৰ তেলী ঃ মাননীয় অধ্যক্ষ মহোদয়,

মাননীয় অধ্যক্ষ ঃ এই বিষয়ে আপোনাক পিছত জনাই দিব।

★ শ্ৰীৰামেশ্বৰ তেলী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্যগৰাকীক ক'ব বিচাৰিছো, মাননীয় মন্ত্ৰী মহোদয়ে চাৰ্কোল অনুযায়ী গাওঁবুঢ়া দিয়া আছে বুলি কৈছে। মোৰ সমষ্টিত গাওঁবুঢ়া দিয়া নাই।

★ শ্ৰীগৌতম ৰয় (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো লৈ মাননীয় সদস্যগৰাকীয়ে প্ৰায়ে মোৰ অফিচ ৰুমলৈ যায়। এতিয়া তেখেতে যিটো সমস্যাৰ কথা কৈছে মই তেখেতক অনুৰোধ জনাইছো মোৰ অফিচ ৰুমলৈ আহিলে মই বিতংকৈ জনাই দিম।

★ শ্ৰীবিশ্বজিৎ দৈমাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ এজন গাওঁ

★ Speech not corrected.

বুঢ়াই ইমান কেলেংকাৰী কাম কৰি আছে, সীমা নাই। এইজন গাওঁবুঢ়াৰ এপইন্টমেন্ট কেনচেল কৰি নতুনকৈ গাওঁবুঢ়া এজনক সেই ঠাইত এপইন্টমেন্ট দিবৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

★ **শ্ৰীগৌতম ৰয়(মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধায়কজন সমষ্টিৰ বিধায়ক যেতিয়া তেখেতে লোকেলি ব্যৱস্থা ল'ব লাগে। যদি গুৰুতৰ অভিযোগ থাকে আমাক জনাব, তেতিয়া আমি ব্যৱস্থা ল'ম।

★ **শ্ৰীমতী প্ৰণতি ফুকন ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমত কিমান গাওঁবুঢ়া লাট খালী হৈ আছে। এই খালী হৈ থকা লাটত গাওঁবুঢ়া দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব নেকি ?

★ **শ্ৰীগৌতম ৰয়(মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া সদস্যাগৰাকীয়ে সোধা কথাখিনি এই প্ৰশ্নটোৰ লগত লিংক নাই। তথাপিতো মই কৈছো খালী হৈ থকা লাটবিলাকত গাওঁবুঢ়া পদ পূৰণ কৰাটো পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হ'ব।

★ **শ্ৰীসৰ্ব্বানন্দ চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমত জনসংখ্যা বাঢ়ি গৈছে, সেই হিচাবত গাওঁবুঢ়াৰ সংখ্যা বঢ়োৱাৰ ব্যৱস্থা কৰিব নেকি ?

★ **শ্ৰীগৌতম ৰয়(মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে কৰা প্ৰশ্নৰ উত্তৰ দিবলৈ চেপাৰেট কুৱেশ্বন লাগে। তথাপি কৈছে যেতিয়া আমি ব্যৱস্থা ল'ম।

(Starred Question No. 389, 390 and 391 could not be taken up for disposal as the questioners were not present in the House when called for. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

★ Speech not corrected.

## বিষয়ঃ গৃহহারা লোক পরিবারের সংখ্যা।

**শ্ৰীআনোৱাৰ হুছেইন লস্কৰ জিজ্ঞাসা করেছেন ঃ**

★ ৩৮৯। মাননীয় রাজহ বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) ২০০৪ সনের বন্যায় ক্ষতিগ্রস্ত ব্যক্তি পরিবারএর মধ্যে (সোনাই বিধান সভা চক্রে বিতারিত ত্রান সামগ্রী/বীজ্ ইত্যাদির বিস্তারিত বিৱরণ হিতাধিকারীর নাম-ঠিকনা ও বিতারিত সামগ্রী ও বীজের পরিমাণ এবং মূল্যসহ দাখিল করিরেন?

(খ) ২০০৪ সনের বন্যায় সোনাই বিধান সভা নির্বাচন চক্রে সর্বমোট গৃহহারা লোক/পরিবারের সংখ্যা নাম-ঠিকনাসহ এবং গৃহহারা লোক/পরিবারসমূহের ভিতর সর্বমোট কতজনের গৃহতেরী করে দেওয়া হয়েছিল তাহাদের নাম-ঠিকনা এবং ব্যয় মূল্য দাখিল করিবেন?

(গ) সোনাই বিধান সভা সমষ্টিতে সর্বমোট খাছ-জমির পরিমাণ এবং গো-চর জমির পরিমাণ ক'ত? (বিস্তারিত ভাবে জানাবেন)

(ঘ) উক্ত খাছ-জমি ভূমিহীন ব্যক্তিদের চিহ্নিত করে ভূমিহীনদের খাছ-জমি প্রদানের জন্য চরকার কোন ব্যৱস্থা গ্রহণ করেছেন কি?

(ঙ) যদি হ্যাঁ তবে বিৱরণসহ দাখিল করিবেন এবং যদি না তবে তাহার কারণ কি?

**শ্ৰীগৌতম ৰয়** (রাজহ বিভাগেৰ মন্ত্রী)য়ে উত্তর দিয়েছেন ঃ

(ক) বিধান সভা সমষ্টি চক্র ভিত্তিতে বন্যায় ক্ষতিগ্রস্ত পরিয়ালের কোনো তথ্য নেই। ধলাই, শিলচর ও লখিপুরের কিছু এলেকা সোনাই সমষ্টিতে অন্তর্ভূক্ত। এই সমস্ত এলেকায় বন্যায় ক্ষতিগ্রস্ত প্রায় ১.৩৫ লক্ষ লোকের মধ্যে চাউল, দাল, লৱণ ইত্যাদি আসাম

সাহায্য নিয়মাৱলী অনুযায়ী গত বছরের বন্যায় সময় বিতৰণ কৰা হয়েছে। এখন পৰ্য্যন্ত বিতৰণ হওয়া বীজের মূল্য এবং পৰিমাণ নিছে উল্লেখ কৰা হ'ল। হিতাধিকারীর তালিকা নাপাওয়াই দেওয়া গেলনা।

| | বীজ | হিতাধিকারীর সংখ্যা | মুঠ পরিমাণ (কুইন্টল) | প্রত্যেক হিতাধিকারীকে দেওয়া পৰিমাণ | মূল্য (টাকা) |
|---|---|---|---|---|---|
| (১) | চানা | ৬৭০ | ২০.৫০ | ৩ কেজি | ৮৮,৯৪২/- |
| (২) | মটর | ৪২৩ | ১৬.৯২ | ৪ কেজি | ৬১,৭৫৮/- |
| (৩) | শরিসা | ১২৮০ | ২৫.৬০ | ২ কেজি | ৯৭,২৮০/- |
| (৪) | গ্রীষ্ম বীজ | ৪৯৫০ | ৪৯৫.০০ | ১০১ কেজি | ৬,৯৪,৯৮০/- |
| (৫) | গম (ঘেহুঁ) | ১৩০ | ১০.৪০ | ৮ কেজি | ১৮,৯৫৬/- |

উপায়ুক্তের তথ্য মতে বিতরণ এখনও শেষ হয়নি।

(খ) ২০০৪ সালের বন্যায় কোনো লোক/পরিয়াল গৃহহারা হওয়ার তথ্য জিলা উপায়ুক্তর হাতে নেই। নাম ঠিকনা দেওয়াৰ প্রশ্ন উঠেনা।

(গ) সোনাই বিধান সভা সমষ্টিতে বৰ্ত্তমান মুঠ ২১৯ বিঘা সরকারী খাছ-জমি আরও ১১৮৪ বিঘা ১৯ কাঠা ১৩ চটাক গো-চর মজুদ আছে।

(ঘ),(ঙ) উক্ত সরকারী খাছ-জমি গুলি ভূমিহীন ব্যক্তিদেরকে দেওয়ার ব্যৱস্থা সরকারী নিয়ম অনুযায়ী ও রাজ্যিক ভূমি উপদেষ্টা সমিতির অনুমোদন ক্রমে নেওয়া হবে।

## বিষয়ঃ গৃহহীন হোৱা পৰিয়ালৰ সংখ্যা।

**শ্ৰীবনেন্দ্ৰ কুমাৰ মুছাহাৰীয়ে সুধিছেঃ**

★ ৩৯০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ধুবুৰী জিলাৰ যোৱা ২০০৪ চনৰ বানপানী আৰু গৰাখহনীয়াত কিমানটা পৰিয়াল গৃহহীন হৈছে? (সমষ্টিভিত্তিত নাম-ঠিকনাসহ তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) গৌৰীপুৰ সমষ্টিত নালিয়া আৰু বেৰভাঙী গাওঁ পঞ্চায়তৰ গঙ্গাধৰ নদীৰ গৰাখহনীয়াত গৃহহীন হোৱা কিমানজন পৰিয়ালক পুনৰ সংস্থাপন দিয়া হৈছে? (নাম আৰু ঠিকনাসহ সদনৰ মেজত দাখিল কৰিব)

(গ) যদি হোৱা নাই, কেতিয়া আৰু কেনেকৈ পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিব?

**শ্ৰীগৌতম ৰয় (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ**

(ক) জিলাখনৰ বানপানী আৰু গৰাখহনীয়াত মুঠ ৩৬ টা পৰিয়াল গৃহহীন হৈছে। (গোলকগঞ্জ আৰু গৌৰীপুৰ সমষ্টিভিত্তিত তালিকা সদনৰ মেজত দাখিল কৰা হ'ল) (Annexure-A & B) (See Annexure-III)

(খ) গৌৰীপুৰ সমষ্টিৰ নালিয়া আৰু বেৰভাঙী গাওঁ পঞ্চায়তৰ অধীনত গঙ্গাধৰ নদীৰ খহনীয়াত ৩০ টা পৰিয়াল গৃহহীন হৈছে। উক্ত ক্ষতিগ্ৰস্ত হোৱা পৰিয়াললৈ ক্ষতিপূৰণ (R.G.) দিয়াৰ বাবে ব্যৱস্থা লৈ থকা হৈছে।

(গ) ২০০৪ ইং চনৰ বানপানীত ঘৰ-বাৰী ক্ষতিগ্ৰস্ত হোৱা পৰিয়াল সমূহৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা লৈ থকা হৈছে। পুঁজি সাপেক্ষে সোনকালে পুনৰ সংস্থাপন মঞ্জুৰী প্ৰদান কৰা হ'ব।

বিষয় ঃ ভূমি বেদখল।

ডাঃ তাৰাপ্রসাদ দাসে সুধিছে ঃ

★ ৩৯১। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ ধুবুৰী জিলাত পশ্চিমবঙ্গই বেদখল কৰা কথাটো সঁচানে?

(খ) যদি সঁচা, কেতিয়াৰপৰা বেদখল চলি আছে?

(গ) বেদখলমুক্ত কৰাৰ কাৰণে ৰাজ্য চৰকাৰে কি কি ব্যৱস্থা লৈছে?

শ্রীগৌতম ৰয় (ৰাজহ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সঁচা নহয়।

(খ) প্রশ্ন নুঠে।

(গ) প্রশ্ন নুঠে।

**Mr. Speaker :** Now, Starred Question No. 392, questioner Shri Ali Akbar Miah.

বিষয় ঃ ক্ষতিগ্রস্ত/সর্বহাৰা পৰিয়াল।

শ্রীআলী আকবৰ মিঞাই সুধিছে ঃ

★ ৩৯২। মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) Ethnic violence, 1993ত কোন কোন জিলাত কিমানটা পৰিয়াল ক্ষতিগ্রস্ত/সর্বহাৰা হ'ল?

(খ) তাৰে কিমানটা পৰিয়ালক এতিয়ালৈ অর্থ ও ভূমি আৱন্টনৰে সংস্থাপিত কৰা হ'ল আৰু কিমানটাক কৰিবলৈ বাকী আছে?

(গ) (i) ক্ষতিগ্রস্ত/সর্বহাৰা পৰিয়ালবোৰক ডেৰ কঠাকৈ মাটি দি সংস্থাপিত কৰাৰ ব্যৱস্থা কৰা হ'লে কিমান বিঘা মাটিৰ প্রয়োজন হ'ব?

(ii) চৰকাৰ উক্ত পৰিমাণৰ মাটিৰ ব্যৱস্থা কৰিব পৰা অৱস্থাত আছেনে?

(iii) যদি আছে, তেন্তে উক্ত মাটিখিনিৰ ব্যৱস্থা কৰি দুৰ্ভগীয়া সকলক কিমান দিনৰ ভিতৰত সংস্থাপিত কৰিব পৰা যাব?

(iv) যদি নাই, তেন্তে দুৰ্ভগীয়াসকলক সংস্থাপিত কৰাৰ অন্য কিবা ব্যৱস্থা চৰকাৰে কৰিবনে?

**শ্ৰীগৌতম ৰয়** (সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বঙাইগাওঁ জিলাত ১,৭৬০ টা আৰু কোকৰাঝাৰ জিলাত ২,০৭৪টা পৰিয়াল ক্ষতিগ্ৰস্ত/সৰ্বহাৰা হয়।

(খ) বঙাইগাওঁ জিলাৰ ১,৭১৭ টা পৰিয়ালক ২০,০০০.০০ টকাকৈ সাহায্য প্ৰদান কৰা হৈছে ও ৪৩ টা পৰিয়ালক ইন্দিৰা আঁচনিৰ যোজনাৰ ঘৰ দিয়া হৈছে আৰু কোকৰাঝাৰ জিলাৰ ২,০৭৪ টা পৰিয়ালক ১০,০০০.০০ টকাকৈ সাহায্য প্ৰদান কৰা হৈছে। এতিয়ালৈকে বঙাইগাওঁ জিলাৰ মুঠ ৮০০ টা পৰিয়ালৰ কাৰণে ২০৮ বিঘা মাটি আৱন্টন দিয়া হৈছে। বৰ্ত্তমান কোকৰাঝাৰ আৰু বঙাইগাওঁ জিলাত মুঠ ২,২৭৯ টা পৰিয়ালক ভূমি আৱন্টন দিবলৈ বাকী আছে।

(গ) (i) ৬৮৩ বিঘা ৭ কঠা মাটিৰ প্ৰয়োজন হ'ব।

(ii) বঙাইগাওঁ জিলাৰ ক্ষেত্ৰত উপযুক্ত মাটি বিচাৰি উলিওৱাৰ ব্যৱস্থা হাতত লোৱা হৈছে আৰু কোকৰাঝাৰ জিলাৰ ক্ষেত্ৰত মাটিৰ আৱন্টনৰ বাবে বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিলৰ (বি. টি. চি.) কৰ্ত্তৃপক্ষৰ লগত যোগাযোগ কৰা হৈছে। যিহেতু ভূমি সম্পৰ্কীয় বিষয়টো বি.টি.চি.ৰ অধীনত।

(iii) মাটি আৰু ইন্দিৰা আঁচনি যোজনাৰ ঘৰৰ ব্যৱস্থা হোৱাৰ লগে লগে সংস্থাপিত কৰিব পৰা যাব।

(iv) বৰ্ত্তমান অন্য ব্যৱস্থাৰ কথা ভবা হোৱা নাই।

**শ্ৰীআলী আকবৰ মিঞা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিকেইটা প্ৰশ্ন কৰিছিলো মাননীয় মন্ত্ৰী মহোদয়ে ঠিকেই উত্তৰ দিছে। এতিয়া মই এটা চাপ্লিমেন্টাৰী প্ৰশ্ন কৰিব বিচাৰিছো যে বঙাইগাওঁ আৰু কোকৰাঝাৰ জিলাৰ যিকেইটা পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে তেওঁলোকক পুনৰ সংস্থাপন দিয়াৰ কেনে ব্যৱস্থা চৰকাৰে হাতত লৈছে?

★ **শ্ৰীগৌতম ৰয় (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীক মই অনুৰোধ কৰিছো স্পেচিফিক এটা প্ৰশ্ন কৰিলে উত্তৰ দিয়াত সুবিধা হয়।

**শ্ৰীআলী আকবৰ মিঞা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ময়ো মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা স্পেচিফিক উত্তৰ বিচাৰিছো। বঙাইগাওঁ আৰু কোকৰাঝাৰ জিলাত ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালৰ কিছুসংখ্যকক সংস্থাপন দিয়া হৈছে আৰু কিছুসংখ্যকক সংস্থাপন দিবলৈ বাকী আছে। দুয়োখন জিলাত ক্ষতিগ্ৰস্ত হোৱা লোকসকলৰ ভিতৰত সংখ্যালঘু সম্প্ৰদায়ৰ লোক অধিক আছে। কোকৰাঝাৰ জিলাৰ ক্ষতিগ্ৰস্ত লোক সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলক বৰপেটা, গোৱালপাৰা জিলাত সংস্থাপন দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব নেকি?

★ **শ্ৰীগৌতম ৰয় (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বস্তুটো স্পেচিফিকেলি চাব লাগিব। ইয়াত বিভিন্ন প্ৰশ্ন আহে। মাননীয় সদস্য দিলীপ কুমাৰ শইকীয়া ডাঙৰীয়াই কৈছে আমি নিশ্চয় চাম। এইটো লৈ এটা ৰাজনৈতিক চাল চলি আছে। আমাৰ মাননীয় মন্ত্ৰী ভূমিধৰ বৰ্মন ডাঙৰীয়াই চাই আহিছে। এইটো গোটেই অসমতে ইচু হৈছে। তেখেতে কোৱা কথাখিনি ঠিকেই আছে। আমি দেখিছো এই বস্তুটোৰ কাৰণে আন্দোলন কৰিছে, ধৰ্ণা দিছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে ব্যৱস্থা লবৰ কাৰণে ইন্টাৰেষ্ট দিছে। আমি বিধায়কসকলক অনুৰোধ জনাইছো। এই ক্ষেত্ৰত আপোনালোকৰ সহায় আৰু সহযোগ লাগিব। মাননীয় সদস্যগৰাকীক

---

★ Speech not corrected.

অনুৰোধ জনাইছো কোনো গন্দগোল নথকা মাটি যদি আছে আমাক দেখুৱাই দিলে আমি দিয়াৰ ব্যৱস্থা কৰিম।

**শ্ৰীআলী আকবৰ মিঞা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী, কোকৰাঝাৰ জিলাৰ ওচৰত। সেইকাৰণে মই ধুবুৰী জিলাৰ কথা কৈছো। বিষয়টো চিৰিয়াচলি লব লাগে। আমি যিমান পাৰো চৰকাৰক সহায় কৰিম। বৰপেটা, গোৱালপাৰা, ধুবুৰী জিলাত যথেষ্ট সাঁচ মাটি আছে। মাননীয় অধ্যক্ষ মহোদয়, সংখ্যালঘু সম্প্ৰদায়ৰ মানুহখিনিক গুলীয়াই মৰা হৈছে। যিকেইখন জিলাত মাৰিছে, সেইকেইখন জিলালৈ লোকসকল ঘূৰি নাযায়। সেয়েহে মই উল্লেখ কৰা জিলাকেইখনত পুনৰ সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিব নেকি চৰকাৰে?

★ **শ্ৰীগৌতম ৰয় (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আগতে কৈছো ক'ত দিব লাগে আমাক দেখুৱাই দিয়ক, আমি চাম। মাননীয় সদস্য, আলী আকবৰ মিঞা ডাঙৰীয়া আৰু মাননীয় সদস্য দিলীপ কুমাৰ শইকীয়া ডাঙৰীয়াক অনুৰোধ কৰিছো আপোনালোকে মোৰ অফিচ ৰুমলৈ আহি আলোচনা কৰি পৰামৰ্শ দিব। সেইমতে আমি লগে লগে দিবলৈ চেষ্টা কৰিম।

**শ্ৰীআলী আকবৰ মিঞা ঃ** মাননীয় অধ্যক্ষ মহোদয়, লাষ্ট গেটত অনশন কৰি থকা কথাটো মই আপোনাৰ জড়িয়তে মাননীয় মন্ত্ৰী মহোদয়ক দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। তেওঁলোকক মাতি আনি আলোচনাত বহিলে ভাল হয়। আমি যদি সহায় নকৰো কোনে কৰিব? তেওঁলোকে ক'লে মাননীয় মুখ্যমন্ত্ৰীয়ে যদি মাতে আমি যাম। গতিকে তেওঁলোকৰ দাবীবোৰ ফুলফিল কৰিবৰ কাৰণে তেওঁলোকক মাতি আলোচনাত বহিব লাগে। চৰকাৰে তেওঁলোকক মাতি আলোচনা কৰাত আপত্তি কি থাকিব পাৰে? মোৰ লগত কোনো টেলিফোনতো কথা হোৱা নাই, কোনেও মোক কোৱাও নাই।

★ Speech not corrected.

★ **শ্ৰীগৌতম ৰয় (মন্ত্ৰী)ঃ** মুখ্যমন্ত্ৰীয়ে আমাক নিৰ্দ্দেশ দিছে। আমাৰ চৰকাৰৰ দায়িত্ব আছে। বিধান সভাৰ পিছতে আমি আটায়ে বহি এই বিষয়ত কিবা এটা মীমাংসা কৰিম।

★ **শ্ৰীচন্দন কুমাৰ সৰকাৰ ঃ** চাৰ, এই প্ৰশ্নটোৰ লগত মইয়ো জড়িত। মোৰ সমষ্টিতে কিছু পৰিয়ালক মানৱীয়তাৰ খাতিৰত সংস্থাপন কৰিবলৈ মই আৰু মাননীয় সদস্য অজিত সিঙে মুখ্যমন্ত্ৰীক গৈ কৈছো। এই বিষয়টোৰ সংক্ৰান্তত মুছলমান সম্প্ৰদায়ৰ সকলো মন্ত্ৰী-বিধায়কক লৈ মুখ্যমন্ত্ৰীয়ে এখন সভা পাতিছে। কেবিনেটে এটা চাব-কমিটি কৰি দিছে। যাৰ সভাপতি আমাৰ জ্যেষ্ঠ মন্ত্ৰী বৰ্মন। তাত টনা-টনি লাগিলে কোনেও মানুহখিনিক লব নিবিচাৰে। তাৰ পাচত এটা সিদ্ধান্ত হ'ল মোৰ সমষ্টিতে তেওঁলোকক সংস্থাপন কৰা হ'ব। যিমান কেইজনক সংস্থাপন কৰিব সেইকেইটা আই. ওৱে ঘৰ মোক দিব লাগিব। চাব কমিটিৰ চেয়াৰমেন বৰ্মন চাৰে উপায়ুক্তৰ লগত কথা পাতি ৫০০ টা পৰিয়ালক আঢ়ৈশ বিঘা মাটি দিবলৈ ৰেডি কৰালে। তাৰ পাচত আৰম্ভ হ'ল ৰাজনীতি। মুখ্যমন্ত্ৰী নিজে গৈ মাটি দিব লাগিব। তেওঁলোকক মাতি আনি কথা পাতিব লাগিব ইত্যাদি। আমাৰ ৰাজ্যিক গৃহ মন্ত্ৰীয়েও চাব-কমিটিত কথাখিনি বুজাই ক'লে কিন্তু কি ৰাজনীতিত পৰি নাজানো তেওঁলোকে বৰ্মন চাৰৰ ওচৰলৈ নাহে। তেওঁলোকৰ কাৰণে দহ কোটি টকা আৱন্টনো দিয়া হ'ল। মাটি দক্ষিণ অভয়াপুৰিতহে আছে নেকি, বিলাসীপাৰাত নাই নেকি?

★ **শ্ৰীগৌতম ৰয় (মন্ত্ৰী)ঃ** এই ক্ষেত্ৰত চৰকাৰৰ এটা দায়িত্ব আছে। আমি আটায়ে বঙাইগাওঁত বহি কাক ক'ত কেনেকৈ মাটি দিব লাগে ঠিক কৰি লম।

(Starred Question No. 393 could not be taken up for disposal as the questioner was not present in the House when called for. However, the said

---
★ Speech not corrected.

question deemed to have been laid on the table of the House with replies thereto.)

### বিষয় ঃ গাড়ীত ক'লা ৰঙৰ গ্লাচ।

**শ্ৰীগোপীনাথ দাসে সুধিছে ঃ**

★ ৩৯৩। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গাড়ীত ক'লা ৰঙৰ গ্লাচ কোন কোন ব্যক্তিয়ে লগাব পাৰে? (ব্যক্তিগত গাড়ী)

(খ) গাড়ীত ক'লা ৰঙৰ গ্লাচ (পেপাৰ) লগোৱাটো অপৰাধ নেকি?

(গ) যদি অপৰাধ হয়, তেন্তে সেই অপৰাধৰ বাবে কি ধৰণৰ শাস্তি দিয়া হয়?

**শ্ৰীঅঞ্জন দত্ত (পৰিবহন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ভাৰতীয় মটৰ যান-বাহন আইন বিধিত কোনো ব্যক্তি বিশেষে ব্যক্তিগত গাড়ীত ক'লা গ্লাচ লগাব পৰা বা নোৱাৰাৰ বাবে সংজ্ঞা নিৰ্দ্ধাৰণ কৰা নাই।

(খ) অতি ক'লা ৰঙৰ (পেপাৰ) গাড়ীৰ আইনাত লগোৱাটো ভাৰতীয় আইনৰ মটৰ যান আইনৰ নীতি বিৰুদ্ধ।

(গ) ভাৰতীয় মটৰ যান আইনৰ ১৭৭ আৰু ১৮২ (এ) ধাৰা অনুসৰি সৰ্বনিম্ন ১০০/- টকাৰ পৰা সৰ্বাধিক ২,০০০/- টকা পৰ্য্যন্ত শাস্তি হিচাবে জৰিমনা দিয়াৰ ব্যৱস্থা আছে।

**Mr. Speaker :** Now, Starred Question No. 394, questioner, Shri Rupan Sing Ronghang.

### বিষয় ঃ Tribal Belt & Block.

**শ্ৰীৰূপণ সিং ৰংহাংয়ে সুধিছে ঃ**

★ ৩৯৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত সর্বমুঠ কেইটা Tribal Belt আৰু Block আছিল আৰু বৰ্ত্তমানলৈকে কেইটা আছে? (নামবোৰ জনাব)

(খ) Tribal Belt and Block সমূহৰ মাটি অ-জনজাতিসকলে দখল কৰাটো সঁচানে?

(গ) যদি সঁচা হয়, তেতিয়াহ'লে চৰকাৰে ইয়াৰ প্ৰতিৰোধ কৰিবলৈ কি কি ব্যৱস্থা লৈছে?

(ঘ) ২০০৫ চনৰ জানুৱাৰী ৩১ তাৰিখলৈকে কোন কোন Tribal Belt আৰু Tribal Blockৰ কিমান মাটি অ-জনজাতি সকলে দখল কৰিছে? (বিতংভাবে জনাব)

শ্ৰীগৌতম ৰয় (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) অসমত আগতে ১৭ টা ট্ৰাইবেল বেল্ট আৰু ৩০টা ট্ৰাইবেল ব্লক আছিল। বৰ্ত্তমান অসমত সৰ্বমুঠ ৯ টা ট্ৰাইবেল বেল্ট আৰু ২৮টা ব্লক আছে। জিলাসমূহৰ উপায়ুক্তসকলৰ পৰা পোৱা তথ্য অনুযায়ী বেল্ট আৰু ব্লক জিলাভিত্তিত দেখুওৱা হ'ল।

| | জিলাৰ নাম | ট্ৰাইবেল বেল্টৰ নাম | ব্লকৰ নাম |
|---|---|---|---|
| (১) | বৰপেটা | চপাগুলি | ১। গোবৰধন |
| | | | ২। বাজেগাওঁ |
| | | | ৩। খৰিজা ৰজনী |
| (২) | দৰং | নাই | নাই |
| (৩) | ওদালগুৰি | কলাইগাওঁ | ১। গেৰুৱা |
| | | | ২। তেতেলীভানগুৰী |
| | | | ৩। কছাৰীপাৰা |
| | | | ৪। ভুএৱাখাট |
| | | | ৫। তেহালপাৰা |
| (৪) | ধেমাজি | মোকাং চেলেক | সোৱনশিৰি |

| | জিলাৰ নাম | ট্ৰাইবেল বেল্টৰ নাম | ব্লকৰ নাম |
|---|---|---|---|
| (৫) | ধুবুৰী | পৰ্বতজোৱা | ১। গোলাঘাট |
| | | | ২। নায়ক গাওঁ |
| (৬) | গোৱালপাৰা | নাই | ১। বৰদমাল |
| | | | ২। হাতীগাওঁ |
| | | | ৩। খাৰদাং |
| (৭) | লক্ষীমপুৰ | চাৰমাউনটেন | ১। ৰংগানদী |
| | | | ২। সোৱণশিৰি |
| | | | ৩। লোহিত |
| | | | ৪। দিকৰং |
| | | | ৫। চাৰকৰিয়া |
| (৮) | মৰিগাওঁ | নাই | ১। ভালুকজাৰী |
| | | | ২। ঘগুৱা |
| | | | ৩। তেতেলীয়া |
| | | | ৪। গোভা |
| | | | ৫। পলাশগুৰি |
| | | | ৬। জমাদৰী |
| | | | ৭। বৰংগানীপথাৰ |
| | | | ৮। বগৰীগুৰি খণ্ড |
| (৯) | নলবাৰী | ১। বাস্কা | |
| | | ২। তামুলপৰ | নাই |
| (১০) | শোণিতপুৰ | চাৰিদুৱাৰ | হেলেম |
| (১১) | কামৰূপ (এম) | দক্ষিণ কামৰূপ | নাই |
| (১২) | কামৰূপ | জনজাতি ঐ বেষ্টনী | নাই |

(খ) অসমত তলত উল্লেখিত জিলাসমূহত বেল্ট আৰু ব্লকৰ মাটি অ-জনজাতি সকলে দখল কৰাটো সঁচা। (১) লক্ষীমপুৰ, (২) গোৱালপাৰা, (৩) বাস্কা, (৪) বৰপেটা, (৫) ধেমাজি, (৬) মৰিগাওঁ, (৭) ধুবুৰী, (৮) ওদালগুৰি, (৯) কামৰূপ (এম)।

(গ) ১৮৮৬ চনৰ অসম ৰাজহ ভূমিনীতিৰ দফা ১৬৫ৰ ১, ২, ৩ নীতিৰ অধীনত আৰু দশম অধ্যায়ৰ জৰিয়তে চৰকাৰে ব্যৱস্থা লৈ আছে।

(ঘ) উপায়ুক্তসকলৰ পৰা পোৱা তথ্য অনুসৰি তলত দিয়া জিলাকেইখনত জনজাতি বেষ্টনী আৰু জনজাতি খণ্ডত অ-জনজাতীয় লোকৰ দখলত থকা মাটিৰ পৰিমাণ দিয়া হ'ল। (ইয়াত বৈধ বা অবৈধ দুয়োটা পৃথকে দেখুৱাব পৰা নাই)

| | | |
|---|---|---|
| ১। | লক্ষীমপুৰ | ১,৭৭,০৮২ বিঘা ৮ লেচা |
| ২। | গোৱালপাৰা | ৫১৮ বিঘা ১৪ লেচা |
| ৩। | নলবাৰী | ৪৮৬৭ বিঘা ৩ কঠা ১৩ লেচা |
| ৪। | বৰপেটা | ৪৪৫১ বিঘা ৪ কঠা ১৩ লেচা |
| ৫। | ধেমাজি | ১৪,৮৯৫ বিঘা |
| ৬। | মৰিগাওঁ | ৪১৭ বিঘা ১ কঠা ১৩ লেচা |
| ৭। | ধুবুৰী | ৫৩৬৬ বিঘা ৩ কঠা ১৫লেচা |
| ৮। | ওদালগুৰি | ২,২১,২৫৭বিঘা ৪কঠা ১৯লেচা |
| ৯। | কামৰূপ (এম) | ১৯৬ বিঘা ২ কঠা ১৮লেচা। |

**শ্ৰীৰূপণ সিং ৰংহাং ঃ** মোৰ প্ৰশ্নৰ উত্তৰ ঠিকেই পাইছো। দুটামান পৰিপূৰক প্ৰশ্ন উত্থাপন কৰিব বিচাৰিছোঁ। মোৰ প্ৰশ্নটো আছিল যে ট্ৰাইবেল বেল্টসমূহৰ মাটি অ-জনজাতিসকলে দখল কৰাটো সঁচানে? মন্ত্ৰী মহোদয়ে সঁচা বুলি কৈছে আৰু জিলাকেইখনৰ নামো দিছে। মোৰ পৰিপূৰক প্ৰশ্নটি হ'ল যে সেই বেদখলকাৰীসকলক উচ্ছেদ কৰি তাত জনজাতিসকলক পুনৰ সংস্থাপিত কৰিবনে?

★ শ্ৰীগৌতম ৰয় (মন্ত্ৰী)ঃ চাৰ, এই বিষয়টো আমাৰ দৃষ্টিগোচৰ হৈছে। চাই-চিতি ব্যৱস্থা লম।

শ্ৰীৰূপণ সিং ৰংহাংঃ মাননীয় অধ্যক্ষ মহোদয়, আমি জনাত মন্ত্ৰী মহোদয়ে উল্লেখ কৰা জিলাকেইখনৰ উপৰিও নগাওঁ জিলাতো ট্ৰাইবেল বেল্ট-ব্লক আছে। সেই ট্ৰাইবেল বেল্ট আৰু ব্লকসমূহ অ-জনজাতিসকলে নানা প্ৰলোভন আৰু বলপূৰ্বকভাৱে দখল কৰি আছে। গতিকে মন্ত্ৰী মহোদয়ে নগাওঁ জিলাৰ সেই ট্ৰাইবেল বেল্ট আৰু ব্লক এলেকাৰ পৰা অ-জনজাতিসকলক উচ্ছেদ কৰাৰ ব্যৱস্থা অতি সোনকালে লবনে? গুৱাহাটীৰ ওচৰত সোণাপুৰ অঞ্চলত থকা ট্ৰাইবেল বেল্ট আৰু ব্লকবিলাকত অ-জনজাতিসকলে বেদখল কৰি আছে। আনহাতেদি এইখিনি কথা কোৱা ভাল হ'ব যে সোণাপুৰ অঞ্চলত বিশেষভাবে কাৰ্বি আৰু বড়ো লোকসকলে অতীতৰে পৰা কাম কৰি আহিছে আৰু এই অঞ্চলটো ট্ৰাইবেল বেল্ট আৰু ব্লক হিচাবে কৰা হৈছিল। সেয়েহে বেআইনীভাৱে বেদখল কৰা মানুহখিনিক অতি সোনকালে উচ্ছেদ কৰাৰ ব্যৱস্থা হাতত লবনে?

★ শ্ৰীগৌতম ৰয় (মন্ত্ৰী)ঃ নগাওঁৰ কথাটো মই তদন্ত কৰি চাম। সোণাপুৰৰ কথাটো আমাৰ দৃষ্টিগোচৰ হৈছে। আমাৰ অতিৰিক্ত মুখ্য সচিব ডাঙৰীয়াই অনুসন্ধান কৰি প্ৰতিবেদন দিছে। আমি পৰীক্ষা কৰি আছো।

শ্ৰীৰূপণ সিং ৰংহাংঃ মাননীয় অধ্যক্ষ মহোদয়, জনজাতি আবেষ্টনীবিলাকত অ-জনজাতি লোকে বেদখল কৰি আছে আৰু এনেকৈয়ে বেদখল চলি থাকিলে এটা সময়ত জনজাতিসকল থকা ঠাই নাইকীয়া হ'ব। গতিকে ইয়াক ৰক্ষা কৰিবৰ বাবে নগালেণ্ড-অৰুণাচল আৰ্হিত ট্ৰাইবেলসকলক ৰক্ষণাবেক্ষণ দিয়াৰ ব্যৱস্থা কৰিবনে?

আৰু চাৰ, বৃটিছৰ দিনেতে ট্ৰাইবেলসকলৰ ভাষা-সংস্কৃতি, মাটি-বাৰী ৰক্ষণাবেক্ষণৰ বাবে "Chin Hills Regulation Act,

★ Speech not corrected.

1869 and Bengal Eastern Frontier Act, 1873" নামাকৰণেৰে দুখন আইন প্ৰণয়ন কৰি প্ৰযোজ্য কৰিছিল। আজি একোটা আৰ্হিত নগালেণ্ড, অৰুণাচল আৰু মিজোৰামত প্ৰযোজ্য কৰি ট্ৰাইবেলসকলক ৰক্ষণাবেক্ষণ দি আহিছে। সেয়েহে আমাৰ ৰাজ্যতো একেটা "Chin Hills Regulation Act, 1869 আৰু Bengal Eastern Frontier Act, 1873" দুখন প্ৰযোজ্য কৰি অসমত থকা ট্ৰাইবেল বেল্ট আৰু ব্লকসমূহ ৰক্ষণাবেক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু মন্ত্ৰী মহোদয়ে অতি সোনকালে ইয়াৰ ব্যৱস্থা হাতত লবনে? ক'ত সংস্থাপন কৰাৰ ব্যৱস্থা কৰিছে মন্ত্ৰী মহোদয়ে জনাবনে?

★ **শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ** সোণাপুৰ অঞ্চলৰ জনজাতি আবেষ্টনীবিলাক জনজাতি লোকে বেদখল কৰা অভিযোগ পোৱাৰ পাছত আমি বিধান সভাৰ পি. এ. চি. কমিটিৰ লগত মাননীয় বিধায়কসকলো আছিল। আমি সেই ঠাই ভ্ৰমণ কৰিছো। তাত বেআইনীভাৱে কিছুমান মাটি হস্তান্তৰ কৰা দেখা পাইছো। ইয়ালৈ আহি আমি উপায়ুক্ত আৰু সংশ্লিষ্ট বিষয়াসকলক মাতি আনি আলোচনা কৰিলো। আমি যিবিলাক ঠাইত ডাঙৰ ডাঙৰ বিল্ডিং আছে বা অন্যান্য ক'ম্পেনী গঢ়িছে সেইবিলাক বন্ধ কৰিবলৈ কৈছিলো আৰু বেদখলমুক্ত কৰিব খুজিছিলো। কিন্তু বিষয়াসকলে কমিটিক আশ্বাস দিয়াৰ পাছতো মাটিবিলাক বেদখলমুক্ত কৰা নাই আৰু পঞ্জীয়নো বাতিল কৰা নাই। এইবিলাক দলিল আমাৰ হাতত আছে এইবিলাক নমুনা। অতি সোনকালে বিল্ডিং বন্ধা বন্ধ আৰু মাটিখিনি বেদখল কৰাৰ ব্যৱস্থা কৰিবনে?

★ **শ্ৰীগৌতম ৰয় (মন্ত্ৰী)ঃ** আমি অতিৰিক্ত মুখ্য সচিবৰ প্ৰতিবেদন মতে ব্যৱস্থা লৈছো। হস্তান্তৰ বাতিল কৰিছে। ডাঙৰ ডাঙৰ ঘৰ সজাটো বন্ধ কৰাটো আমি পৰীক্ষা কৰি চাম।

---

★ Speech not corrected.

★ **শ্ৰীচন্দন কুমাৰ সৰকাৰঃ** মাননীয় অধ্যক্ষ মহোদয়, জনজাতি বেল্ট-ব্লকবিলাক সুৰক্ষিত কৰি ৰাখিবৰ কাৰণে অসমত ভূমি আইন ১৩ নং দফামতে ১৯ জন উপপ্ৰতি সমহৰ্ত্তা আৰু ৫ জন অতিৰিক্ত উপায়ুক্ত নিয়োগ কৰা হৈছে। অসমত লাখ লাখ জনজাতি সংৰক্ষিত মাটি সংৰক্ষিত কৰি ৰখা দায়িত্ব পালন কৰিব লাগে। সেই দায়িত্ব পালন কৰিছেনে নাই মন্ত্ৰী মহোদয়ে জনাবনে?

★ **শ্ৰীদিলীপ কুমাৰ শইকীয়াঃ** যিকেইজন বিষয়া এই জনজাতি সংৰক্ষিত অঞ্চল অ-জনজাতি লোকক হস্তান্তৰ কৰা ক্ষেত্ৰত জড়িত তাৰ ভিতৰত এজন জনজাতি বিষয়াও আছে। তেওঁ এ.ডি.চি. দলে বুলি এই বিষয়াকেইজনৰ ওপৰত অতি সোনকালে বিহিত ব্যৱস্থা লবনে? এই সংক্ৰান্তত এটা মোৰ প্ৰশ্ন আছে। কোনে কেনেকৈ উইদ্ৰ কৰিলে নাজানো। বিষয়টো বৰ চিৰিয়াছ। ভৱিষ্যতে সাংঘাটিক ৰিপাৰকেচন হ'ব। মন্ত্ৰী মহোদয়ে নিজে সেই অঞ্চল ভ্ৰমণ কৰি বিষয়াকেইজনৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবনে?

★ **শ্ৰীহেমন্ত তালুকদাৰঃ** গুৱাহাটীৰ যি ঠাইত এতিয়া ষ্টেডিয়াম নিৰ্মাণ হৈ আছে তাত বহু যুগ ধৰি জনজাতি লোকসকলে বসবাস কৰি আছিল। তেওঁলোকে উচ্ছেদ হোৱাৰ পাছত তেওঁলোকক এটা পইচাও দিয়া হোৱা নাই। আজি তেওঁলোকে কান্দি কান্দি আমাক লগ ধৰিছে। মই ৰাজ্যিক গৃহ মন্ত্ৰীক কৈছো যে এই মানুহখিনিক সাহায্য দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো আছিল ট্ৰাইবেল বেল্ট ব্লক লৈ। এইবিলাক কথা আহিলে মন্ত্ৰীয়ে উত্তৰ দিব কেনেকৈ?

★ **শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্মঃ** চাৰ, এই প্ৰশ্নটো ৰিলেটেড। তেওঁলোকক পুনৰ সংস্থাপনৰ কোনো ব্যৱস্থা কৰা নাই।

★ **শ্ৰীগৌতম ৰয় (মন্ত্ৰী)ঃ** চাৰ, বিষয়টো ক্ৰীড়া বিভাগৰ। তথাপি মই মানি

★ Speech not corrected.

লৈছো। ক্ৰীড়া বিভাগৰ লগত আলোচনা কৰিম আৰু অতি সোনকালে ইয়াৰ ব্যৱস্থা লোৱা হ'ব। মাননীয় সদস্য শইকীয়া ডাঙৰীয়াৰ কথাখিনি চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। বিষয়াকেইজনৰ নাম দিলে আৰু তথ্য যদি ঠিকেই আছে মই তৎক্ষণাৎ ব্যৱস্থা লম।

★ **শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** পি. এ. চি. কমিটিত সকলো তথ্যপাতি মজুত আছে। মন্ত্ৰী মহোদয়ক দিব পৰা যাব।

★ **শ্ৰীচন্দন কুমাৰ সৰকাৰ ঃ** সংবিধানৰ নিয়ম অনুযায়ী জনজাতি বেল্ট-ব্লক সুৰক্ষাৰ কাৰণে **১৯** জন এচ.ডি.চি. আৰু ৫ জন এ.চি.ডি. নিয়োগ কৰা আছে। তেওঁলোকে কি কাম কৰিছে মন্ত্ৰী মহোদয়ে উত্তৰত নজনালে দেখোন?

★ **শ্ৰীগুণীন হাজৰিকা ঃ** আমি দেখিছো এই বিধান সভাত কেবাখনো বিল আনিছে যে যিসকল বিষয়াই ৰুল ভায়োলেট কৰিব জেল ও হাজাৰ টকাৰ জৰিমণা কৰা হ'ব। এই মাটি হস্তান্তৰ কৰা বিষয়াসকলৰ বিৰুদ্ধে ব্যৱস্থা লবলৈ কিবা বিল অনাৰ ব্যৱস্থা কৰিব নেকি?

★ **শ্ৰীগৌতম ৰয় (মন্ত্ৰী) ঃ** যিকেইজন বিষয়াৰ কথা ক'লে মই সেইমতে ব্যৱস্থা লম। হাজৰিকা ডাঙৰীয়াৰ প্ৰশ্নটোৰ সন্দৰ্ভত কব বিচাৰিছো আইন কৰা সংক্ৰান্তত আমি পৰীক্ষা কৰি চাম।

**শ্ৰীৰূপণ সিং ৰংহাং ঃ** মাননীয় অধ্যক্ষ মহোদয়, জনজাতি আবেষ্টনীবিলাকত অ-জনজাতি লোকে বেদখল কৰি আছে। এনেকৈ বেদখল চলি থাকিলে এটা সময়ত জনজাতিসকল থকা ঠাই নাইকীয়া হ'ব। গতিকে ইয়াক ৰক্ষা কৰিবৰ কাৰণে নগালেণ্ড-অৰুণাচলৰ আৰ্হিত কিবা আইন কৰাৰ ব্যৱস্থা কৰিবনে? জনজাতি আবেষ্টনীত অকল জনজাতি লোকেই যে থাকিব পাৰে আৰু ৰক্ষণাবেক্ষণ পাব পাৰে তাৰ ব্যৱস্থা সোনকালে লবনে?

★ **শ্ৰীগৌতম ৰয় (মন্ত্ৰী)ঃ** ইয়াৰ বাবে আইন আছে। চেপ্তাৰ টেন ধ্বংস কৰা সকলৰ বিৰুদ্ধে নিশ্চয় ব্যৱস্থা লোৱা হ'ব।

---

★ Speech not corrected.

**শ্ৰীৰুপণ সিং ৰংহাং ঃ** ১৮৯৬ চনৰ যিখন ৰাজহ আইন তাত ৰক্ষণাবেক্ষণৰ ব্যৱস্থা আছে। কিন্তু তাক যে সম্পূৰ্ণৰূপে প্ৰয়োগ কৰা নহয় সেইটো চাইছেনে?

★ **শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ** জনজাতি আবেষ্টনীবিলাকত হাজাৰ হাজাৰ অ-জনজাতি লোকে বসবাস কৰি আছে। তেওঁলোকক বেদখলমুক্ত কৰি জনজাতিসকলক পুনৰ সংস্থাপন কৰা ব্যৱস্থা কৰিবনে?

★ **শ্ৰীগৌতম ৰয় (মন্ত্ৰী)ঃ** মই আগতে উত্তৰ দিছো আইনমতে কাৰ্য্যকৰী ব্যৱস্থা লম।

**Mr. Speaker :** Now, Starred Question No. 395, Hon'ble Member, Shri Chandan Kumar Sarkar.

**বিষয় ঃ অকাৰ্য্যক্ষম সূঁতা মিল।**

**শ্ৰীচন্দন কুমাৰ সৰকাৰে** সুধিছেঃ

★ ৩৯৫। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বঙাইগাওঁ জিলাৰ বইটামাৰীত থকা অসম সমবায় সূঁতা কলটো কেতিয়া কাৰ্য্যক্ষম কৰি তুলিব?

(খ) নিৰাপত্তাৰক্ষীৰ অভাবত মিলটোৰ যন্ত্ৰ-পাতি চুৰ হৈ আছে। চৰকাৰ অৱগতনে?

**শ্ৰীমিচবাহুল ইছলাম লস্কৰ (সমবায় বিভাগৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী)য়ে** উত্তৰ দিছেঃ

(ক) বইটামাৰীৰ অসম সমবায় সূঁতা কলটো পুনৰ জীৱিত কৰিবলৈ চৰকাৰৰ ফালৰ পৰা ৰাষ্ট্ৰীয় সমবায় বিকাশ নিগমৰ সৈতে যোগাযোগ কৰা হৈছে। আৰ্থিক মঞ্জুৰী পালে সূঁতাকলটো পুনৰ কাৰ্য্যক্ষম কৰিবলৈ চৰকাৰে হাতত লব। কিন্তু সূঁতা কলটো

★ Speech not corrected.

কেতিয়াৰ পৰা খোলা হ'ব সেইটো ওপৰত উল্লেখ কৰাৰ দৰে আৰ্থিক মঞ্জুৰী পোৱা সময়ৰ লগতে কলটো চলোৱাৰ যাৱতীয় কাম শেষ হোৱাৰ ওপৰত নিৰ্ভৰ কৰিব। সেয়েহে কলটো কেতিয়া খুলিব তাৰ সঠিক তাৰিখ এতিয়াই কোৱা টান।

(খ) বইটামাৰী অসম সমবায় সূঁতা কলটোৰ নিৰাপত্তাৰ বাবে (৭)জন নিৰাপত্তাৰক্ষী নিযুক্তি দিয়া হৈছে। এতিয়ালৈকে নিৰাপত্তাৰক্ষী সকলে সূঁতাকলটোৰ যন্ত্ৰ-পাতি চুৰি হোৱা বুলি কোনো অভিযোগ পত্ৰ দাখিল কৰা নাই।

কিন্তু সমবায় সমিতিসমূহৰ সহকাৰী পঞ্জীয়ক অভয়াপুৰীৰ প্ৰতিবেদন অনুসৰি মিলটোত আগতে চুৰিৰ ঘটনা সংঘটিত হৈছিল। তাৰ বাবে কেইবাটাও ফৌজদাৰী গোচৰ ৰুজু কৰা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত বৰ্ত্তমান নিৰাপত্তাৰক্ষীৰ ব্যৱস্থা কৰা হৈছে।

★ **শ্ৰীচন্দন কুমাৰ সৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ 'খ' প্ৰশ্নত আছিল নিৰাপত্তাৰক্ষীৰ অভাৱত মিলটোৰ যন্ত্ৰ-পাতি চোৰ হোৱাটো সঁচানে? উত্তৰত অৱগত নহয় বুলি কৈছে। মই সেই অঞ্চলৰ বিধায়ক। মিলটো চলোৱা কাৰণে টকা-পইচাৰ সিদ্ধান্ত হ'ব লাগিব। সেইটো বেলেগ কথা। কিন্তু মিলটোত চাৰে বাৰ কোটি টকাৰ যন্ত্ৰ-পাতি আছে। সেইখিনি ৰক্ষা কৰিবলৈ নিৰাপত্তাৰক্ষী দিয়াৰ কথাহে মই কৈছো। সেইটো কিয় কৰা নাই?

★ **শ্ৰীমিচবাহুল ইছলাম লস্কৰ** (মন্ত্ৰী) ঃ ৭ জন নিৰাপত্তাৰক্ষী নিযুক্তি দিয়া হৈছে বুলি মই উত্তৰত কৈছো। তেওঁলোকে মহকুমা বিষয়াৰ অধীনত কাম কৰি আছে। যদি কিবা বিসংগতি হৈছে অনুসন্ধান কৰি ব্যৱস্থা লম।

★ **শ্ৰীচন্দন কুমাৰ সৰকাৰ ঃ** মহকুমা বিষয়াৰ অধীনত কেইবামাহো নিৰাপত্তা ৰক্ষীয়ে কাম কৰিছিল। কিন্তু তেওঁলোকে দৰমহা দিব নোৱাৰাৰ কাৰণে

★ Speech not corrected.

তেওঁলোক গুছি গ'ল। মই তথ্য সহকাৰে কৈছো টকা দিয়াৰ ব্যৱস্থা কৰিব নেকি?

★ **শ্ৰীমিচবাহুল ইছলাম লস্কৰ** (মন্ত্ৰী)ঃ এই বাজেট প্ৰভিজন কৰা হৈছে। অনুসন্ধান কৰি সেইমতে ব্যৱস্থা লম।

**Mr. Speaker :** Now, Starred Question No. 396, Hon'ble Member, Shri Karendra Basumatary.

## Sub: Tikritola Guide Bundh.

**Shri Karendra Basumatary** asked :

★ 396. Will the Minister of Water Resources be pleased to state :

(a) Whether Government is aware that Tikritola Guide Bundh over Rowta River in Majbat L.A.C. had collapsed during last devastating flood and washed away the newly constructed bundh of Rs. 55.00 lakhs which resulted huge financial loss of the region ?

(b) If so, what steps have taken now by the Government for restoration of the bundh?

**Shri Bharat Chandra Narah** (Minister of Water Resources Department) replied :

(a) Government is aware of the partial damages occured two Nos. of boulder deflectors

★ Speech not corrected.

of the guide bundh of Rowta River at Tikritola during the unprecedented flood of 2004.

(b) Necessary steps taken and work is in progress.

**Shri Karendra Basumatary :**

(a) Whether Government is aware that Tikritola Guide Bundh over Rowta River in Majbat L.A.C. had collapsed during last devastating flood and washed away the newly constructed bundh of Rs. 55.00 lakhs which resulted huge financial loss of the region ?

(b) If so, what steps have taken now by the Government for restoration of the bundh?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

★ **শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ** যাৱতীয় ব্যৱস্থা লোৱা হৈছে বুলি কৈছে। কেনেকৈ এই ব্যৱস্থা লৈছে মন্ত্ৰী মহোদয়ে জনাবনে ? তাৰোপৰি অতিৰিক্তভাৱে পুঁজি আৰু দিয়া হৈছে নেকি সেইটো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। যোৱা বছৰ যি ৫৬ লাখ টকা দিছিল সেইটো পানীত উটিয়েই গ'ল। এতিয়া কেনেকৈ কি টকাৰে কামৰ অগ্ৰগতি লাভ কৰিছে সেইটো জনাবনে ?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কামটোৰ বাবে আগতে যি ৫৬ লাখ টকা দিয়া হৈছিল সেইটো ডেমেজ হ'ল। অৱশ্যে মঠাউৰিটো সম্পূৰ্ণৰূপে নহয় আংশিকভাৱেহে ডেমেজ হৈছে। তাৰ কাৰণে আকৌ অতিৰিক্ত ৫৫ লাখ টকা দি কামটো কৰিববৈল লোৱা হৈছে।

---

★ Speech not corrected.

★ **শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা পৰহি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সদনৰ শূন্যকালীন সময়ত এটা বিবৃত্তি দি কৈছিল ৫১.৫৪ লাখ টকা আকৌ দিয়া হৈছে। এতিয়া আকৌ ৫৫ লাখ দিয়া বুলি কৈছে। এই কামৰ বাবে নিবিদা দিয়া হৈছিলনে ? আমি নিবিদা দিয়া হৈছিলনে নাই জানিব বিচাৰো। নহলে কাম কেনেকৈ কৰিব ?

**শ্ৰীভৰত চন্দ্ৰ নৰহ** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কৈছোৱেই যে যিমানখিনি ডেমেজ হৈছে তাৰ কাৰণে ৫৫ লাখ চেংশ্যন কৰা হৈছে। ডিটেইলচ্ভাৱে এই কামৰ বিষয়ে পিছত জনাব পাৰিম।

★ **শ্ৰীপ্ৰেমধৰ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই মঠাউৰিটোৰ বাবে আগতে টকা ৫৬ লাখ দিয়া হ'ল বুলি কৈছে আৰু আকৌ এতিয়া মেৰামতিৰ নামত ৫৫ লাখ দিয়া বুলি কৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই মঠাউৰিটোৰ দীৰ্ঘতা কিমান আৰু উচ্চতা কিমান ?

**শ্ৰীভৰত চন্দ্ৰ নৰহ** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই তথ্যখিনি এই মুহূৰ্ত্তত মোৰ হাতত নাই। প্ৰয়োজন হ'লে পিছত দিব পাৰিম। আচলতে মঠাউৰিটোৰ দুটা পাৰ্টত আংশিক ডেমেজ হৈছে। এইখিনি মেৰামতিৰ কাৰণে ৫৫ লাখ টকা দিয়া হৈছে। তাৰোপৰি মাননীয় সদস্যজনে কৰা প্ৰশ্নৰ উত্তৰত কওঁ টেণ্ডাৰ লোৱা হ'ব।

★ **শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া বাৰিষা আহি পাবৰ হলেই। বানপানীৰ আগতে কাম শেষ হোৱা সম্পূৰ্ণ হ'বনে ?

**শ্ৰীভৰত চন্দ্ৰ নৰহ** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এপ্ৰিল মাহৰ ভিতৰত কাম শেষ হ'ব বুলি আশা কৰিছো। কাৰণ এপ্ৰিল মাহৰ এতিয়াও প্ৰায় ২৪ দিন ওৱৰ্কিং দে'জ আছে।

★ **শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ ইঞ্জীনিয়াৰসকলে কামটো অৰ্গেনাইজ কৰোতে কৰোতে বহু কাম বাকী থাকি গ'ল। সেই কাৰণে এইবাৰ ভাল বিশেযজ্ঞ এজন বা দুজনক নিৰ্বাচন কৰি কামটো

★ Speech not corrected.

দিলে ভাল হয়।

**শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, টেণ্ডাৰ কৰা হ'ব। সেইমতে যিয়ে পাব তেওঁকেই দিয়া হ'ব।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্মঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত সৰাভাঙ্গা নামৰ নদী এখন আছে। যোৱা ১৫ বছৰে এই নদীখন মই বাৰে বাৰে কোৱা স্বত্বেও প্ৰটেকশ্যন কৰা হোৱা নাই। যোৱাবাৰ মই বিভাগক কৈ এটা প্ৰজেক্টৰ বাবে প্লেন এষ্টিমেট কৰাইছিলো। কাৰণ যোৱা বানপানীত অসম উপচি পৰা সময়ত এই নদীখনে পানীৰে গাওঁ-ভূই ওপচাই পেলাইছিল, আনকি গাওঁবোৰ ধ্বংস কৰি পেলাইছিল। কিছুমান গাওঁ দুফাল কৰি পেলালে। এখন গাওঁতো একেবাৰে নিঃশেষ কৰি পেলালে। মই বিভাগৰ ফালৰ পৰা যি এষ্টিমেট পঠাই দিছিলো তাত মাত্ৰ ৩০ লাখ টকা মঞ্জুৰ কৰিছে। সেইকাৰণে মই ৰাজহ মন্ত্ৰী মহোদয়কো অনুৰোধ কৰিছো এই বিষয়ে কিবা এটা ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** এইটোৰ বিষয়বস্তু বেলেগ গতিকে এইটোৰ বাবে বেলেগ প্ৰশ্ন দিব লাগিব। আজি মন্ত্ৰী মহোদয়ৰ হাতত এই বিষয়ৰ তথ্য নাথাকিব পাৰে। সেয়ে উত্তৰ দিব নোৱাৰিব পাৰে। এইটো পিছত প্ৰশ্ন আকাৰে আনিব।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্মঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এইটো ফৰ ইনফৰ-মেশ্যন কৈছো। মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো মাত্ৰ।

**Mr. Speaker :** Starred Question No. 397, Hon'ble Member, Shri Girindra Kumar Baruah.

**বিষয়ঃ বানপানীত ক্ষতিগ্ৰস্ত লোক।**

**শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছেঃ**

★ ৩৯৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০০৪ বৰ্ষৰ বানপীড়িত ক্ষতিগ্ৰস্ত ব্যক্তিসকলক বিভাগৰ তৰফৰ পৰা পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হৈছেনে ?

(খ) যদিহে পুনৰ সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে, কেনে ধৰণৰ ?

(গ) যদিহে ব্যৱস্থা কৰা হোৱা নাই, তেন্তে পুনৰ সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীগৌতম ৰয় (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) ২০০৪ ইং চনৰ বানপানীত ঘৰ-বাৰী ক্ষতিগ্ৰস্ত হোৱা ৬,৬১৬টা পৰিয়াললৈ ইতিমধ্যে ৬৭ লাখ, ৫৫ হাজাৰ টকাৰ পুনৰ সংস্থাপন মঞ্জুৰী সংমোদন হৈছে। ইয়াৰ বাদে ৰাজ্যখনৰ আন আন জিলাত অক্টোবৰ ২০০৪ চনৰ আগেয়ে হোৱা বানৰ ফলত ঘৰ-বাৰী ক্ষয়ক্ষতি হোৱা ৬ লাখ, ২৫ হাজাৰ, ১৭৪ টা পৰিয়ালক পুনৰ সংস্থাপন মঞ্জুৰীৰ বিষয়টো চৰকাৰে হাতত লৈছে।

(খ) ২০০৪ চনৰ বানপানীত ঘৰ-বাৰী ক্ষতিগ্ৰস্ত হোৱা মুঠ ৬ লাখ, ২৫ হাজাৰ, ১৭৪ টা পৰিয়ালৰ ভিতৰত ৬৪ হাজাৰ ১২৯ টা পৰিয়াললৈ গৃহ নিৰ্মাণ তথা মেৰামতিৰ সন্দৰ্ভত পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ পৰা ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে। বাকী থকা ৫ লাখ ৬২ হাজাৰ ৪৫ টা পৰিয়ালৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা ৰাজহ বিভাগৰ পৰা পুঁজি সাপেক্ষে ব্যৱস্থা লৈ থকা হৈছে।

(গ) প্ৰশ্ন নুঠে।

★ **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে মোৰ প্ৰশ্নৰ উত্তৰত কৈছে যে ৬,৬১৬টা পৰিয়ালক টকা দিবলৈ বিচৰা হৈছে। আৰু অন্যান্য বাকী থকাসকলৰ কাৰণে পুনৰ সংস্থাপনৰ ব্যৱস্থা চৰকাৰে হাতত লৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই ৬,৬১৬টা পৰিয়ালক কেনে ধৰণৰ সাহায্য দিবলৈ বিচৰা হৈছে। দ্বিতীয়তে আৰু

★ Speech not corrected.

এটা কথা কৈছে যে পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হ'ব। কথা হ'ল, এতিয়া বাৰিষা পালেহিয়েই। তাৰ আগে আগে মন্ত্ৰী মহোদয়ে এই সাহায্য আদি দিবনে?

★ **শ্ৰীগৌতম ৰয় (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে কিমান ঘৰ আদি ভাঙিল, কিমান আধা ভঙা হ'ল আদি বিভিন্ন পৰ্য্যায়ৰ ধ্বংসৰ ওপৰত ভিত্তি কৰি দিয়া হৈছে আৰু হ'ব। মাননীয় সদস্যজন এই উত্তৰত সন্তুষ্ট নহয় বুলি মই বুজিছো। সেয়ে মই কওঁ বিভাগীয়ভাৱে চালি-জাৰি চাই ব্যৱস্থা লোৱা হ'ব।

**Mr. Speaker :** Now, Starred Question No. 398, Hon'ble Member, Shri Pabindra Deka.

বিষয়ঃ বিক্ৰী কেন্দ্ৰ।

**শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছেঃ**

★ ৩৯৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) দলিল, কাৰ্টিজ পেপাৰ তথা টিকট আদি বিক্ৰী কৰাৰ বাবে ৰাজ্যখনত কিমানখন চৰকাৰী অনুমোদিত বিক্ৰী কেন্দ্ৰ আছে?

(খ) এই বিক্ৰী কেন্দ্ৰসমূহত কিমান টকাৰ দলিল, কাৰ্টিজ পেপাৰ তথা টিকট বিক্ৰী কৰা হয়?

(গ) কিছুমান চৰকাৰীভাৱে অনুমোদন নোপোৱা ব্যক্তি আৰু ব্যৱসায়ীয়ে চোৰাংকৈ এনে কাৰ্টিজ আৰু দলিল বিক্ৰী কৰাৰ অভিযোগ চৰকাৰে পাইছেনে?

(ঘ) অসৎ চক্ৰ কিছুমানে এনে চোৰাং কাৰ্য্যত জড়িত হৈ ৰাইজক অসুবিধাত পেলোৱা বিষয়টো চৰকাৰে তদন্ত কৰি ব্যৱস্থা লবনে?

**শ্ৰীগৌতম ৰয় (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ**

(ক) প্ৰাপ্ত তথ্য অনুযায়ী সমগ্ৰ অসমত ৩৯১ জন চৰকাৰৰ অনুমোদিত

ষ্টাম্প ভেন্দৰৰ জড়িয়তে দলিল, কাৰ্টিজ পেপাৰ তথা টিকট আদি বিক্ৰী কৰা হয়।

(খ) দিনে দিনে গড়েপ্ৰায় ৯,৮৮,৫৪৫.০০ টকাৰ দলিল, কাৰ্টিজ পেপাৰ তথা টিকট বিক্ৰী কৰা হয়।

(গ) যদিও এই বিষয়ে অভিযোগ পোৱা নাই, উপায়ুক্তসকলক তদন্ত কৰিবলৈ দিয়া হ'ব।

(ঘ) 'গ' প্ৰশ্নত উত্তৰ দিয়া আছে।

★ শ্ৰীপবিন্দ্ৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহাশয়, দলিল কাৰ্টিজ পেপাৰ তথা টিকট আদি বিক্ৰী কৰাৰ বাবে ৰাজ্যখনৰ কিমানখন চৰকাৰী অনুমোদিত বিক্ৰী কেন্দ্ৰ আছে মাননীয় মন্ত্ৰী মহাশয়ে জনাবনে ? চাৰ, বিষয়টো বৰ গুৰুত্বপূৰ্ণ। মাননীয় অধ্যক্ষ মহাশয়, ডি.চি. অফিচ আৰু মহকুমাধিপতিৰ কাৰ্য্যালয়বিলাকত এনেকুৱা পেপাৰবিলাক এনেয়ে বছৰি বছৰি পৰি আছে। এই ক্ষেত্ৰত আমাৰ ৰাজহ বহু পৰিমাণে পৰি গৈছে। ৰাজ্যখনৰ ৰাজহৰ কথাটো এই ক্ষেত্ৰত জড়িত হৈ আছে চাৰ। চাৰ, বিষয়টো গুৰুত্ব দিলে ভাল হয়। দ্বিতীয়তে, আমাৰ যিবিলাক পান দোকান আছে সেই বিলাকত এই কাৰ্টিজ পেপাৰবিলাক পোৱা যায়।

★ শ্ৰীগৌতম ৰয় (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহাশয়, মই মাননীয় সদস্যজনক ধন্যবাদ জনাইছো আৰু এই বিষয়টোৰ ওপৰত মই গুৰুত্ব দিম চাৰ। এইটোত যিহেতুকে ৰাজহৰ কথা জড়িত হৈ আছে।

(Starred Question No. 399 could not be taken up for disposal as the Question Hour was over. However, the said question deemed to have been laid on the table of the House with replies thereto.)

---

★ Speech not corrected.

## বিষয় ঃ চাহ বাগিছাত মাটিৰ পৰিমাণ।

**শ্ৰীমতী কমলী বসুমতাৰীয়ে সুধিছে ঃ**

★ ৩৯৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নৱগঠিত ওডালগুৰি জিলাৰ অন্তৰ্গত পানেৰী সমষ্টিত ব্যক্তিখণ্ডক লৈ মুঠ কেইখন চাহ বাগিছা আছে? (বাগিছাসমূহৰ নামৰ তালিকা দিব)

(খ) প্ৰতিটো বাগিছাৰ মাটিৰ পৰিমাণ কিমানকৈ আছে?

(গ) উক্ত বাগিছাসমূহৰ লগত চৰকাৰী মাটি বেদখল হৈ আছে নেকি? (যদি আছে কোনখন বাগিছাত কিমান মাটি বেদখল হৈ আছে বিতং তথ্য দিব)

(ঘ) বাগিছাসমূহৰ পৰা বছৰি কিমান টকা ৰাজহ আদায় হয়?

(ঙ) বৰ্ত্তমানলৈকে এই সমষ্টিত জৰিপবিহীন অঞ্চল আছে নেকি?

(চ) যদি আছে, অঞ্চলসমূহৰ নাম কি কি?

**শ্ৰীগৌতম ৰয় (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) পানেৰী সমষ্টিৰ ব্যক্তিগত চাহবাগিছা ১২ খন। বাগিছাসমূহ হ'ল- ওৰাংগাজুলি, ননাইপাৰা, বাদলাপাৰা, ভেৰগাওঁ, বামুনজুলি, বাৰাঙ্গাজুলি, ডিমাকুছি, আটেৰীঘাট, চোৰালা, ভেৰগাওঁ, অম্বিকা, কৃষ্ণা, চুচেইবিনি।

(খ) বাগিছাৰ মাটিৰ পৰিমাণ ঃ

| | চাহবাগিছাৰ নাম | মাটিৰ পৰিমাণ |
|---|---|---|
| ১। | ওৰাংগাজুলি চাহ বাগিছা- | ৬৬৬৯ বিঘা ৪ কঠা ৮ লেচা |
| ২। | ননাইপাৰা চাহ বাগিছা | - ৬৩৭৩ বিঘা ৩ কঠা ১৬ লেচা |
| ৩। | বদলাপাৰা চাহ বাগিছা | - ৮৩৯৯ বিঘা ৩ কঠা ১০ লেচা |

| চাহবাগিছাৰ নাম | মাটিৰ পৰিমাণ |
|---|---|
| ৪। ভেৰগাওঁ চাহ বাগিছা | - ১৮৫৩ বিঘা ১ কঠা ১২ লেচা |
| ৫। বামুণজুলি চাহ বাগিছা | - ২০৬৯ বিঘা ২ কঠা ৬ লেচা |
| ৬। বাৰাঙ্গাঁজুলি চাহ বাগিছা | - ৩৮৯২ বিঘা ৩ কঠা ০ লেচা |
| ৭। ডিমাকুছি চাহ বাগিছা | - ৪০৬১ বিঘা ১ কঠা ২ লেচা |
| ৮। আটেৰীঘাট চাহ বাগিছা | - ৫১২২ বিঘা ৪ কঠা ১১ লেচা |
| ৯। চোৰালা চাহ বাগিছা | - ১১০৭ বিঘা ২ কঠা ৯ লেচা |
| ১০। ভেৰগাওঁ চাহ বাগিছা | - (তথ্য পোৱা নাই) |
| ১১। অম্বিকা চাহ বাগিছা | - — ঐ — |
| ১২। কৃষ্ণ চুচেইবিনি চাহ বাগিছা | - — ঐ — |

(গ) হয়, বাগিছাসমূহৰ ভিতৰত ৭খন চাহ বাগিছাত বেদখল হৈ থকা চৰকাৰী মাটিৰ তথ্য তলত দিয়া হ'ল ঃ

| চাহবাগিছাৰ নাম | মাটিৰ পৰিমাণ |
|---|---|
| ১। ওৰাংগাজুলি চাহ বাগিছা | - ১৪৯ বিঘা ২ কঠা ১৬ লেচা |
| ২। ননাইপাৰা চাহ বাগিছা | - ৬৭ বিঘা ২ কঠা ১৪ লেচা |
| ৩। বদলাপাৰা চাহ বাগিছা | - ৯০ বিঘা ২ কঠা ১৮ লেচা |
| ৪। ভেৰগাওঁ চাহ বাগিছা | - ৩১ বিঘা ১ কঠা ৫ লেচা |
| ৫। বাৰাঙ্গাঁজুলি চাহ বাগিছা | - ২১ বিঘা ০ কঠা ৬ লেচা |
| ৬। আটেৰীঘাট চাহ বাগিছা | - ৫৬ বিঘা ৩ কঠা ১ লেচা |
| ৭। চোৰালা চাহ বাগিছা | - ১৩৭ বিঘা ১ কঠা ২ লেচা |
| মুঠ | - ৫৫৪ বিঘা ২ কঠা ৬ লেচা |

(ঘ) চাহ বাগিছাসমূহৰ পৰা বছৰি আদায় হোৱা ৰাজহৰ পৰিমাণ তলত দিয়া হ'ল ঃ-

| | চাহবাগিছাৰ নাম | | বাৰ্ষিক আয় |
|---|---|---|---|
| ১। | ওৰাংগাজুলি চাহ বাগিছা | - | ১২৪০৫৯.৮৮ টকা |
| ২। | ননাইপাৰা চাহ বাগিছা | - | ১১৮৫৫১.৯১ টকা |
| ৩। | বদলাপাৰা চাহ বাগিছা | - | ১৫৬২৩৪.৩২ টকা |
| ৪। | ভেৰগাওঁ চাহ বাগিছা | - | ৩৪৪৭১.৮০ টকা |
| ৫। | বামুণজুলি চাহ বাগিছা | - | ৩৮৪৯২.০৪ টকা |
| ৬। | বাৰাঙ্গাঁজুলি চাহ বাগিছা | - | ৭২৪০২.৩১ টকা |
| ৭। | ডিমাকুছি চাহ বাগিছা | - | ৭৫৫৩৮.৭৩ টকা |
| ৮। | আটেৰীঘাট চাহ বাগিছা | - | ৯৫২৯৩.৩৯ টকা |
| ৯। | চোৱালা চাহ বাগিছা | - | ২০৫৯৯.৩৪ টকা |
| ১০। | ভেৰগাওঁ চাহ বাগিছা | - | — |
| ১১। | অম্বিকা চাহ বাগিছা | - | — |
| ১২। | কৃষ্ণা চুচেইবিনি চাহ বাগিছা | - | ৪৫৯৩৬.৫৩ টকা |
| | মুঠ | - | ৭৮১৫৮০.২৯ টকা |

(ঙ),(চ) এই বিষয়ে ওডালগুৰি জিলা উপায়ুক্তৰ কাৰ্য্যালয়ৰ পৰা যাৱতীয় তথ্য পোৱা নাই।

**বিষয়ঃ হোজাই উপ-পঞ্জীয়ন কাৰ্য্যালয়।**

**শ্ৰীখলিলুৰ ৰহমান চৌধুৰীয়ে সুধিছেঃ**

★ ২০৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০০১ চনৰ ১ জানুৱাৰীৰ পৰা বৰ্ত্তমানলৈকে হোজাই উপ-পঞ্জীয়ন কাৰ্য্যালয়ত মাটি বেচা-কিনা বাবদ কিমান সংখ্যক দলিল পঞ্জীয়ন কৰা হৈছে আৰু উক্তপঞ্জীয়নৰ যোগেদি সৰ্বমুঠ কিমান বিঘা মাটি বিক্ৰী হস্তান্তৰ কৰা হৈছে?

(খ) উক্ত পঞ্জীয়নকৃত দলিলৰ যোগেদি কিমান পৰিমাণৰ টকা লেনদেন হৈছিল আৰু ইয়াৰ বিপৰীতে চৰকাৰী ৰাজহ, ষ্টাম্প আদি বাবদ চৰকাৰে কিমান টকা পাইছে? (বিতং তথ্য দাখিল কৰিব)

(গ) উক্ত পঞ্জীয়নকৃত দলিলৰ ভিতৰত কিমানসংখ্যক দলিলৰ বাবে জিলা উপায়ুক্তই বিধিগত অনুমতি দিছিল আৰু জিলা উপায়ুক্তৰ অনুমতি অবিহনে কিমানসংখ্যক দলিল পঞ্জীয়ন কৰা হৈছে আৰু মাটিৰ পৰিমাণ কিমান আছিল? (বিতং তথ্য দাখিল কৰিব)

শ্ৰীগৌতম ৰয় (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০১ চনৰ জানুৱাৰী মাহৰ পৰা বৰ্ত্তমানলৈকে হোজাই উপ-পঞ্জীয়ন কাৰ্য্যালয়ত ১৮,৬২৫ খন মাটি বেচা-কিনা দলিল পঞ্জীয়ন কৰা হৈছে আৰু পঞ্জীয়নৰ যোগেদি ৯,০২৬ বিঘা মাটিৰ মালিকানা হস্তান্তৰ হৈছে।

(খ) এই সময়চোৱাত পঞ্জীয়নকৃত দলিল যোগে সংশ্লিষ্ট লোকৰ মাজত মাটিৰ বিক্ৰী মূল্যাদিৰ লেন-দেনৰ তথ্য তলত দিয়া হ'ল ঃ-

(১) মাটিৰ মূল্য = ২৮,০৭,১৯,০৩৪.০০ টকা (আঠাইশ কোটি সাত লাখ উনৈশ হাজাৰ চৌত্ৰিশ টকা)

(২) ষ্টাম্প ডিউটি = ২,০৮,৮৩,৫১৯.০০ টকা (দুই কোটি আঠ লাখ তিৰাশী হাজাৰ পাঁচশ উনৈশ টকা)

(৩) ৰেজিষ্ট্ৰেচন মাচুল = ১,০০,১৮,৩৫৪.০০ টকা (এক কোটি ওঠৰ হাজাৰ তিনিশ চৌৱন্ন টকা)

(২ + ৩) মুঠ= ৩,০৯,০১,৮৭৩.০০ টকা (তিনি কোটি ন লাখ এক হাজাৰ আঠশ তেসত্তৰ টকা)

(গ) জিলা পঞ্জীয়কৰ পৰা পোৱা তথ্যমতে পঞ্জীয়নকৃত দলিলসমূহৰ ভিতৰত উপায়ুক্তৰ অনুমতি থকা দলিলৰ সংখ্যা ৩,৪১১ খন আৰু উপায়ুক্তৰ অনুমতি অবিহনে ১৫,২১৪ খন দলিল পঞ্জীয়ন কৰা হৈছে।

সংশ্লিষ্ট উপ-পঞ্জীয়কৰ পৰা পোৱা তথ্যমতে অনুমতি থকা/নথকা তথ্যসমূহ দলিলত উল্লেখ কৰা হোৱা নাই, সেয়েহে বিতং তথ্য দিব পৰা নগ'ল।

## বিষয়ঃ বানপানীত ক্ষয়ক্ষতি।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছেঃ

★ ২৮৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) নগাওঁ জিলাৰ কঠিয়াতলী, পাখিমৰীয়া আৰু বঢ়মপুৰ উন্নয়ণ খণ্ডৰ বিস্তৃত অংশ যোৱা বানপানীয়ে বেয়াকৈ ক্ষতিগ্রস্ত কৰি কৃষক ৰাইজৰ খেতি পথাৰ বিনষ্ট কৰি হাহাকাৰৰ সৃষ্টি কৰাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) ক্ষতিগ্রস্ত ৰাইজক চৰকাৰৰ তৰফৰ পৰা কি কি সাহায্য আগবঢ়োৱা হৈছে জ্ঞাত কৰিবনে?

(গ) উক্ত জিলাৰ কৃষক ৰাইজৰ বাবে ৰবিশস্যৰ বীজ, খেতিৰ পথাৰ চহ কৰা, পানী যোগান ব্যৱস্থা কৰাৰ যি প্রতিশ্রুতি চৰকাৰে দিছিল সেই প্রতিশ্রুতি চৰকাৰে কাৰ্য্যকৰী কৰিছেনে?

(ঘ) যদি কৰা নাই, কিয় কৰা নাই?

(ঙ) বানপানীত গৃহহীন হোৱা উক্ত জিলাৰ ৰাইজক গৃহ নির্মাণৰ বাবে কি কি সাহায্য আগবঢ়োৱা হৈছে?

শ্রীগৌতম ৰয় (ৰাজহ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) হয়, জ্ঞাত।

(খ) চৰকাৰে আগবঢ়োৱা সাহায্য তলত উল্লেখ কৰা হ'ল।

১। বানপানীত ক্ষতিগ্ৰস্ত সকলো পৰিয়ালকে সংশ্লিষ্ট উপায়ুক্তৰ জড়িয়তে পাৰিতোষিক সাহায্য দিয়া হৈছে।

২। বানপানীত ক্ষতিগ্ৰস্ত কৃষক পৰিয়ালৰ মাজত শালিধানৰ বীজ আৰু ৰবি শস্যৰ বীজ বিতৰণ কৰা হৈছে।

৩। SGRY ২০০৪-০৫ত অগ্ৰাধিকাৰ ভিত্তিত কঠিয়াতলী, পাখিমৰীয়া আৰু বঢ়মপুৰ উন্নয়ণ খণ্ডৰ অধীনত থকা আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়ত যোগে বান আক্ৰান্ত অঞ্চলত SGRY বিশেষ আঁচনিৰ কাম চলাই থকা হৈছে।

৪। প্ৰতিটো ক্ষতিগ্ৰস্ত পৰিয়ালৰে ১ বিঘাকৈ খেতিৰ মাটি চহোৱাৰ ব্যৱস্থা কৰি থকা হৈছে।

৫। PMGY ২০০৪-০৫ উন্নয়ণ খণ্ডৰ অধীনত নতুন নিৰ্মাণ ও মেৰামতি কৰা ঘৰৰ তথ্য তলত দেখুওৱা হ'ল ঃ

| উন্নয়ণ খণ্ডৰ নাম | নতুন ঘৰ | মেৰামতি |
|---|---|---|
| কঠিয়াতলী উন্নয়ণ খণ্ড | ৩০ টা | ২৩০ টা |
| পাখিমৰীয়া | ৩০ টা | ১০০ টা |
| বঢ়মপুৰ | ৩০ টা | ১০০ টা |

(গ) ১। শালিধানৰ বীজ আৰু ৰবি শস্যৰ বীজ বিতৰণ নগাওঁ জিলাত তলত দেখুওৱা হিচাবে বিতৰণ কৰা হৈছে ঃ

| | | |
|---|---|---|
| শালিধানৰ বীজ | - | ১,৪৪,৬৫৫ মুঠা |
| সৰিয়হ | - | ৭০.০০ কুইন্টল |
| মচুৰ দালি | - | ৫১৩.৮৪ কুইন্টল |
| মটৰ মাহ | - | ৫১৯.৭২ কুইন্টল |
| বুট | - | ৫৫০.০০ কুইন্টল |
| মুগ দালি | - | ১৪০.০০ কুইন্টল |
| ধান | - | ২০০.০০ কুইন্টল |

২। জিলাখনত প্রতিটো ক্ষতিগ্রস্ত পৰিয়ালৰ বাবে ১ বিঘাকৈ ৯০,০২২ বিঘা খেতি-মাটি চহোৱাৰ কাম চলিছে আৰু অতি সোনকালে এইখিনি সম্পূর্ণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

৩। বানপানীত ক্ষতিগ্রস্ত ৭০.৫০ হেক্টৰ মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে।

(ঘ) প্রশ্ন নুঠে।

(ঙ) ১। ক্ষতিগ্রস্ত পৰিয়ালৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা পুঁজি সাপেক্ষে গ্রহণ কৰা হ'ব।

২। PMGY গৃহ নির্মাণ আঁচনিৰ অধীনত জিলাখনৰ ৪,১৩৩ ক্ষতিগ্রস্ত পৰিয়ালৰ বাসগৃহ মেৰামতিৰ ব্যৱস্থা কৰি থকা হৈছে।

## SHORT NOTICE QUESTIONS AND ANSWERS

**Mr. Speaker :** Now, Short Notice Question No. 49, Hon'ble Member, Shri Utpal Dutta.

**বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।**

**শ্রীউৎপল দত্তই সুধিছে ঃ**

৪৯। মাননীয় প্রাথমিক শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) উত্তৰ লক্ষীমপুৰ ডি. আই.জনে DI/NL/2005/7726/30 dt.28-1-05 আদেশ মৰ্মে পোন্ধৰজন শিক্ষকৰ দৰমহা মোকলাই দিয়া কথাটো সত্যনে ?

(খ) এই পোন্ধৰজন শিক্ষকক কোন চনত, কোন বাচনি সমিতিয়ে, কাৰ স্বাক্ষৰত নিযুক্তি পত্ৰ দিছিল জনাবনে ?

(গ) এখেতসকলে শিক্ষকতা কৰা বুলি দেখুওঁৱা স্কুল কেইখনৰ প্ৰধান শিক্ষকসকলে কেতিয়াৰ পৰা, কি ভিত্তিত তেখেতসকলক কৰ্মৰত বুলি দেখুৱাইছে বিতংকৈ জনাবনে ?

শ্ৰীৰিপুন বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সত্য।

(খ) তদন্ত কৰি থকা হৈছে।

(গ) তদন্ত প্ৰক্ৰিয়া চলি আছে।

(Short Notice Question No. 50 could not be taken up for disposal as the questioner was not present in the House when called for. However, the said question deemed to have been laid on the table of the House with replies thereto.)

বিষয় ঃ বন্ধ হৈ থকা অশোক কাগজ কল খোলাৰ বিষয়ে।

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে ঃ

৫০। মাননীয় উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বন্ধ হৈ থকা কাগজ কল (যোগীঘোপা) খোলাৰ ব্যৱস্থা কৰিব নেকি ?

(খ) যদি কৰে, কেতিয়া খোলা হ'ব ?

শ্ৰীঅঞ্জন দত্ত (উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বন্ধ হৈ থকা যোগীঘোপাৰ অশোক কাগজ কলটো চলোৱাৰ

প্ৰচেষ্টা ইতিমধ্যে হাতত লোৱা হৈছে। যোৱা ২-৮-২০০০ ইং তাৰিখত এই কলটো মেৰামতি আদি সম্পূৰ্ণ কৰি চলোৱাৰ দায়িত্ব কলিকতাৰ "নৰ্থ ইষ্ট পেপাৰ এণ্ড ইণ্ডাষ্ট্ৰিজ" নামৰ কোম্পানী এটাৰ হাতত ন্যস্ত কৰা হৈছিল। উক্ত কোম্পানীটোৱে ইয়াৰ যাৱতীয় মেৰামতি আদিৰ কাম প্ৰায় সম্পূৰ্ণ কৰি যোৱা ২০০৩ চনৰ জানুৱাৰী মাহত কলটোত পৰীক্ষামূলক উৎপাদন আৰম্ভ কৰিছিল বুলি জনা যায়। উল্লেখযোগ্য যে কলটো মেৰামতি আদি কৰা বাবদ কোম্পানীটোৰ লগত হোৱা চুক্তি অনুযায়ী অসম চৰকাৰে উক্ত কোম্পানীটোক মুঠ ২.৯৭ কোটি টকা মোকলাই দিয়ে, কিন্তু কোম্পানীটোৰ আৰ্থিক অনাটন আৰু কাৰ্য্যকৰী মূলধন গোটাব নোৱাৰাৰ বাবে কলটোত আজিলৈকে বাকী থকা মেৰামতিৰ কামসমূহ সম্পূৰ্ণ কৰিব পৰা নাই আৰু ব্যৱসায়িক উৎপাদন আৰম্ভ কৰিব পৰা নাই। সেয়েহে কোম্পানীটোৰ ব্যৰ্থতাৰ দিশলৈ চাই চৰকাৰে উক্ত কোম্পানীটোৰ লগত হোৱা চুক্তি আদি বাতিল কৰাৰ সিদ্ধান্ত লয়। চৰকাৰৰ এনে সিদ্ধান্ত কোম্পানীটোৰ জ্ঞাত হোৱাত তেওঁলোকে উক্ত সিদ্ধান্তৰ বিৰোধিতা কৰি মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয় আৰু ন্যায়ালয়ে মধ্যকালীন আদেশ যোগে চৰকাৰৰ উক্ত সিদ্ধান্তৰ কাৰ্য্যকৰীকৰণৰ ওপৰত এক স্থগিতাদেশ জাৰি কৰে। কাগজ কল কৰ্ত্তৃপক্ষ আৰু অসম চৰকাৰে আদালতৰ উক্ত মধ্যকালীন আদেশ খাৰিজ কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

(গ) আদালতৰ ওপৰোক্ত স্থগিতাদেশ খাৰিজ হোৱাৰ পিচতহে এই সংক্ৰান্তত বিহিত ব্যৱস্থা লব পৰা যাব।

## বিষয় ঃ ধৰ্মজ্যোতি আঁচনি।

**শ্ৰীৰামেশ্বৰ তেলীয়ে** সুধিছে ঃ

৫১। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধৰ্মজ্যোতি আঁচনিৰ যোগেদি ৰাজ্যৰ বাহিৰৰ কোন কেইখন তীৰ্থস্থান আৰু ঐতিহাসিক স্থল ভ্ৰমণৰ বাবে উৎসাহিত কৰা হয়?

(খ) দুলীয়াজান সমষ্টিৰ পৰা ধৰ্মজ্যোতি আঁচনিৰ জড়িয়তে কোনো বয়োজ্যেষ্ঠ নাগৰিকে এই ভ্ৰমণৰ সুবিধা লাভ কৰিছে নেকি? যদি কৰিছে, তেন্তে কোন কোন ব্যক্তিয়ে কেতিয়া আৰু কোন অঞ্চল ভ্ৰমণৰ সুবিধা লাভ কৰিছে?

**শ্ৰীঅঞ্জন দত্ত** (পৰিবহন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ধৰ্মজ্যোতি আঁচনিৰ যোগেদি ৰাজ্যৰ বাহিৰৰ শ্ৰীশ্ৰীজগন্নাথ মন্দিৰ, পুৰী, উৰিষ্যা আৰু শ্ৰীশ্ৰীমধুপুৰ সত্ৰ, কোঁচবিহাৰ, পশ্চিমবঙ্গ ভ্ৰমণ কৰিব পৰা যায়। এতিয়া নতুনকৈ অৰুণাচল প্ৰদেশৰ পৰশুৰাম কুণ্ড আৰু বিহাৰৰ বুদ্ধ গয়া ভ্ৰমণ কৰিব পৰাৰ ব্যৱস্থা কৰা হৈছে।

(খ) দুলীয়াজান সমষ্টিৰ পৰা ধৰ্মজ্যোতি আঁচনিৰ জড়িয়তে বয়োজ্যেষ্ঠ নাগৰিকে ভ্ৰমণৰ সুবিধা লাভ কৰিছে। সৰ্বমুঠ ৩৮ জন ব্যক্তিৰ এটা দলে ২১/৯/২০০৪ তাৰিখে শ্ৰীশ্ৰীজগন্নাথ মন্দিৰ, পুৰী, উৰিষ্যালৈ অসম ৰাজ্যিক পৰিবহন নিগমৰ বাছেৰে দুলীয়াজানৰ পৰা যাত্ৰা কৰে। ব্যক্তিসকলৰ তালিকা ইয়াৰ লগত সংলগ্ন কৰি দিয়া হৈছে। (See Annexure-IV)

**Mr. Speaker :** Now, Short Notice Question No. 52, Hon'ble Member, Shri Dinesh Chandra Sarkar.

## বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

**শ্ৰীদীনেশ চন্দ্ৰ সৰকাৰে সুধিছে ঃ**

৫২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এইটো হয়নে যে গোলকগঞ্জ চহৰৰ ওচৰত গংগাধৰ নৈৰ ওপৰত বৃটিছৰ দিনতে নিৰ্মাণ কৰা ৰেইল-কাম-ৰোড দলংখনৰ ওপৰেদি ৰেইল সেৱা দেশ বিভাজনৰ পাছত বন্ধ হয়, কিন্তু **৩১** নং এন এইচ ডব্লিউৰ দায়িত্বত পথ সেৱা **১৯৭৩** চনলৈকে চলে ?

(খ) এইটো হয়নে প্ৰচণ্ড বানপানীয়ে **১৯৭৩** চনত উক্ত দলঙৰ পূব পাৰৰ সংলগ্ন পথ (Approach Road) খহাই লৈ যোৱাৰ ফলত উক্ত পথ সেৱা বন্ধ হৈ যায় ?

(গ) এইটো হয়নে (Approach Road) সংযোগ কৰাৰ পৰিৱৰ্ত্তে বেলেগ দিশত বিকল্প পথ নিৰ্মাণ কৰা হয় আৰু পুৰণা পথক (অৰ্থাৎ গংগাধৰ নৈৰ দলং আৰু ইয়াৰ দুই ফালে কেই কিঃ মিঃ মান পথ) **৩১** নং এন. এইচ. ডব্লিউ কৰ্ত্তৃপক্ষই পৰিত্যক্ত বুলি ঘোষণা কৰে আৰু উক্ত পথছোৱাৰ সম্পূৰ্ণ কৰ্ত্তৃত্ব আৰু দায়-দায়িত্ব কাকত-পত্ৰ সাপেক্ষে ৰাজ্যিক পি. ডব্লিউ. ডি.ক অৰ্পণ কৰে ?

(ঘ) এইটো হয়নে উক্ত খণ্ডৰ দায়িত্ব থকা স্বত্ত্বেও ৰাজ্যিক চৰকাৰে উক্ত পথ সংযোগৰ কোনো ব্যৱস্থা আজিলৈকে কৰা নাই। ফলত লোকৰ আহুকাল হৈছে?

(ঙ) সম্প্ৰতি নিউ মইনাগুৰি যোগীঘোপা বিজি ৰেইল পথত গংগাধৰ নৈৰ ওপৰত দলং এখন নিৰ্মাণ কৰিবলৈ লৈছে। এই দলংখনকে ৰেইল-কাম-ৰোড ব্ৰিজ হিচাবে নিৰ্মাণ কৰাৰ অৰ্থে মাননীয়

মুখ্যমন্ত্ৰীদেৱক যোৱা ২০/১২/২০০৪ তাৰিখত এটা সঁজাতি দলে দুজন বিধায়কৰে সৈতে সকলো কথা বিৱৰি এখন স্মাৰক পত্ৰ প্ৰদান কৰে। উক্ত বিষয়ে মাননীয় মুখ্যমন্ত্ৰীদেৱে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে? যদি কৰিছে জনাবনে?

**শ্ৰীমতী অজন্তা নেওগ** (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) হয়। ৩১ নং ৰাষ্ট্ৰীয় পথ সেৱা এই দলংখনৰ ওপৰেৰে চলে ১৯৭৩ চনলৈকে।

(খ) দলং সংযোগী পথ বানপানীত খহাই লৈ যোৱাৰ পাছত ৰাষ্ট্ৰীয় পথ মন্ত্ৰণালয়ে উক্ত পথ বন্ধ কৰি দিয়ে।

(গ) হয়। ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় পথ মন্ত্ৰণালয়ৰ অধীনত গংগাধৰ নৈৰ ওপৰত বেলেগ দিশত এক বিকল্প পথত এখন পকী দলং নিৰ্মাণৰ ব্যৱস্থা কৰে আৰু পুৰণা দলং ও পথটো ৰাজ্যিক গড়কাপ্তানী বিভাগক হস্তান্তৰ কৰে।

(ঘ) হয়। পুৰণা দিশত সংলগ্ন দলং সংযোগী পথচোৱাৰ মেৰামতি আৱশ্যকীয় পুঁজি সাপেক্ষে কৰা হ'ব।

(ঙ) হয়। ইতিমধ্যে কেন্দ্ৰীয় ৰেলমন্ত্ৰীলৈ মুখ্যমন্ত্ৰীৰ দ্বাৰা এক পত্ৰ প্ৰেৰণ কৰা হৈছে।

**Mr. Speaker :** Now, Short Notice Question No. 53, Hon'ble Member, Shri Pabindra Deka.

বিষয়ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী (নলবাৰী জিলাৰ টিহু-দুমুনী গড়কা প্তানী পথ)।

শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছেঃ

৫৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনেঃ

(ক) নলবাৰী জিলাৰ টিহু-দুমুনী গড়কাপ্তানী পথটো জৰাজীৰ্ণ হৈ যাতায়তৰ অনুপযোগী হোৱা কথাটো চৰকাৰৰ অৱগতনে?

(খ) যদি অৱগতআন্তঃৰাষ্ট্ৰীয় সীমাত অৱস্থিত এই পথটো যাতায়তৰ বাবে সুচল কৰাৰ ব্যৱস্থা লবনে?

(গ) এই পথটো পকীকৰণ কৰাৰ বাবে নাবাৰ্ডৰ আঁচনিত অন্তৰ্ভূক্ত হোৱাটো সঁচানে?

(ঘ) যদি সঁচা, পকীকৰণৰ কাম কেতিয়া আৰম্ভ কৰি শেষ কৰিব?

**শ্ৰীমতী অজন্তা নেওঁগ** (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) বান ক্ষতিগ্ৰস্ত পথটোৰ অৱস্থা বেয়া যদিও বৰ্ত্তমানলৈ উক্ত পথেৰে চলাচল অব্যাহত আছে।

(খ) লোৱা হৈছে।

(গ) এই পথটো পকীকৰণ কৰাৰ বাবে নাবাৰ্ডৰ আঁচনিত অন্তৰ্ভূক্ত হোৱাটো সঁচা নহয়।

(ঘ) প্ৰযোজ্য নহয়।

**Mr. Speaker :** Now, Short Notice Question No. 54, Hon'ble Member, Shri Dinesh Chandra Sarkar.

বিষয় ঃ ৩১ নং জাতীয় পথ।

**শ্ৰীদীনেশ চন্দ্ৰ সৰকাৰে** সুধিছে ঃ

৫৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এইটো সঁচানে যে ৩১ নং জাতীয় পথত জাতীয় মহাসৰক অৰ্থাৎ চাৰি লাইন চুপাৰ হাইওৱেলৈ ৰূপান্তৰিত কৰা হ'ব?

(খ) যদি হয়, এইকাম কেতিয়াৰ পৰা আৰম্ভ কৰা হ'ব আৰু কিমান দিনৰ ভিতৰত বক্সিৰহাট অতিক্ৰম কৰি ৩১ নং জাতীয় পথৰ ওপৰত

এই মহাসৰকৰ কাম অসমত আৰম্ভ কৰা হ'ব?

**শ্ৰীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হ'ব।

(খ) উক্ত কামটো ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ দ্বাৰা কৰা হ'ব। গতিকে কেতিয়া আৰম্ভ কৰা হ'ব, এই বিভাগ জ্ঞাত নহয়।

**Mr. Speaker :** Now, Short Notice Question No. 55, Hon'ble Member, Shri Dinesh Chandra Sarkar.

**বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।**

**শ্ৰীদীনেশ চন্দ্ৰ সৰকাৰে সুধিছে ঃ**

৫৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এইটো হয়নে যে ধুবুৰী জিলাৰ ধুবুৰী-কচুগাওঁ পথৰ (ডি. কে. ৰোড) মেৰামতিৰ কাম দীৰ্ঘদিন পিছতহে এইবাৰ আৰম্ভ কৰা হৈছে?

(খ) এইটো চৰকাৰৰ অৱগতনে যে কামটো যথাযথভাৱে নিয়ম মানি কৰা হোৱা নাই অৰ্থাৎ নিম্নমানৰ উপকৰণেৰে কোনো ৰকমে কামটো সম্পন্ন কৰাৰ ব্যৱস্থা কৰা হৈছে?

(গ) এইটো হয়নে, এই ক্ষেত্ৰত ধুবুৰীৰ গড়কাপ্তানী বিভাগৰ কাৰ্য্যবাহী অভিযন্তাগৰাকীয়ে নিৰ্বিকাৰ ভূমিকা পালন কৰি আছে?

(ঘ) দীৰ্ঘদিনৰ পিছত চৰকাৰে ডি কে ৰোডৰ সংস্কাৰৰ বাবে ৰাজহ বিভাগৰ পৰা ৭৩ লাখৰ ওপৰত টকা দিছে, এই টকাৰ যাতে সৎ ব্যৱহাৰ হয়, তালৈ চৰকাৰে চকু দিবনে?

(ঙ) এইবুলি চৰকাৰে আস্বস্ত কৰিবনে যে যথাযথভাৱে ডি কে ৰোডৰ

সংস্কাৰৰ কাম কৰাই লোৱা হ'ব আৰু উচ্চ ক্ষমতাসম্পন্ন অভিজ্ঞ দায়িত্বশীল বিষয়াৰ হতুৱাই কামটোৰ তদন্ত সাপেক্ষে চৰকাৰী অৰ্থ মোকোলাই দিয়া হ'ব?

শ্ৰীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) হয়।

(খ) উক্ত কাম টো যথাযথভাৱে বিভাগীয় তথা IRCৰ নীতি-নিৰ্দ্দেশনা মানি সম্পূৰ্ণ কৰা হৈছে। কামটো সম্পূৰ্ণ কৰোতে কোনো ধৰণৰ নিম্নমানৰ উপকৰণ ব্যৱহাৰ কৰা হোৱা নাই।

(গ) যিহেতু উক্ত পথটোৰ কামবোৰ IRCৰ বিস্তৃত বিৱৰণ (Specification) আৰু পথ পৰিবহন ৰাষ্ট্ৰীয় পথ মন্ত্ৰণালয়ৰ নীতি-নিৰ্দ্দেশনা (Guidelines) মতে সম্পূৰ্ণ কৰা হৈছে আৰু কামৰ মান নিম্নগামী হোৱা নাই, গতিকে কাৰ্য্যবাহী অভিযন্তাগৰাকীৰ নিৰ্ব্বিকাৰ ভূমিকাৰ প্ৰশ্ন নুঠে।

(ঘ) হয়, টকাৰ সৎব্যৱহাৰৰ প্ৰতি গুৰুত্ব দিয়া হৈছে।

(ঙ) ডি কে ৰোডৰ মেৰামতিৰ কাম বিভাগীয় তথা IRCৰ নীতি-নিৰ্দ্দেশনা মানি সম্পূৰ্ণ কৰা হৈছে। কামৰ মানদণ্ডৰ ক্ষেত্ৰত কোনো ত্ৰুটি পৰিলক্ষিত হোৱা নাই। গতিকে ঠিকাদাৰসকলৰ বিলৰ ধন বিভাগীয় নীতি-নিয়মৰ মাজেৰে আদায় দিয়া হ'ব। এই ক্ষেত্ৰত উচ্চ ক্ষমতাসম্পন্ন অভিজ্ঞ দায়িত্বশীল বিষয়াৰ দ্বাৰা কামটো তদন্ত কৰাৰ প্ৰয়োজন বোধ কৰা হোৱা নাই।

**বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ নং ৫৬।**

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছেঃ

৫৬। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) নগাওঁ জিলা পৰিষদ গঠন হোৱাৰ পৰা বৰ্ত্তমানলৈকে কিমানখন সভা অনুস্থিত হ'ল?

(খ) নগাওঁ জিলা পৰিষদে প্ৰতিটো বিধান সভা সমষ্টিৰ বিপৰীতে পৰিষদ গঠন হোৱাৰ পিছৰপৰা প্ৰতি বিত্তীয় বৰ্ষত কিমান টকা ব্যয় কৰিলে জনাবনে?

(গ) জিলা পৰিষদে কাৰ্য্যালয়ৰ বিভিন্ন শিতানত কিমান টকা ব্যয় কৰিলে জনাবনে? (অনুগ্ৰহ কৰি শিতানসমূহ বেলেগে উল্লেখ কৰিব)

**শ্ৰীৰিপুন বৰা** (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) নগাওঁ জিলা পৰিষদ গঠন হোৱাৰ পৰা বৰ্ত্তমানলৈকে সৰ্বমুঠ ৭ (সাত)খন পৰিষদ সভা অনুস্থিত হৈছে।

(খ) নগাওঁ জিলা পৰিষদে কোনো বিধান সভা সমষ্টিৰ বিপৰীতে কোনো ধন ব্যয় কৰা নাই। জিলা পৰিষদৰ সাধাৰণ সভাই জিলা পৰিষদৰ সমষ্টি ভিত্তিত ২০০২-০৩, ২০০৩-০৪ আৰু ২০০৪-০৫ বিত্তীয় বৰ্ষত আবন্টন আৰু ব্যয় কৰা টকাৰ পৰিমাণ পৰিশিষ্ট 'ক'ত গাঠি দিয়া হ'ল। (See Annexure-V)

(গ) জিলা পৰিষদ গঠন হোৱাৰ পৰা ২৮-০২-২০০৫ তাৰিখলৈ বিভিন্ন শিতানত হোৱা ব্যয়ৰ পৰিমাণ বছৰ ভিত্তিত ও শিতান ভিত্তিত পৰিশিষ্ট 'খ'ত দেখুওৱা হ'ল। (See Annexure-VI)

**Mr. Speaker :** Now, Short Notice Question No. 57, Hon'ble Member, Shri Girindra Kumar Baruah.

**বিষয় ঃ এচিয়ান ডেভেলপমেন্ট বেংকৰ ঋণ।**

**শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই** সুধিছেঃ

৫৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনেঃ

(ক) এচিয়ান ডেভেলপমেন্ট বেংকৰ পৰা ৰাজ্যৰ উন্নয়ণৰ হেতু ঋণ লবলৈ বিচৰা হৈছে নেকি ?

(খ) ঋণ লোৱাৰ চৰ্ত্তসমূহ জনাবনে ?

(গ) উক্ত ঋণ লোৱাৰ ফলত নিযুক্তি দিয়াত বাধা আহিব নেকি ?

**শ্ৰীমতী অজন্তা নেওঁগ** (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ণ মন্ত্ৰণালয়ে গ্ৰাম চড়ক যোজনা (PMGSY) আঁচনিৰ অধীনত এচিয়ান ডেভেলপমেন্ট বেংকৰ পৰা ঋণ লোৱাৰ প্ৰস্তুতি চলাই আছে।

(খ) যিহেতু বিষয়টো ভাৰত চৰকাৰৰ বিবেচনাধীন অসম চৰকাৰৰ এই বিষয়ে জ্ঞাত নহয়।

(গ) যিহেতু বিষয়টো ভাৰত চৰকাৰৰ বিবেচনাধীন অসম চৰকাৰৰ এই বিষয়ে জ্ঞাত নহয়।

(ঘ) জ্ঞাত নহয়।

**Mr. Speaker :** Now, Short Notice Question No. 58, Hon'ble Member, Shri Ali Akbar Miah.

**বিষয় ঃ তাকৰীয়া প্ৰশ্ন উত্তৰ (এ. এচ. আৰ. বি. আঁচনি)**

**শ্ৰীআলী আকবৰ মিঞাই** সুধিছে ঃ

৫৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এ. এচ. আৰ. বি. আঁচনিৰ অধীনত ধুবুৰী জিলাৰ কোন কোন ৰাস্তাৰ কাম কৰা হ'ল/কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।

(খ) আঁচনিটোৰ অধীনত বৰকান্দা (নয়াহাট) সাপটগ্ৰাম ৰাস্তাৰ কি কি কাম কৰাৰ বাবে EE, PWD (R), Dhubriয়ে কিমান টকাৰ এষ্টিমেট ও প্ৰস্তাৱ দাখিল কৰিলে ? (এষ্টিমেট ক'পি দিব)

(গ) উক্ত বিষয়টো আৰু অন্যান্য বিষয় বিপক্ষে (ই, ই জনৰ বিৰুদ্ধে) ৰাইজে অভিযোগ দাখিল কৰাটো সঁচানে- যদি সঁচা তেন্তে তাৰ বিৰুদ্ধে কি কি, ব্যৱস্থা গ্ৰহণ কৰা হ'ল ?

(ঘ) বৰকান্দা-সাপটগ্ৰাম ৰাস্তাত কিমানখন কাঠৰ দলং আছে আৰু তাৰে কেইখন চলাচল যোগ্য আৰু কেইখন অযোগ্য ?

(ঙ) ৰাস্তাটোৰেদি বৰ্ত্তমানে গাড়ী আদি চলি আছেনে চলাচল বন্ধ হৈছে?

শ্ৰীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) এ এচ আৰ বি Maintenance Fundৰ অধীনত ধুবুৰী জিলাৰ তালিকা 'ক'ত সন্নিবিষ্ট কৰা ৰাস্তাসমূহৰ কাম কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।

(খ) আঁচনিটোৰ অধীনত বৰকান্দা (নয়াহাট) সাপটগ্ৰাম ৰাস্তাৰ তালিকা 'খ'ত উল্লেখ কৰা কামসমূহৰ বাবে EE, PWD (R), Dhubriয়ে ১৬.৫০ লাখ টকাৰ প্ৰাক্‌কলনসহ প্ৰস্তাৱ দাখিল কৰিছে। (এষ্টিমেটৰ ক'পি তালিকা 'খ'ত দিয়া হ'ল) (See Annexure-VII)

(গ) সঁচা। ৰাইজৰ পৰা যোৱা ১০-৩-২০০৫ ইং তাৰিখৰ এক লিখিত অভিযোগ (প্ৰাপ্তি ২৮-৩-২০০৫) পোৱা গৈছে। ইয়াৰ ওপৰত বিভাগীয়ভাৱে ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া চলি আছে।

(ঘ) বৰকান্দা সাপটগ্ৰাম ৰাস্তাৰ মুঠ ৫ খন কাঠৰ দলং আছে। বৰ্ত্তমানে আটাইকেইখন চলাচলৰ বাবে যোগ্য।

(ঙ) ৰাস্তাটোৰেদি বৰ্ত্তমানে গাড়ী চলি আছে।

**Mr. Speaker :** Now, Short Notice Question No. 59, Hon'ble Member, Shri Ali Akbar Miah.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

**শ্ৰীআলী আকবৰ মিঞাই** সুধিছে ঃ

৫৯। মাননীয় প্ৰাথমিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাত **১৯৯৮, ১৯৯৯** বৰ্ষত এল. পি., এম. ই., এম. ই. এম. আৰু এম. ডি. স্কুলত অবৈধভাৱে নিযুক্তি পোৱা শিক্ষকসকলে এতিয়াও কৰ্ত্তব্যত যোগদান কৰিব পৰা নাই। সঁচানে?

(খ) বিলাসীপাৰা মহকুমাত Alloted Postত অবৈধভাৱে নিযুক্তি পোৱা **২৮**জন শিক্ষকৰ দৰমহাৰ বিল পাছ কৰি দিবলৈ BEEOই নিৰ্দ্দেশ দিয়াটো সঁচানে?

(গ) মহকুমাখনত উক্ত বিতৰ্কিত নিযুক্তিপত্ৰৰ ক'পিবোৰ সংশ্লিষ্ট কাৰ্য্যালয়ত আছেনে? (থাকিলে তাৰ ক'পি দিব)

**শ্ৰীৰিপুন বৰা** ( শিক্ষা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বিভাগীয়ভাৱে ধুবুৰী জিলাত কোনো অবৈধ শিক্ষক থকা বুলি জনা নাযায়।

(খ) বিল প্ৰস্তুতিৰ নিৰ্দ্দেশ দিয়া নাই।

(গ) প্ৰশ্ন নুঠে।

**Sub: Short Notice Question.**

**Shri Monilal Gowala** asked :

60. Will the Minister of Elementary Education be pleased to state :

(a) Whether is it a fact that 22 Nos. of Venture Primary Schools were provincialised by the Government in Karimganj District in 1987 vide its letter No. EPG. 114/87/6 dtd. 20-3-87?

(b) If so, whether the teachers of those schools received their salaries from 01/2/87 to 28/2/88 and again from 01/3/93 onwards till now ?

(c) If so, whether those teachers received salaries etc. from 01/3/88 to 28/2/93? (If paid, the proof may be furnished).

(d) If not, why not in spite of repeated demands by the different D. I. of schools, Karimganj from 1994 onwards?

(e) Whether is it a fact that inspite of submission of bills by the D. I. of schools after having clearance from the Government Education/Finance etc. & D.E.E. bills were not passed by the Treasury, Karimganj.

(f) If so, what action will the Government take against these related officials and also to make payment ?

**Shri Ripun Bora** (Minister of State Elementary Education, (Ind) replied :

(a) Yes.

(b) They were getting salaries with effect from 1-2-87 to 28-2-88 and again from 1-3-93 to onwards.

(c) No, these teachers were not getting salaries from 1-3-88 to 28-2-93.

(d) Due to non-availability of fund in time.

(e) Yes, due to objection raised by Treasury Officer, Karimganj payment could not be made.

(f) Government will examine the matter and take necessary action.

## UNSTARRED QUESTIONS AND ANSWERS

### বিষয় ঃ মৰাপাট কল।

**শ্ৰীগুণীন হাজৰিকাই সুধিছে ঃ**

৬২৩। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শিলঘাটত থকা অসম সমবায় মৰাপাট কলৰ বৰ্ত্তমান বাণিজ্যিক লাভ হৈছেনে ?

(খ) যদি হৈছে লাভ-লোকচানৰ প্ৰ-বিৰণ দাখিল কৰিবনে ?

(গ) বৰ্ত্তমান এই সমবায় মৰাপাট কলৰ সম্প্ৰসাৰণ আৰু আধুনিকীকৰণৰ পৰিকল্পনা আছেনে ?

**শ্ৰীমিচবাহুল ইস্‌লাম লস্কৰ (সমবায় বিভাগৰ (স্বতন্ত্ৰ) ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছেঃ**

(ক) হয় হৈছে। যোৱা ১৯৯১-৯২ বিত্তীয় বৰ্ষৰ পৰা ২০০৩-০৪বৰ্ষ লৈকে বাণিজ্যিক লাভ হৈছে।

(খ) শিলঘাট অসম সমবায় মৰাপাট কলৰ যোৱা তিনি বছৰৰ প্ৰকৃত লাভৰ বিৱৰণ তলত উল্লেখ কৰা হ'ল।

১) ২০০১-২০০২ বৰ্ষত = ৪৯.০৫ লাখ

২) ২০০২-২০০৩ বৰ্ষত = ৭৩.০৮ লাখ

৩) ২০০৩-২০০৪ বৰ্ষত = ৮৫.৪১ লাখ

(গ) শিলঘাটত থকা অসম সমবায় মৰাপাট কলটো ঠাইৰ অভাবৰ বাবে কলটো সম্প্ৰসাৰণ কৰাৰ কোনো পৰিকল্পনা হাতত লোৱা নাই।

কলটোৰ আধুনিকীকৰণৰ পৰিকল্পনা আছে।

বৰ্ত্তমানে আধুনিকীকৰণৰ প্ৰক্ৰিয়াৰ কাম চলি আছে। এই পৰিপ্ৰেক্ষিতত কলটোৰ বাবে এটা বইলাৰ (Boiler) আৰু এটা ড্ৰেচিং (Dressing) মেচিন, মুঠ দুটা মেচিন কিনাৰ সিদ্ধান্ত লৈ ধন জমা দিয়া হৈছে। কলটোৰ সূঁতা কটা মেচিনবোৰৰ আধুনিকীকৰণৰ কাম চলি আছে।

## বিষয় ঃ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয় কিমান?

**শ্ৰীখলিলুৰ ৰহমান চৌধুৰীয়ে সুধিছে ঃ**

৬২৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয় গৃহ আদি নিৰ্মাণৰ বাবে চৰকাৰে কোনো আঁচনি লৈছেনে?

(খ) যদি লৈছে, বৰ্ত্তমান আৰ্থিক বছৰত কিমানসংখ্যক ৰাজহ বিষয়াৰ কাৰ্য্যালয় আদি নিৰ্মাণ কৰাৰ সিদ্ধান্ত লোৱা হৈছে? (ৰাজহ চক্ৰৰ নাম, আনুমানিক ব্যয়ৰ পৰিমাণসহ বিতং তথ্য দাখিল কৰিব)

(গ) ডবকা ৰাজহ চক্ৰ কাৰ্য্যালয়ৰ নিজস্ব কোনো কাৰ্য্যালয় গৃহ নথকাটো চৰকাৰৰ অৱগতনে?

(ঘ) যদি অৱগত, উক্ত ৰাজহ চক্ৰৰ নিজস্ব কাৰ্য্যালয় গৃহ আদি নিৰ্মাণ কৰাৰ চৰকাৰৰ কোনো সিদ্ধান্ত আছেনে? যদি আছে, কেতিয়া লৈকে উক্ত কাৰ্য্যালয় গৃহ সম্পূৰ্ণ কৰা হ'ব?

(ঙ) যদি কোনো সিদ্ধান্ত নাই, কিয়?

**শ্ৰীগৌতম ৰয় (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ**

(ক) ২০০৪-২০০৫ বিত্তীয় বছৰত কেন্দ্ৰৰ ৫০ শতাংশ আৰ্থিক সাহায্যত মুঠ ১২ টা চক্ৰ বিষয়াৰ কাৰ্য্যালয় নিৰ্মাণৰ আঁচনি লোৱা হৈছে।

(খ) বৰ্ত্তমান আৰ্থিক বছৰ ১ এপ্ৰিল, ২০০৫ৰ পৰা আৰম্ভ হৈছেহে। সময়ত যাৱতীয় ব্যৱস্থা লোৱা হ'ব।

(গ) নতুনকৈ গঠিত ডবকা ৰাজহ চক্ৰৰ নিজস্ব কাৰ্য্যালয় নথকা সম্বন্ধে চৰকাৰ অৱগত।

(ঘ) এই বছৰ তেনে কোনো সিদ্ধান্ত এতিয়ালৈ লোৱা হোৱা নাই।

(ঙ) ৰাজ্যখনত ইতিমধ্যে নিজস্ব কাৰ্য্যালয় গৃহ নথকাকৈ ৩৭ টা চক্ৰ আছে আৰু ইয়াৰে ১৯ টা অতি পুৰণি। এই কাৰ্য্যালয়সমূহ নিৰ্মাণৰ কাম কেন্দ্ৰীয় চৰকাৰৰ পৰা আৰ্থিক সাহায্যৰ ওপৰত নিৰ্ভৰশীল।

## বিষয়ঃ মথাউৰি মেৰামতি।

**শ্ৰীপ্ৰেমধৰ বৰাই সুধিছেঃ**

৬২৫। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বিহপুৰীয়া নগৰৰ কাষতে থকা ডিক্ৰং নদীৰ কাষত (Bihpuria Town Protection, Dyke) টো কোন চনত নিৰ্মাণ কৰা হৈছিল?

(খ) নিৰ্মাণৰ দিনৰ পৰা আজিলৈকে এইমথাউৰি মেৰামতি নোহোৱাকৈ থকাটো চৰকাৰে জানেনে?

(গ) ৩৫/৩৬ বছৰীয়া পুৰণি মথাউৰিটো ওখ আৰু শক্তিশালী কৰাটো প্ৰয়োজন হৈছেনে?

(ঘ) চৰকাৰৰ জ্ঞাতনে, এই মথাউৰি ভাঙিলে ওপৰেদি পানী বাগৰি বিহপুৰীয়া নগৰৰ থানা, চাৰ্কোল অফিচ, উন্নয়ণখণ্ড অফিচ, স্কুল-কলেজ, ব্যৱসায়ী নগৰ সমিতি কাৰ্য্যালয় আদি বিধ্বস্ত হ'ব?

(ঙ) যদি জানে, উপৰোক্ত বিষয়টো গুৰুত্ব সহকাৰে গ্ৰহণ কৰি পুৰণি মথাউৰিটো এই বছৰতে মেৰামতি কৰাৰ ব্যৱস্থা কৰিবনে?

**শ্ৰীভৰত চন্দ্ৰ নৰহ** (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) উক্ত Dykeটো ১৯৬৭-৬৮ চনত নিৰ্মাণ কৰা হৈছিল।

(খ) মথাউৰিটো সময়ে সময়ে মেৰামতি কৰি অহা হৈছে।

(গ) হয়, হৈছে।

(ঘ) হয়, জ্ঞাত।

(ঙ) পুৰণি মথাউৰিটো ওখ আৰু শক্তিশালীকৰণৰ বাবে ৩৪.৮৯ কোটি টকাৰ আঁচনিখন প্ৰস্তুত কৰি ২০০৪ চনত অনুষ্ঠিত '৩৮ তম্ কাৰিকৰী উপদেষ্টা কমিটিৰ ওচৰত অনুমোদনৰ বাবে দাখিল কৰা হৈছিল। কমিটিয়ে আঁচনিখনৰ বাবে "Model Study" কৰিবলৈ পৰামৰ্শ দিয়ে।

## Sub : Tenancy Act, 1955.

**Shri Bimolangshu Roy** asked :

626. Will the Minister of Revenue be pleased to state :

(a) Is the Government aware that tenants of Urban Areas in Assam have got no right over their tenanted land but only a protection from eviction under Sec. 5 of Assam Non-agricultural Urban Areas Tenancy Act. 1955?

(b ) Will the Government consider giving the tenants legal right over tenanted land in their possession by recording their names in the Jamabandi as tenants ?

(c) Will the Government consider granting individual patta in respect of pattadar's share separately instead of granting patta in ejmali and assess 'Revenue' separately? Has the Government issued separate patta in the name of Shivo Sundar Narisikha Ashram, Silchar? If so, what is the quantum?

(d) Is the Government contemplating to pay Seven Crores of rupees towards payment of compensation of ceiling surplus land measuring 672 bighas in respect of Dayapur T. E. in Cachar District? Is the compensation sought for is genuine,

proper, legal and justified? What is the present status?

**Shri Gautam Roy** (Minister, Revenue) replied :

(a) Tenants in Urban areas are mainly non-agricultural tenants and hence there is provision to protect their various interests under two Legislation namely (1) Assam Non-Agricultural Urban areas Tenancy Act. 1955 and rules framed thereunder and (2) Assam Urban Areas Rent Control Act. 1972 and rules framed thereunder.

(b) The agricultural tenants in rural areas already have rights over their tenanted lands which are recorded in Khatian register.

(c) Government has issued instruction to all Deputy Commissioners to partition all joint pattas and make single patta.

Survey work of Sadar Circle is on the process and after completion of Re-settlement Operation necessary patta showing the Area will be issued in favour of "Shivo Sundar Narisiksha Ashram" as may be admissible.

(d) No.

## বিষয় ঃ যাত্ৰীবাহী বাছৰ বাবে ব্যৱস্থা গ্ৰহণ।

**শ্ৰীমতী জীৱনতাৰা ঘাটোৱাৰে সুধিছে ঃ**

৬২৭। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰৰ অৱগতনে যে মৰাণ বিধান সভা সমষ্টিৰ খোৱাং হৈ বৰফুকন আলিয়েদি ডিমৌলৈ কোনো যাত্ৰীবাহী বাছ চলাচল নকৰাত এই বৃহৎ অঞ্চলৰ প্ৰায় ২৫/৩০ খন গাওঁৰ ৰাইজ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথলৈ ওলাই আহিবলৈ বহু দূৰ খোজ কাঢ়ি আহিবলগীয়া হয় আৰু যাতায়তৰ সুবিধা নথকাৰ বাবে স্কুলীয়া ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ ৰাইজৰ বহু কষ্ট হয়?

(খ) যদি অৱগত, ৰাইজৰ সুবিধাৰ্থে যাত্ৰীবাহী বাছৰ ব্যৱস্থা কৰিবনে?

**শ্ৰীঅঞ্জন দত্ত** (পৰিবহন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) উক্ত পথটোৰে গধুৰ যান-বাহন চলাচল কৰাৰ অনুপযোগী হোৱাৰ পৰিপ্ৰেক্ষিতত সদ্যহতে বাছ সেৱা অচল হৈ আছে। যাত্ৰীসকলৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি বৰ্ত্তমান উক্ত পথচোৱাৰে "Rural Cab-2004" আঁচনিৰ অধীনত যাত্ৰীবাহী লঘু যান-বাহন চলাচল কৰাৰ ব্যৱস্থা কৰা হৈছে।

(খ) পথটো গধুৰ যান-বাহন চলাচলৰ উপযোগী হৈ উঠাৰ লগে লগে পুনৰ বাছ সেৱা প্ৰৱৰ্ত্তন কৰা হ'ব।

## Sub : Flood in Assam under Bijni Sub-Division.

**Shri Romio Brahma** asked :

628. Will the Minister of Revenue be pleased to state :

(a) How many peoples are affected during the last flood in Assam under Bijni Sub-Division ?

(b) Whether they are given any Gratuitous Relief ?

(c) How many fund is allocated and to whom it is distributed within Bijni Sub-Division? (Give details.)

(d) Is there any losts of life during that flood?

(e) Is there any damage of crops in Agricultural field?

(f) If so, what type of measure has been taken up ? (give in details)

**Shri Gautam Roy**(Minister, Revenue) replied :

(a) Number of people affetcted 2,05,000.

(b) Yes.

(c) An amount of Rs. 45.00 lakh has been released for distribution as G.R. amongst the flood affected people.

(d) Yes, 3 (three) Nos. of persons died.

(e) Yes, Jute 300 hectares, paddy 15892 hectares and other crops 1809 hectares.

(f) Following seeds/seedlings have been distributed amongst the flood affetcted farmers.

| | | |
|---|---|---|
| (a) Sali Seedling | : | 1,00,000 Qntls. |
| (b) Rab Seeds | : | Wheat- 365.26 Quintals |
| | | Lentil- 155.43 ,, |
| | | Pea- 70.80 ,, |
| | | Maize- 41.56 ,, |
| | | Mustard Oil- 24.92 ,, |

Further 9676 bighas of land have Tractorized for raising Rabi crops.

### বিষয় ঃ ৰাষ্ট্ৰীয় ক্ৰীড়াৰ খেলুৱৈ।

শ্ৰীপ্ৰণৱ কলিতাই সুধিছে ঃ

৬২৯। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৫ চনত অসমত হ'বলগীয়া ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমক প্ৰতিনিধিত্ব কৰিবলগীয়া খেলুৱৈসকলৰ বাচনি প্ৰক্ৰিয়া সমাপ্ত হ'লনে?

(খ) বাচনি কৰা খেলুৱৈসকলৰ প্ৰশিক্ষণ আৰম্ভ হ'ল নেকি? কি কি বিভাগত অসমে অংশগ্ৰহণ কৰিব?

(গ) বিভিন্ন বিভাগত খেলুৱৈসকলক কোনে প্ৰশিক্ষণ দি আছে?

(ঘ) খেলুৱৈসকলক উৎসাহ দিবৰ বাবে চৰকাৰে উদ্‌গনিমূলক কিবা পুৰস্কাৰ ঘোষণা কৰিছে নেকি?

শ্ৰীৰকিবুল হুছেইন (গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৫ চনত অসমত হ'বলগীয়া ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমক প্ৰতিনিধিত্ব কৰিবলগীয়া খেলুৱৈসকলৰ বাচনি প্ৰক্ৰিয়া সমাপ্ত হোৱা নাই।

বৰ্ত্তমান খেলুৱৈসকলৰ প্ৰশিক্ষণ কাৰ্য্যসূচী পূৰ্ণ গতিত চলি আছে আৰু প্ৰশিক্ষণৰ অন্তত অসমক প্ৰতিনিধিত্ব কৰিবৰ বাবে খেলুৱৈ বাচনি কৰা হ'ব।

(খ) প্ৰশিক্ষণ প্ৰক্ৰিয়া আৰম্ভ কৰা প্ৰায় এবছৰেইহ'ল। অসমত হ'বলগীয়া ৩৩ তম্ ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমে আটাইকেইটা বিভাগতে (২৯টা বিভাগ) অংশগ্ৰহণ কৰিব। বিভাগকেইটা হ'ল -(১) এথ্‌লেটিকচ্, (২) আৰ্চাৰী, (৩) বেড্‌মিন্টন, (৪) বাস্কেটবল, (৫) বক্সিং, (৬) চাইক্লিং, ৭) কেনয়িং আৰু কায়কিং, (৮) একুৱেষ্টেইন, (৯) ফেন্সিং, (১০) ফুটবল, (১১) জিমনাষ্টিক, (১২) হেণ্ডবল, (১৩) হকী, (১৪) জোদো, (১৫) কাবাডী, (১৬) খো-খো, (১৭) ৰাইফল আৰু পিষ্টল চুটিং, (১৮) নেটবল, (১৯) ৰবিং, (২০) চেপাক-টাকৰাও, (২১) কেৰাটে, (২২) সাঁতোৰ, (২৩)টেবল-টেনিচ, (২৪) টেনিচ, (২৫) টাইকোৱানডো, (২৬)ভলীবল, (২৭) ওৱেট-লিফটিং, (২৮) উচু, (২৯) মল্লযুদ্ধ (Wrestling)

(গ) বিভিন্ন বিভাগৰ খেলুৱৈসকলক N.I.S. প্ৰশিক্ষকৰদ্বাৰা প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে, বিভিন্ন ক্ৰীড়া সন্থাসমূহৰ যোগে।

(ঘ) ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমক প্ৰতিনিধিত্ব কৰা খেলুৱৈক চৰকাৰে উদ্‌গনিমূলক পুৰস্কাৰ হিচাবে সোণৰ মেডেল পোৱাজনক ৫লোখ টকা, ৰূপৰ মেডেল পোৱাজনক ৩ লাখ টকা আৰু ব্ৰঞ্জৰ মেডেল পোৱাজনক ১ লাখ টকাৰ পুৰস্কাৰ দিয়া হ'ব বুলি ঘোষণা কৰা হৈছে।

**বিষয় ঃ গাড়ী ক্ৰয়।**

**শ্ৰীমদন কলিতাই সুধিছে ঃ**

৬৩০। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান চৰকাৰে কাৰ্য্যভাৰ লোৱাৰ পিচত পৰিবহন বিভাগে কিমানখন কি কি ধৰণৰ গাড়ী ক্ৰয় কৰিলে ?

(খ) দিশপুৰ, হাজো, বিজুলীঘাট, নলবাৰী হৈ এই নতুন বাছসমূহৰ কেইখন গাড়ীয়ে কোন কোন সময়ত চলাচল কৰে ?

(গ) বৰ্ত্তমানে দিশপুৰ, হাজো, বিজুলীঘাট, নলবাৰী পথ হৈ আবেলি ৪-৩০ বজাৰ পিচত পৰিবহন বিভাগৰ গাড়ী কিমানখন চলাচল কৰে ?

(ঘ) সচিবালয়কে আদি কৰি বিভিন্ন বিভাগত কাম কৰা চৰকাৰী চাকৰিয়ালসকলৰ বাবে পৰিবহন বিভাগে আবেলি ৪-৩০ বজাৰ পিচত কেইখনমান চৰকাৰী গাড়ী চলোৱাৰ খৰতকীয়া ব্যৱস্থা লবনে ?

**শ্ৰীঅঞ্জন দত্ত** (পৰিবহন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) পৰিবহন বিভাগে কোনো ধৰণৰ গাড়ী ক্ৰয় কৰা নাই। কিন্তু বৰ্ত্তমান চৰকাৰে কাৰ্য্যভাৰ লোৱাৰ পিচত পৰিবহন নিগমে মুঠ ১১৩ খন গাড়ী ক্ৰয় কৰিছে।

| | | |
|---|---|---|
| (i) ডিলাক্স | - | ৫২ খন। |
| (ii) ৰাইন' বাছ | - | ২৬ খন। |
| (iii) O.N.G.C.ত ভাড়াত দিয়াৰ বাবে | - | ১২ খন। |
| (iv) তেলৰ টেংকাৰ | - | ২ খন। |
| (v) পাৰ্বত্য এলেকাৰ বাবে | - | ৬ খন। |
| (vi) মিনি বাছ | - | ১২ খন। |
| (vii) সৰু গাড়ী (Car) | - | ৩ খন। |
| মুঠ | - | ১১৩ খন। |

(খ) বৰ্ত্তমান চলা নাই।

(গ) বৰ্ত্তমান দিশপুৰ-ঠুটিকাটা পথত হাজো-বিজুলীঘাট হৈ নিগমৰ এখন নিজা বাছ আবেলি ৪-৩০ বজাত চলাচল কৰি আছে। ইয়াৰ উপৰিও নিগমৰ অধীনত চলা এখন বাছ ৪-৪৫ বজাত দিশপুৰ-বিজুলীঘাট পথত চলোৱাৰ ব্যৱস্থা কৰা হৈছে।

(ঘ) পৰিবহন নিগমৰ নিজা বা ইয়াৰ অধীনত চলা বাছ প্ৰধানতঃ ব্যৱসায়ীক দিশৰ প্ৰতি লক্ষ্য ৰাখিহে চলোৱা হয়।

## বিষয়ঃ পাৰ্কুপাইনৰ ব্যৱস্থা।

**শ্ৰীমেম্বৰ গগৈয়ে** সুধিছেঃ

৬৩১। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) টিয়ক সমষ্টিৰ অন্তৰ্গত জাঁজীমুখৰ ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াৰ কাৰণে পাৰ্কুপাইনৰ ব্যৱস্থা কৰা হৈছে নেকি? যদি হৈছে, এই একে ব্যৱস্থাৰে উপৰ শগুনপাৰাৰ পৰা হাতীহাললৈকে বাকী থকা অংশটো কৰাৰ ব্যৱস্থা কৰিবনে?

(খ) এনে ধৰণৰ পাৰ্কুপাইনৰ ব্যৱস্থা প্ৰয়োজন সাপেক্ষে জাঁজী নৈতো কৰিবনে?

(গ) জাঁজী নৈৰ সোঁ পাৰৰ মথাউৰীটো মেৰামতি কৰাৰ ব্যৱস্থা সোনকালে কৰিবনে?

**শ্ৰীভৰত চন্দ্ৰ নৰহ** (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) হয়, জাঁজীমুখৰ ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াৰ প্ৰতিৰোধৰ কাৰণে পাৰ্কুপাইনৰ ব্যৱস্থা হাতত লোৱা হৈছে। উপৰ শগুনপৰাৰ পৰা হাতীশাললৈকে পাৰ্কুপাইনৰ ব্যৱস্থা হাতত লোৱা নাই যদিও এনে ব্যৱস্থাৰ বাবে এখন আঁচনি প্ৰস্তুত কৰি থকা হৈছে।

(খ) জাঁজী নৈৰ বাওঁপাৰে তামুলিছিগাৰ পৰা মৃদেজান গড়কাপ্তানী

পথলৈকে থকা মথাউৰীত হোৱা খহনীয়া প্ৰতিৰোধৰ বাবে পাৰ্কুপাইনৰ ব্যৱস্থা সন্নিবিষ্ট কৰি এফ. ডি. আৰ. শিতানত এখন আঁচনিৰ কাম হাতত লোৱা হৈছে। তাৰোপৰি আন এখন খহনীয়া প্ৰতিৰোধমূলক আঁচনি ৩৮ তম্ কাৰিকৰী উপদেষ্টা কমিটিত অনুমোদিত হৈছে। যাৱতীয় অনুমোদন আৰু পুঁজি আৱন্টন সাপেক্ষে কাম হাতত লব পৰা যাব।

(গ) প্ৰয়োজনীয় মেৰামতিৰ বাবে প্ৰাক্কলন প্ৰস্তুত কৰা হৈছে। যাৱতীয় অনুমোদন ও পুঁজি আৱন্টন সাপেক্ষে কাৰ্য্য ব্যৱস্থা হাতত লব পৰা যাব।

## বিষয় ঃ গ্ৰীণ বেল্ট এলেকা।

**শ্ৰীৰাজীৱ লোচন পেগুৱে সুধিছে ঃ**

৬৩২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বেলতলা মৌজাৰ অন্তৰ্গত পাটৰকুছি, কন্যাধৰা আৰু পিলিংকাটা আদি গাওঁসমূহ গ্ৰীণবেল্ট এলেকাত অন্তৰ্ভূক্ত কৰাটো অৱগতনে?

(খ) যদিহে অৱগত, কি কাৰণত যোৱা ৪০/৫০ বছৰ ধৰি বসবাস কৰি থকা মানুহবিলাকৰ ম্যাদি পট্টাৰ মাটিসমূহ গ্ৰীণবেল্টত অন্তৰ্ভূক্ত কৰিছিল আৰু এতিয়া যাৰ ফলত নিজৰ ম্যাদি পট্টাৰ মাটি থকা স্বত্বেও ঘৰ সজাৰ অনুমতি নোপোৱাৰ কাৰণ কি?

(গ) বিভাগীয় কৰ্তৃপক্ষৰপৰা চৰজমিন তদন্ত কৰি থলুৱা জনসাধাৰণৰ স্বাৰ্থৰ খাতিৰত অগ্ৰাধিকাৰ ভিত্তিত জনজাতি এলেকা হিচাপে গ্ৰীণবেল্টৰ পৰা মুক্ত কৰি স্থায়ী বাসিন্দাসকলক ঘৰ বনোৱাৰ অনুমতি প্ৰদান কৰিবনে?

শ্ৰীগৌতম ৰয় (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বেলতলা মৌজাৰ অন্তৰ্গত পাটৰকুছি, কন্যাধৰা আৰু পিলিংকাটা নামৰ কোনো ৰাজহ গাওঁ নাই।

পাটৰকুছি অঞ্চলটো মৈদাম গাঁৱৰ অংশ। কন্যাধৰা অঞ্চলটো ৰাজহ গাওঁ পাটৰকুছি অঞ্চলৰ কিছু অংশ, কন্যাধৰা সম্পূৰ্ণ অংশ আৰু পিলিংকাটাৰ কিছুঅংশ (Master Plan)ৰ মতে Green Belt Zoneৰ অন্তৰ্ভূক্ত।

(খ) ৪০/৫০ বছৰ বুলি কব নোৱাৰি। ১৯৮৪ চনৰ ৩১ জানুৱাৰীৰ পৰা চৰকাৰৰ ২৬/৭/৮৩ তাৰিখৰ অধিসূচনা নং TCP.79/83/5 প্ৰকাশ পোৱাৰ পাছৰ পৰা Green Belt Zoneৰ অন্তৰ্ভূক্ত হ'ল। সেই সময়ৰ ভৌগলিক অৱয়ব অধ্যয়ন কৰি অসম নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগে গুৱাহাটী সৰ্ব্ববৃহৎ পৰিকল্পনা যুগুত কৰিছিল। উক্ত বৃহৎ পৰিকল্পনা মতেই গুৱাহাটী উন্নয়ণ কৰ্ত্তৃপক্ষই গৃহ নিৰ্মাণৰ অনুমতি প্ৰদান কৰে। Master Planৰ মতে Green Belt Zoneৰ অন্তৰ্গত এলেকাত নগৰীয়া আবাস গৃহ নিৰ্মাণৰ বাধা আছে।

(গ) হয়, জনসাধাৰণৰ স্বাৰ্থৰ খাতিৰত সকলো দিশ চালি-জাৰি চাই গুৱাহাটী মহানগৰ উন্নয়ণ কৰ্ত্তৃপক্ষই বৃহত্তৰ গুৱাহাটীৰ বাবে নতুনকৈ এখন Master Plan যুগুত কৰাৰ কাম হাতত লৈছে। ইয়াত এজনীয়া অনুসন্ধান কমিটিৰ প্ৰতিবেদন পাটৰকুছি, কন্যাধৰা আৰু পিলিংকাটা অঞ্চলৰ ৰাইজৰ সুবিধা অসুবিধাৰ প্ৰতি দৃষ্টি ৰাখি ব্যৱস্থা লোৱা হব। প্ৰাথমিক পৰ্য্যায়ত যুগুত কৰা Master Plan ৰাইজৰ জ্ঞাতাৰ্থে বাতৰি-কাকতত প্ৰকাশ কৰা হ'ব। ইয়াৰ বাবে দুমাহ-তিনিমাহ সময় দিয়া হ'ব। অভিযোগ থাকিলে

ৰাইজে অভিযোগ কৰাৰ সুবিধা পাব আৰু কর্তৃপক্ষই সেই অভিযোগ পুনঃ বিবেচনা কৰি চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব।

বিষয় ঃ নৱগঠিত জিলাৰ পদ।

**শ্ৰীমতীন্দ্ৰ বসুমতাৰীয়ে সুধিছে ঃ**

**৬৩৩।** মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) BTADৰ নৱগঠিত জিলাসমূহৰ আৰশ্যকীয় বিভাগসমূহ কাৰ্য্যক্ষম কৰিবলৈ বিষয়া-কৰ্মচাৰী পদ সৃষ্টি কৰাৰ কাৰণে ব্যৱস্থা হাতত লৈছেনে? নতুনকৈ সৃষ্টি কৰিবলগা পদবোৰৰ কাৰণে দা-দৰমহাৰ বাবদ প্ৰয়োজনীয় ধন বাজেটত ধাৰ্য্য কৰা হৈছেনে? যদি কৰা নাই তেন্তে ব্যৱস্থা লবনে?

(খ) BTADৰ নৱগঠিত ৩ (তিনি)খন জিলাৰ কাৰণে উপায়ুক্ত আৰু মহকুমাধিপতিৰ স্থায়ী কাৰ্য্যালয় নিৰ্মাণৰ লগতে উক্ত কাৰ্য্যালয়ৰ আৰশ্যক হোৱা বিষয়া-কৰ্মচাৰী নিয়োগৰ ব্যৱস্থা লবনে?

**শ্ৰীভৰত চন্দ্ৰ নৰহ** (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) নৱগঠিত জিলাসমূহৰ আৰশ্যকীয় বিষয়া-কৰ্মচাৰীৰ পদ সৃষ্টিৰ লগতে পদসমূহৰ দা-দৰমহাৰ প্ৰয়োজনীয় ধনৰ বিষয়ে সংশ্লিষ্ট বিভাগসমূহেহে ব্যৱস্থা ল'ব।

(খ) নৱগঠিত জিলা আৰু মহকুমাধিপতিৰ স্থায়ী কাৰ্য্যালয় নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰে ২০০৪-২০০৫ বৰ্ষত ৩৫.০০ কোটি

টকা মোকলাই দিছে আৰু নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে। বিষয়া-কৰ্মচাৰী নিয়োগৰ বিষয়ে সংশ্লিষ্ট বিভাগসমূহেহে ব্যৱস্থা লব।

## Sub : Creation of posts for Civil Administration.

**Shri Pramila Rani Brahma** asked :

634. Will the Minister of W.P.T. & B.C. be pleased to state :

(a) Whether the required number of posts for Civil Administration and Technical Administration for B.T.A.D. area will be created by the Government of Assam ?

(b) Will the Government inform that within that months the process of administrative set up of the newly created Districts under B.T.A.D. will be completed ?

**Shri Bharat Chandra Narah** (Minister, WPT&BC) replied :

(a) The concerned Departments of the State Government are taking necessary steps.

(b) Government is eager to complete the processes as early as possible.

## বিষয় ঃ দৈনিক মাছৰ চাহিদা।

**শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই** সুধিছে ঃ

৬৩৫। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ দৈনিক মাছৰ চাহিদা কিমান?

(খ) প্ৰয়োজনীয় মাছৰ কিমান পৰিমাণ ঘৰুৱাভাৱে উৎপাদন হয়?

(গ) বৰ্ত্তমান ভাৰতবৰ্ষৰ কোন কোন ৰাজ্যৰ পৰা মাছৰ আমদানি কৰা হয়?

(ঘ) বিভিন্ন ৰাজ্যৰ পৰা হোৱা আমদানিৰ পৰিমাণ কিমান?

**ডাঃ নজৰুল ইছলাম** (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) ৰাজ্যত দৈনিক হিচাবত গড় ৭৭০ মেট্ৰিক টন মাছৰ চাহিদা আছে।

(খ) ৰাজ্যখনত প্ৰয়োজনীয় ২.৮১ লাখ মেট্ৰিক টন মাছৰ বিপৰীতে ঘৰুৱাভাৱে ২০০৩-০৪ ইং বৰ্ষত উৎপাদিত মাছৰ পৰিমাণ ১.৮১ লাখ মেট্ৰিক টন।

(গ) বৰ্ত্তমান অসমলৈ অন্ধ্ৰপ্ৰদেশ, পশ্চিমবঙ্গ, উত্তৰ প্ৰদেশ, দিল্লী, বিহাৰ আদি ৰাজ্যৰ পৰা মাছৰ আমদানি হয়।

(ঘ) অসমলৈ বিভিন্ন ৰাজ্যৰ পৰা ২০০৩-০৪ ইং বৰ্ষত আমদানি হোৱা মাছৰ পৰিমাণ ১২৭২৮ মেট্ৰিক টন।

**বিষয়ঃ ৰাজহ সংগ্ৰহ।**

**শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছেঃ**

**৬৩৬।** মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ৰাজ্যখনত কিমানটা চৰকাৰী মীন মহল আছে?

(খ) এই মীন মহল কেইটাৰ পৰা চৰকাৰে বছৰি কিমান টকা ৰাজহ সংগ্ৰহ কৰে?

(গ) এই মীন মহল উন্নয়ণৰ বাবে কেন্দ্ৰীয় চৰকাৰে চলিত বিত্তীয় বছৰত আৰ্থিক অনুদান দিছে নেকি?

(ঘ) যদি দিছে, কিমান টকাৰ আৰ্থিক অনুদান দিছে?

ডাঃ নজৰুল ইছলাম (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) উত্তৰ কাছাৰ পাৰ্বত্য জিলা বাদ দি ৰাজ্যখনত মুঠ ৫০৪টা চৰকাৰী মীন মহল আছে। উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ তথ্য বিচৰা হৈছে।

(খ) ৰাজ্য চৰকাৰে বছৰি ৫০৪টা মীন মহলৰ মুঠ ১,১৩,৪০,৪৩০.০০ (এক কোটি তেৰ লাখ চল্লিশ হাজাৰ চাৰিশ ত্ৰিশ) টকা ৰাজহ সংগ্ৰহ কৰে।

(গ) চলিত বিত্তীয় বৰ্ষত কোনো অনুদান পোৱা নাই।

(ঘ) প্ৰশ্ন নুঠে।

## Sub : Materials sanction in Karimganj.

**Shri Mission Ranjan Das** asked :

637. Will the Minister of W.P.T. & B.C. be pleased to state :

What were the different kinds of materials sanctioned by the Government in Karimganj District during 2001-05 as relief to the people belonging to SC/ST/OBC/MOBC and whether all the materials have been distributed to beneficiaries, if so, give the details of materials and list of beneficiaries year-wise. If not, state the reasons thereof?

**Shri Bharat Chandra Narah** (Minister, W.P.T. & B.C.) replied :

W.P.T. & B.C. Department does not pro-

vide relief materials. So details of relief materials and list of beneficiaries year-wise do not arise.

### বিষয় ঃ সামগ্ৰীৰ অনুদান।

শ্ৰীৰূপন সিং ৰংহাংয়ে সুধিছে ঃ

৬৩৮। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কাৰ্বি আংলং জিলালৈ ২০০৫ চনৰ জানুৱাৰী মাহলৈকে S.C. Board আৰু Corporationৰ যোগেদি কিমান টকাৰ সামগ্ৰী অনুদান দিয়া হৈছে?

(খ) যদি দিয়া হৈছে, তেতিয়াহ'লে কিমান S.C. লোকক অনুদান দিয়া হৈছে? (নাম ঠিকনাসহ জনাব)

(গ) যদি দিয়া হোৱা নাই, কিয় দিয়া হোৱা নাই?

(ঘ) বহুতো Non-S.C. আৰু Non-ST(H) লোকে SC আৰু ST (H) Caste Certificate পোৱা কথাটো সঁচানে?

(ঙ) যদি অৱগত হয়, তেতিয়াহ'লে সেই কু-চক্ৰবোৰৰ বিৰুদ্ধে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে?

শ্ৰীভৰত চন্দ্ৰ নৰহ্ (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) কাৰ্বি আংলং জিলালৈ S.C. Boardৰ যোগেদি কোনো সামগ্ৰী অনুদান দিয়া হোৱা নাই। S.C. Corporationৰ যোগেদি ১৯৯৯-২০০০ চনৰ পৰা ২০০৫ চনৰ জানুৱাৰী মাহলৈকে মুঠ ১৩,৫২,৮০৯.০০ টকাৰ সামগ্ৰী অনুদান হিচাবে দিয়া হৈছে।

(খ) ৪৯২ জন অনুসূচীত জাতিৰ লোকক অনুদান দিয়া হৈছে। ইয়াৰ ৩৬২ জনৰ নাম-ঠিকনাসহ তালিকা সদনৰ মেজত দাখিল কৰা হ'ল (তালিকা-'ক')ত। বাকী ১৩০ জনৰ তালিকা সংগ্ৰহ কৰি থকা হৈছে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) অৱগত নহয়।

(ঙ) প্ৰশ্ন নুঠে।

## বিষয় ঃ B.T.A.D. এলেকাত সমষ্টি নিৰ্দ্ধাৰণ।

**শ্ৰীপানীৰাম ৰাভাই সুধিছে ঃ**

**৬৩৯।** মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ষষ্ঠ অনুসূচীভূক্ত B.T.A.D. এলেকাত নিৰ্বাচনৰ বাবে সমষ্টি সমূহ নিৰ্দ্ধাৰণ কৰা হৈছে নেকি? (কিমানটা সমষ্টি আৰু সমষ্টিসমূহৰ নাম কি কি)

(খ) বাস্কা জিলাত B.T.A.D.ৰ সমষ্টি কিমানটা? উক্ত সমষ্টিসমূহৰ গাওঁৰ নামবোৰ কি কি? সমষ্টি অনুযায়ী গাওঁবোৰত থকা S.T., S.C. আৰু সাধাৰণ শ্ৰেণীৰ জনসাধাৰণৰ সংখ্যা গাওঁৰ বিপৰীতে দাখিল কৰিবনে?

**শ্ৰীভৰত চন্দ্ৰ নৰহ** (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হৈছে। ৪০ টা সমষ্টি আৰু সমষ্টিসমূহৰ নাম অনুবদ্ধ 'ক'ত দিয়া হ'ল। (See Annexure-VIII)

(খ) বাস্কা জিলাত B.T.A.D.ৰ সমষ্টি ১১টা। সমষ্টি কেইটাৰ নাম আৰু এচ.চি./ এচ.টি.ৰ জনসংখ্যাৰ তালিকাৰ ১৫ কʼপি সদনৰ মেজত অনুবদ্ধ 'খ'ত দিয়া হʼল।

**বিষয় ঃ গৌৰীপুৰ প্ৰাইমাৰী কনজুমাৰ কো-অপাৰেটিভ চʼছাইটি।**

**শ্ৰীৰণেন্দ্ৰ কুমাৰ মুছাহাৰীয়ে সুধিছে ঃ**

৬৪০। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গৌৰীপুৰ সমষ্টিৰ গৌৰীপুৰ প্ৰাইমাৰী কনজুমাৰ কো-অপাৰেটিভ চʼছাইটিৰ সভাপতিজনে অবৈধভাৱে কিছুমান ব্যক্তিৰ পৰা টকা লৈ চʼছাইটিৰ চৌহদ্দত ঘৰ বনাই থকা সম্পৰ্কে চৰকাৰ অৱগতনে?

(খ) তদৰ্থ সমিতিৰ সভাপতিজনে সমবায়ৰ অংশীদাৰসকলৰ আপত্তি থকা স্বত্বেও তেনেদৰে ঘৰ বনাই থকাটো Society Act মতে বৈধ হৈছেনে? যদি অবৈধ, তেনেহʼলে ঘৰ বনোৱা কামটো স্থগিত ৰাখিবনে?

(গ) উল্লেখিত তদৰ্থ সমিতিখনৰ ম্যাদ যিহেতু অহা ৩১-৩-০৫ তাৰিখে শেষ হʼব গতিকে সাধাৰণ সভা অথবা নিৰ্বাচন প্ৰক্ৰিয়াৰ জড়িয়তে নতুনকৈ সমিতি গঠন কেতিয়ালৈ কৰিব?

**শ্ৰীমিচবাহুল ইছলাম লস্কৰ** (সমবায় বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) প্ৰশ্নত উত্থাপন কৰাৰ দৰে অবৈধভাৱে কোনো গৃহ নিৰ্মাণ কৰা হোৱা নাই। গৌৰীপুৰ প্ৰাইমাৰী কনজুমাৰ কো-অপাৰেটিভ চʼছাইটিৰ অফিচ চৌহদত কাৰ্য্যকৰী কমিটিয়ে গ্ৰহণ কৰা গৃহ নিৰ্মাণৰ প্ৰস্তাৱ সাপেক্ষেহে গৃহ নিৰ্মাণ কৰা হৈছে। এই ক্ষেত্ৰত

কিছুমান ব্যক্তিৰ পৰা আগধন লোৱাটো সত্য। এইসম্পৰ্কে চৰকাৰ অৱগত।

(খ) চ'ছাইটিৰ উপবিধি আৰু বিভাগীয় নীতি-নিৰ্দ্দেশনাৰ মাজত গৃহ নিৰ্মাণ কৰা হৈছে। সেয়েহে অবৈধ শব্দটো ইয়াত প্ৰযোজ্য নহয়।

(গ) সমিতিখনৰ কাৰ্য্যকাল ৩০-৫-২০০৫ তাৰিখলৈ বঢ়াই দিয়া হৈছে। এই বৰ্দ্ধিত সময়ৰ ভিতৰত সাধাৰণ সভা আৰু নিৰ্বাচন পতাৰ বাবে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

## বিষয় ঃ মাছৰ পোনা উৎপাদন।

**শ্ৰীভূপেন ৰায়ে সুধিছে ঃ**

**৬৪১।** মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে জানেনে মীন পালনৰ বাবে পোনা উৎপাদন কৰা মানুহৰ সংখ্যা ৰাজ্যখনত কিমানসংখ্যক আছে?

(খ) পোনা মাছ উৎপাদন কৰা ব্যক্তিসকলৰ বাবে চৰকাৰে কিবা অৰ্থ সাহায্য দিয়াৰ ব্যৱস্থা ৰাখিছেনে?

(গ) যদি ৰাখিছে, কেনে আঁচনিৰ যোগে উক্ত ব্যক্তিসকলক উপকৃত কৰিব?

**ডাঃ নজৰুল ইছলাম (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমত মীন পালনৰ বাবে মুঠ ৪৩৪ জন লোক মাছৰ পোনা উৎপাদন ব্যৱসায়ত জড়িত হৈ আছে।

(খ) বেচৰকাৰী খণ্ডত মাছৰ পোনা উৎপাদনকাৰী লোকক এইপ্ৰণালীবদ্ধ সমীক্ষাৰে জৰীপ কৰি চৰকাৰৰ তৰফৰ পৰা আৰ্থিক অনুদান দিয়াৰ কথা বিবেচনা কৰি থকা হৈছে।

(গ) ব্যক্তিগত খণ্ডত গঢ়ি উঠা Eco-Hatcharyৰ দ্বাৰা উৎপাদিত উন্নত মাছৰ পোনা উৎপাদনকাৰী লোকক উদ্‌গণি দিয়াৰ উদ্দেশ্যে এক আঁচনি যুগুতাই থকা হৈছে।

**বিষয়ঃ পরিবার পরিচয় পত্র।**

**শ্রীআনোৱার হুছেইন লস্কর জিজ্ঞাসা করেছেন ঃ**

**৬৪২।** মাননীয় সমবায় বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করে জানাবেন কিঃ

(ক) সোণাই বিধান সভা নির্বাচন চক্রে সমবায় সমিতির মাধ্যমে সর্বমোট কতটি পরিবারকে পরিচয় পত্র দেওয়া হইয়াছে এবং এই পরিবার পরিচয় পত্রের মাধ্যমে কি কি জিনিষ দেওয়া হইয়া থাকে? (জিনিষেৰ মূল্য ও পরিমাণ ইত্যাদি জানাবেন)

(খ) সোণাই বিধান সভা চক্রে সর্বমোট সমবায় সমিতিৰ সংখ্যা কত? সমবায় সমিতি গুলের সব কয়টাই নির্বাচিত প্রতিনিধির দ্বারা পরিচালিত কি? যদি না তবে নির্বাচিত প্রতিনিধিহীন সমবায় সমিতির সংখ্যা নামসহ জানাবেন? এবং এই গুলের নির্বাচন না হওয়ার কারণ কি? নির্বাচনহীন সমবায় সমিতি গুলের নির্বাচনের পদক্ষেপ কবে নেওয়া হইবে?

(গ) সোণাই বিধান সভা নির্বাচন চক্রে সমবায় সমিতি মাধ্যমে কৃষকদের জন্য কৃষি ঋণর জন্য সরকার কোন ব্যৱস্থা করেছেন কি? (হিতাধিকারীর সংখ্যা নাম ঠিকনা ও সমবায় সমিতিৰ নামসহ জানাবেন)

(ঘ) যে সমস্ত কৃষকদের কৃষি ঋণ দেওয়া হইয়াছিল তাহা আদায়ের সর্বশেষ পরিস্থিতি কি এবং বকেয়া ঋণ আদায়ে গৃহীত ব্যৱস্থা কি?

(ঙ) সোণাই বিধান সভা নির্বাচন চক্রে সর্বমোট কত পরিবার পরিচয় পত্র APL এবং BPL দেওয়া হইয়াছে এবং ঐ সব APLত BPL পরিবার পরিচয় পত্রের মাধ্যমে কি কি, জিনিষ দেওয়া হইয়া থাকে এবং তাহার পরিমাণ কি?

**শ্রীমিচবাহুল ইছলাম লস্কর** (সমবায় বিভাগের (স্বতন্ত্র) রাজ্যিক মন্ত্রী) উত্তর দিয়েছেন ঃ

(ক) সর্বমোট ৩৬,১০০ টি পরিবারকে পরিবার পরিচয় পত্র দেওয়া হইয়াছে। এই পরিবার পরিচয়এর মাধ্যমে চাউল, আটা, চিনি, কেরোসিন ইত্যাদি বিতরণ করা হয়।

পরিমাণ—

চাউল (AAY) প্রতি পরিবার ৩৫ কে.জি, মূল্য ৩.০০ টকা প্রতি কে.জি.।

চাউল (BPL) প্রতি পরিবার ৩৫ কে.জি., মূল্য ৫.৮৮ টকা প্রতি কে.জি.।

চাউল (APL)মান্নাপিছু ১৬০০ গ্রাম মূল্য ৯.০০ টকা প্রতি কেজি।

চিনি মান্নাপিছু ৭৪০ গ্রাম মূল্য ১৫.০০ টকা প্রতি কেজি FCI হইতে ডিচেম্বৰ ২০০৪ পর্য্যন্ত চিনি আংশিকভাবে পাওয়া গিয়াছিল, কিন্তু জানুৱারী ২০০৫ হইতে এ পর্য্যন্ত কোন চিনি পাওয়া যায় নাই।

কেরোচিন প্রতি পরিবার ৩.৫০০ লিঃ মূল্য ১০.০০ টকা প্রতি লিঃ (সমিতিৰ মাধ্যমে) ১.৯০০ লিঃ হকারের মাধ্যমে।

আটা ১.২০ গ্রাম মান্নাপিছু।

(খ) সর্বমোট সমিতির সংখ্যা ৭ (সাত)টি। নির্বাচন না হওয়া প্রতিনিধি

বিহীন সমবায় সমিতির সংখ্যা ৪(চার)টি। যথা–

(১) নরসিংপুর সমবায় সমিতি।

(২) আমজুর ঘাট নতুনরাম নগর সমবায় সমিতি।

(৩) শিলকুড়ি সমবায় সমিতি।

(৪) মঙ্গলপুর বোয়ালি হাতরা সমবায় সমিতি।

প্রাকৃতিক দুর্য্যোগ এবং অন্যান্য বিভিন্ন কারণবশতঃ সমবায় সমিতি গুলির যথা সময়ে নির্বাচন অনুষ্ঠিত করিতে না পারায় তদর্থ কমিটি গঠিত হইয়াছে। তদর্থ কমিটি সমূহের নির্দ্ধারিত সময় সীমার মধ্যে নির্বাচন অনুষ্ঠিত হইবে।

(গ) সোণাই বিধান সভা চক্রে কৃষকদের কৃষি ঋণ দেওয়ার জন্য সরকার পদক্ষেপ গ্রহণ করা স্বত্ত্বেও সমিতি গুলি কিস্তি খিলাপী থাকায় সংশ্লিষ্ট ব্যঙ্গ গুলি ঋণ প্রদানে অসমর্থতা প্রকাশ করার ঋণ প্রদান করা সম্ভব হয় নাই।

(ঘ) বকেয়া কৃষি ঋণ আদায়ের জন্য আইন মাফিক নোটিশ এবং বাকি জায় মকর্দ্দমা দায়ের করা হইয়াছে।

(ঙ) সর্বমোট APL পরিবার পরিচয় পত্রের সংখ্যা ২০,৬২৫ টি। এবং BPL পরিবার পরিচয় পত্রের সংখ্যা ১৩,০৬৫ টি। উক্ত পরিবার পরিচয়ের মাধ্যমে APLত BPL চাউল, চিনি ও কেরোসিন দেওয়া হইয়া থাকে এবং ইহার পরিমাণ নিম্নরূপ ঃ-

(১) চাউল, ৪৬১৫.৭০ কুঃ প্রতি মাসে।

(২) চাউল ১২৪৭.০০ কুঃ প্রতি মাসে।

(৩) চিনি ৬৪৫ কুঃ প্রতি মাসে।

(৪) কেরোসিন ১৫,৩৯৭ লিঃ প্রতি মাসে।

## বিষয় ঃ টকা আত্মসাৎ।

**শ্ৰীআলী আকবৰ মিঞাই সুধিছে ঃ**

৬৪৩। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ সমবায় সমিতিসমূহৰ আত্মসাৎ হৈ থকা টকাবোৰ উদ্ধাৰ কৰি সমবায় সমিতিসমূহক পুনৰ জীৱিত কৰাৰ বাবে চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে? (ব্যৱস্থা গ্ৰহণীয় পত্ৰাদিৰ কপি দিব)

(খ) ধুবুৰী জিলাৰ ক্ষেত্ৰত ২৮-০৭-২০০৪ৰ তৰাবিহীন প্ৰশ্ন নং ৩৮২ৰ প্ৰশ্নোত্তৰত দেখুৱা আত্মসাৎ হৈ থকা টকাৰ কিমান টকা আজিলৈ ঘূৰাই পোৱা হ'ল/উদ্ধাৰ কৰা হ'ল ? (তালিকা বনাই তথ্য দিব)

(গ) জিলাখনৰ সমবায় সমিতিৰ কাৰ্য্যকৰী কমিটিৰ সদস্য পদত চাকৰি কৰা ব্যক্তিও আছেনে ? যদি আছে, তেনে সদস্যৰ পদ খাৰিজ/ৰদ কৰাৰ বাবে চৰকাৰে কেনে ব্যৱস্থা গ্ৰহণ কৰিছে? (ব্যৱস্থা গ্ৰহণীয় পত্ৰাদিৰ কপি দিব)

**শ্ৰীমিচবাহুল ইছলাম লস্কৰ** (সমবায় বিভাগৰ (স্বতন্ত্ৰ) ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ সমবায় সমিতিসমূহৰ আত্মসাৎ হৈ থকা টকাবোৰ উদ্ধাৰ কৰিবৰ বাবে বিভাগীয় নীতি-নিৰ্দ্দেশনা আৰু সমবায় আইন অনুসৰি চৰকাৰে কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰি আহিছে। চৰকাৰী বিষয়াই সমবায় সমিতিৰ টকা আত্মসাৎ কৰা প্ৰমাণিত হ'লে বিষয়াজনৰ বিৰুদ্ধে Mis-Appropriation Case কৰা হয় আৰু বিভাগীয় শাস্তি প্ৰদানৰ ব্যৱস্থা কৰাৰ লগতে তেওঁৰ দৰ্মহাৰ পৰা আত্মসাৎ হোৱা ধন ঘূৰাই পোৱাৰ ব্যৱস্থা কৰা হয়। আনহাতে, সমবায় সমিতিৰ নিজা বিষয়ববীয়া অথবা কৰ্মচাৰীসকলে

আত্মসাৎ কৰিলে নিৰ্দ্দিষ্ট সমিতিখনে সমবায় আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰি টকা আদায় কৰিব লাগে। বিফল হ'লে সমবায় আইনৰ অধীনত বাকীজাই কেছ কৰিব লাগে আৰু সেইমতে বিভাগে বাকীজাই কেছ ৰুজু কৰি আত্মসাৎ কৰা ধন আদায়ৰ ব্যৱস্থা কৰিব লাগে।

সমগ্ৰ অসমৰ সমবায় সমিতিসমূহৰ আত্মসাৎ হৈ থকা ধন উদ্ধাৰৰ বাবে চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাবোৰৰ পত্ৰাদি সদনত দিবৰ বাবে সময়ৰ প্ৰয়োজন হব।

(খ) ধুবুৰী জিলাৰ ক্ষেত্ৰত ইং ২৮/০৭/২০০৪ তাৰিখলৈকে মাননীয় ধুবুৰী জিলাৰ বিধায়কে কৰা প্ৰশ্নৰ উত্তৰত দেখুৱা আত্মসাৎ হৈ থকা টকাৰ বিপৰীতে আদায় হোৱা তালিকা Annexure-Iত সদনৰ মজিয়াত ৰখা হ'ল।

(গ) বিভাগীয় তথ্যমতে ধুবুৰী জিলাৰ যিবোৰ সমবায়ত নিৰ্বাচিত কাৰ্য্যকৰী কমিটি আছে তেনে সমবায়ৰ কাৰ্য্যকৰী কমিটিৰ কোনো চৰকাৰী চাকৰিয়াল নাই।

## বিষয়ঃ **Fishery Rule** সংশোধনৰ ব্যৱস্থা।

**শ্ৰীগোপীনাথ দাসে সুধিছেঃ**

৬৪৪। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) চৰকাৰে Fishery Rule সংশোধন কৰাৰ ব্যৱস্থা লোৱা কথাটো সঁচানে?

(খ) যদি সঁচা, তেন্তে উল্লেখিত সংশোধনৰ জড়িয়তে চৰকাৰে অনুসূচীত জাতিৰ মাছমৰীয়াসকলৰ উন্নয়ণৰ কাৰণে কি কি ব্যৱস্থা লৈছে?

(গ) উক্ত সংশোধনৰ জড়িয়তে মীন মহলবোৰৰ পোনপটীয়া বন্দোবস্তি দিয়া বন্ধ কৰা সঁচানে?

(ঘ) যদি সঁচা, তেন্তে উক্ত ধাৰাটো সংশোধন কৰাটো বন্ধ কৰিবনে?

**ডাঃ নজৰুল ইছলাম** (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) বিবেচনাধীন হৈ আছে।

(খ) ১৯৫৩ ইং চনৰ ফিচাৰী আইনত সন্নিবিষ্ট সকলো বিধিৰ চৰ্ত্ত সাপেক্ষে অনুসূচীত জাতিৰ মাছমৰীয়া সম্প্ৰদায়ৰ উন্নয়ণৰ উদ্দেশ্যে সামান্য সংশোধনৰ প্ৰস্তাৱ দাখিল কৰা হৈছে।

(গ) চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(ঘ) প্ৰযোজ্য নহয়।

## বিষয় ঃ সমবায় খণ্ডৰ বেংক।

**শ্ৰীগুণীন হাজৰিকাই** সুধিছে ঃ

৬৪৫। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কেইটা সমবায় খণ্ডৰ বেংক আছে? (বেংক কেইটাৰ নাম দিব)

(খ) বেংকসমূহৰ বৰ্ত্তমান আৰ্থিক অৱস্থা কেনে?

(গ) বাইজৰ ধনৰ সুৰক্ষিতভাবে সঞ্চয়ৰ ক্ষেত্ৰত এই বেংকসমূহৰ পৰা চৰকাৰে প্ৰতিবেদন লয়নে? অথবা Reserve Bankৰ লগত যোগাযোগ ৰাখেনে?

**শ্ৰীমিচবাহুল ইছলাম লস্কৰ** (সমবায় বিভাগৰ (স্বতন্ত্ৰ) ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) অসমত ১৬ (যোল্লটা) সমবায় খণ্ডৰ বেংক আছে। বেংক কেইটাৰ

নাম Annexure-'ক'ত গাঁঠি দিয়া হ'ল। (See Annexure-IX)

(খ) মুঠ ১৬টা বেংকৰ ভিতৰত ৩ (তিনি)টা সমবায় বেংকৰ আৰ্থিক অৱস্থা লোকচানত চলি আছে আৰু ৫ (পাঁচ)টা বেংকৰ লাইচেঞ্চ ৰিজাৰ্ভ বেংকে বাতিল কৰিছে।

লোকচানত থকা সমবায় বেংকসমূহৰ নাম হ'ল ক্ৰমে –

| | বেংকৰ নাম | টকাৰ পৰিমাণ |
|---|---|---|
| ১) | গুৱাহাটী সমবায় আৰবান বেংক | (-) ৩৬.৬২ লাখ |
| ২) | এছকাৰ্ড বেংক | ৩১-৩-২০০৪ তাৰিখত (-) ২৪৬৪.৯৪ লাখ |
| ৩) | অসম সমবায় এপেক্স বেংক, গুৱাহাটী। | ৭১১৫.০৪ লাখ |

(গ) ভাৰতীয় ৰিজাৰ্ভ বেংক সমবায় বেংকসমূহৰ বছৰেকীয়া পৰিদৰ্শন প্ৰতিবেদন চৰকাৰক দাখিল কৰে আৰু চৰকাৰে উক্ত বেংকৰ লগত যোগাযোগ ৰাখে।

## Sub : Centres of S.A.I.

**Shri Bimolangshu Roy** asked :

646. Will the Minister of Sports & Youth Welfare be pleased to state :

(a) How many Centres of S.A.I. are there in the State? Has the Government moved the Centre for increase of numbers in the State? If not, why?

(b) Is the Government aware that "Silchar Foot Ball Academy" has got their own playground and "GYM" and regularly imparting training to the players through renowned international Veteran's?

(c) If so, will the Government arrange/move for opening a S.A.I. Centre in Silchar for imparting training to the junior players of Southern Assam?

**Shri Rockybul Hussain** (Minister of State, Home) replied :

(a) There is one N.E. Regional Sub-Centre in the State. Since one S.A.I. Centre has been alloted by the Government of India in each State, the Government of India has not been moved for setting up more S.A.I. Sub-Centre in the State.

(b) Yes.

(c) Does not arise.

বিষয় ঃ ভঙা মথাউৰী।

**শ্রীজীৱনতাৰা ঘাটোৱাৰে সুধিছে ঃ**

৬৪৭। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা ২০০৪ চনৰ দুটা প্ৰবল বানপানীয়ে দিহিং নৈয়ে মৰাণ

বিধান সভা সমষ্টিৰ খোৱাং আৰু লৰুৱা মৌজাৰ কিমান ঠাইত মথাউৰী ভাঙিলে?

(খ) ভঙা মথাউৰীসমূহ মেৰামতি কৰাৰ কি ব্যৱস্থা লৈছে আৰু কেতিয়া সম্পূৰ্ণ হ'ব?

(গ) এই মথাউৰীবোৰ শক্তিশালীকৈ বনোৱাৰ কি ব্যৱস্থা লৈছে?

(ঘ) এই কাম সম্পূৰ্ণ কৰিবলৈ কিমান টকা ধাৰ্য্য কৰিলে?

**শ্ৰীভৰত চন্দ্ৰ নৰহ** (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) দিহিং নৈয়ে ২০০৪ চনৰ বানপানীত মৰাণ বিধান সভা সমষ্টিৰ খোৱাং আৰু লৰুৱা মৌজাৰ অন্তৰ্গত মথাউৰীৰ কোনো অংশতে ভঙা নাই।

(খ) 'ক'ৰ উত্তৰৰ সাপেক্ষে প্ৰশ্ন নুঠে।

(গ) মথাউৰী শক্তিশালী কৰাৰ বাবে ৯.২০ কোটি টকা প্ৰাক্কলন মূল্যৰ "R/S to Dehing Bundh R/B from Kotaha to Sessamukh" নামৰ এখন আঁচনিয়ে যোৱা ৩৫ তম্ কাৰিকৰী উপদেষ্টা সমিতিত অনুমোদন লাভ কৰে। বৰ্ত্তমান এই আঁচনিখনৰ বিস্তৃত প্ৰাক্কলন প্ৰস্তুত কৰি থকা হৈছে।

(ঘ) উক্ত আঁচনিখনৰ প্ৰাক্কলন মূল্য ৯.২০ কোটি টকা। কেন্দ্ৰীয় জল আয়োগৰ অনুমোদন, পৰিকল্পনা আয়োগৰ বিত্তীয় বিনিয়োগ অনুমোদন, প্ৰশাসনীয় অনুমোদন তথা পুঁজিৰ আৱন্টন সাপেক্ষে আঁচনিখনৰ কাম হাতত লোৱা হব।

**বিষয়ঃ আমৰাঙ্গা মাগুৰ মাছ প্ৰকল্প।**

**শ্ৰীপ্ৰণৱ কলিতাই সুধিছেঃ**

৬৪৮। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) চৰকাৰ জ্ঞাতনে যে পলাশবাৰী সমষ্টিৰ আমৰাঙ্গাত থকা মীন বিভাগৰ মাগুৰ মাছ প্ৰকল্পৰ অৱস্থা বৰ্ত্তমান মৃতপ্ৰায়। যদি জ্ঞাত, ইয়াৰ পুনৰ জীৱিত কৰাৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(খ) মৃতপ্ৰায় প্ৰকল্পটোত বছৰ বছৰ ধৰি কৰ্ম্মহীনভাৱে বহি থকা কৰ্ম্মচাৰী বিলাকে বেতন লাভ কৰি আছেনে? এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে? এই প্ৰকল্পটোত বৰ্ত্তমান কিমান কৰ্ম্মচাৰী আছে?

**ডাঃ নজৰুল ইছলাম (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) পলাশবাৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত আমৰাঙ্গা প্ৰকল্পৰ অধীনৰ মাগুৰ মাছ উৎপাদন আঁচনিখন কাৰ্য্যকৰী বিজুতিৰ বাবে কাৰ্য্যক্ষম হৈ থকা নাই। মাগুৰ মাছ উৎপাদন আঁচনিৰ পৰিৱৰ্ত্তে ইয়াত ৰৌ, ভকুৱা, মিৰিকা আদি মাছৰ উৎপাদন আৰু প্ৰশিক্ষণকে ধৰি বিভিন্ন কাৰ্য্যসূচী চলাই থকা হৈছে। মাগুৰ মাছৰ উৎপাদন আঁচনিখন পুৰ্নজীৱিত কৰাৰ পৰিকল্পনা চৰকাৰৰ হাতত নাই।

(খ) ১৯৮৭-৮৮ ইং চনৰ পৰা মাগুৰ মাছৰ উৎপাদন আঁচনিত কাম কৰি থকা কৰ্ম্মচাৰীসকলক অন্যান্য আঁচনিলৈ বদলি কৰি নিয়মীয়াকৈ বেতন দি থকা হৈছে।

## বিষয় ঃ বিশ্ব বেংকৰ ঋণ/অনুদান।

**শ্ৰীপ্ৰণৱ কলিতাই সুধিছে ঃ**

**৬৪৯।** মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৪ চনত মীন বিভাগে বিশ্ব বেংকৰ পৰা কিমান ঋণ অথবা অনুদান লাভ কৰিছে? ইয়াৰ কিমান টকা খৰছ কৰা হ'ল?

(খ) কি কি শিতানত এই টকা খৰছ কৰিব দিয়া হৈছিল? অসমৰ কোন কোন সমষ্টিত কি কামৰ বাবে কিমান টকা দিলে?

ডাঃ নজৰুল ইছলাম (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) মীন বিভাগে ২০০৪ চনত (অক্টোবৰ মাহলৈকে) World Bankৰ অৰ্থ সাহায্যৰে ARIASP Societyৰ অধীনত মুঠ ৮৩,০৯,৭৬০.০০ টকা আৰু ২০০৫ চনত প্ৰৱৰ্ত্তিত বিশ্ব বেংকৰ নতুন আঁচনি AACPৰ অধীনত মুঠ ৪,৩০,০০০.০০ টকা ৩১/১২/২০০৪ ইং তাৰিখ পৰ্য্যন্ত আগধন হিচাপে লাভ কৰিছে।

ইয়াৰে ৭৪,৯৪,৪৫০.০০ টকাৰ ARIASPৰ অধীনত আৰু ৪,২০,০০০.০০ টকা AACPৰ অধীনত খৰছ কৰা হৈছে।

(খ) খৰছৰ শিতানসমূহ তালিকা 'ক'ত সংলগ্ন কৰা হ'ল (See Annexure-X)। সমষ্টি অনুসাৰে মোকলাই দিয়া ধন আৰু খৰছৰ তালিকা 'খ'ত সংলগ্ন কৰা হ'ল। (See Annexure-XI)

বিষয় ঃ পলাশবাৰী পৌৰ নিগমৰ গৰাখহনীয়া।

শ্ৰীপ্ৰণৱ কলিতাই সুধিছেঃ

৬৫০। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) পলাশবাৰী সমষ্টিৰ পলাশবাৰী পৌৰ নিগমক প্ৰবল গৰাখহনীয়াৰ পৰা ৰোধ কৰাৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(খ) যদি গ্ৰহণ কৰিছে, কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) উক্ত কাম কেতিয়াৰ পৰা আৰম্ভ হ'ব?

(ঘ) প্ৰতিৰোধ ব্যৱস্থাৰ আঁচনিখন কেনেধৰণৰ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) পলাশবাৰী পৌৰ নিগমক গৰাখহনীয়াৰ পৰা ৰোধ কৰাৰ বাবে এই বিভাগৰ পৰা এখন ৪২.২৪ কোটি টকাৰ সংশোধিত আঁচনি

অনুমোদনৰ কাৰণে কেন্দ্ৰীয় জল আয়োগলৈ পঠিওৱা হৈছে।

(খ) আঁচনিখন কেন্দ্ৰীয় জল আয়োগৰ অনুমোদন তথা ভাৰত চৰকাৰৰ পৰিকল্পনা আয়োগৰ বিত্তীয় বিনিয়োগ অনুমোদন হোৱাৰ পিছত প্ৰয়োজনীয় পুঁজি আৱন্টন প্ৰশাসনীয় অনুমোদন সাপেক্ষে ৰূপায়ণৰ ব্যৱস্থা গ্ৰহণ কৰিব পৰা যাব।

(গ) প্ৰয়োজনীয় অনুমোদন আৰু পুঁজি আৱন্টন সাপেক্ষেহে কাম আৰম্ভ কৰিব পৰা যাব।

(ঘ) আঁচনিখন গৰাখহনীয়া প্ৰতিৰোধ আঁচনি।

**বিষয় ঃ নেহৰু যুৱক কেন্দ্ৰ।**

**শ্ৰীপ্ৰণৱ কলিতাই** সুধিছে ঃ

**৬৫১।** মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত নেহৰু যুৱক কেন্দ্ৰ কিমান আছে?

(খ) নেহৰু যুৱক কেন্দ্ৰৰ জড়িয়তে ৰাইজলৈ কি কি খেলৰ সামগ্ৰী যোগান ধৰা হয়? এই যোগান সঠিকভাৱে বিতৰণ হৈ আছেনে?

(গ) এই কেন্দ্ৰৰ জড়িয়তে ২০০৪ চনত কোন সমষ্টিত কি কি খেলৰ সামগ্ৰী বিতৰণ কৰা হৈছে? (তালিকাসহ জনাব)

**শ্ৰীৰকিবুল হুছেইন** (গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমান অসমত **২৩** খন জিলাভিত্তিত নেহৰু যুৱক কেন্দ্ৰ আছে?

(খ) নেহৰু যুৱক কেন্দ্ৰৰ জড়িয়তে খেলৰ সামগ্ৰী যোগান ধৰা সম্পৰ্কত বৰ্ত্তমান তেনে কোনো আঁচনি নাই।

(গ) এই কেন্দ্ৰৰ জড়িয়তে ২০০৪ চনত সমষ্টিভিত্তিত কোনো খেলৰ সামগ্ৰী বিতৰণ কৰা হোৱা নাই।

## POINT OF ORDER

★ **শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়,পইন্ট অৱ অৰ্ডাৰ। আমি আপোনাক ৪ এপ্ৰিল, ২০০৫ ইং তাৰিখে এখন নটিচ দিছিলো।

**মাননীয় অধ্যক্ষ ঃ** এইটো পিছত হ'ব।

**শ্ৰীআলী আকবৰ মিঞা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ৫৯ নং 'খ' তাকৰীয়া সময়ৰ প্ৰশ্নৰ উত্তৰত বিল প্ৰস্তুতিৰ নিৰ্দ্দেশ দিয়া নাই বুলি কৈছে। কিন্তু নিৰ্দ্দেশৰ কপি মোৰ হাতত আছে। মই ইয়াৰ এটা কপি আপোনাক দিম আপুনি কি ব্যৱস্থা লব?

## ZERO HOUR MATTER

**Mr. Speaker :** I have received as many as 11 Zero Hour Notices for today from the following Hon'ble Members :

1. Dr. Haren Das.
2. Shri Hemendra Nath Brahma.
3. Shri Ali Akbar Miah.
4. Shri Hitendra Nath Goswami.
   Shri Dilip Kumar Saikia.
5. Dr. Idris Ali.
6. Shri Sahabuddin Choudhury.
   Shri Pranab Kalita.
7. Shri Pranab Kalita

★ Speech not corrected.

8. Shri Pabindra Deka.
Shri Dinesh Chandra Sarkar.
Shri Bimolangshu Roy
11. Smti. Pramila Rani Brahma.
Smti. Kamali Basumatari.

I have selected 3 notices for discussion as per Rules :

I now call upon Hon'ble Member, Shri Bimolangshu Roy to raise his Zero Hour Motion on a new item published in Samayik Prasanga dated 3-4-2005 under the caption :

"তীব্র বিদ্যুৎ সংকটে বিপর্য্যস্ত বৰাক"

আমাৰ বিজিনেচ বেছি আছে। গতিকে আপোনালোকে চমুকৈ ক'ব।

★ শ্ৰীবিমলাংশু ৰয় ঃ মাননীয় অধ্যক্ষ মহোদয়, শূন্যকালীন ঘন্টাত আমাৰ বৰাক ভেলিৰ পাৱাৰ সংকটৰ বিষয়ে দুআষাৰমান কব খুজিছো। আমাৰ বৰাক ভেলিত তীব্ৰ পাৱাৰ সংকটৰ কাৰণে এনেকুৱা এটা অৱস্থা হৈছে চাৰ, ঘন্টাৰ পিচত ঘন্টা ধৰি ল'ড চেদিং চলি থাকে। ইয়াৰ কাৰণ হৈছে পাবলিক হেল্‌থ ইঞ্জীনিয়াৰিং বিভাগে পানী দিব নোৱাৰে। বিদ্যুতৰ ক্ষেত্ৰত পানীৰ প্ৰয়োজন নিতান্ত আৱশ্যকীয়। বৰাকত বিদ্যুতৰ নাটনিৰ কাৰণে প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াদেৱে তেতিয়া বৰাকত বিদ্যুতৰ নাটনিৰ কাৰণে গেছ টাৰবাইন খোলাৰ ব্যৱস্থা কৰিছিল আৰু এই কথাও কোৱা হৈছিল যে তাৰ পৰা যি বিদ্যুৎ উৎপাদন হ'ব তাৰ ২৫ মেগাৱাট বৰাক ভেলিত ব্যৱহাৰ কৰা হ'ব। কিন্তু দুৰ্ভাগ্যৰ কথা যে ২৫ মেগাৱাট বাচ কান্দিত ব্যৱহাৰ কৰা হ'ল। সেই ক্ষেত্ৰত আমি দেখিছো যে বৰাক ভেলিত ৫০ মেগাৱাট লাগে। গেছ টাৰবাইন কম হোৱাৰ কাৰণে বিদ্যুৎ

★ Speech not corrected.

সৰবৰাহ কম হয়। যাৰ ফলত জনসাধাৰণৰ জীৱন আকৌ বিপৰ্য্যস্ত হৈ পৰিছে। মোৰ সমষ্টিৰ মানুহ আহি মোক সোধে- আপুনি বিধান সভাত বহি কি কৰিছে? গতিকে, মই আপোনাৰ জড়িয়তে মুখ্যমন্ত্ৰীক ক'ব বিচাৰিছো যে ডি.চি.ৰ পৰা একোটা ৰিপোৰ্ট আনিব লাগে? কিমান মেগাৱাট চৰ্ট হয়? ডি. চি.ৰ লগতে অফিচাৰবিলাকো আছে। কিন্তু তেওঁলোকে তথ্য দিব নোৱাৰে। গুৱাহাটীৰ পৰা পোৱা নাই বুলি কয়। বৰাক ভেলিৰ জনসাধাৰণে কি অৱস্থাত পৰি চাফাৰ কৰি আছে সেইটোৰ ওপৰত হস্তক্ষেপ কৰি ব্যৱস্থা কৰিব নেকি? এই বিষয়ে দৃষ্টি আকৰ্ষণ কৰি মই আশা ৰাখিছো মন্ত্ৰী মহোদয়ে ৰাইজৰ সংকট দূৰ কৰিব পাৰিব।

(Mr. Speaker vacated the Chair and Mr. Deputy Speaker occupied the Chair).

★ শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (শক্তি বিভাগৰ ৰাজ্যিক মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰাক উপত্যকাত বিদ্যুতৰ নাটনি আছে। আজি ভালেদিনৰ পৰা এই নাটনি হৈ আহিছে। আদম টিলা আৰু বাহ্কান্দিত গেছ টাৰবাইন বহুৱা হৈছে। যদিও ইয়াৰ কেপাচিটি ২৫ মেগাৱাট আছে কিন্তু কেতিয়াবা ২২ আৰু কেতিয়াবা ১০ মেগাৱাটো হয়। এইটো গেছৰ তাৰতম্যৰ ওপৰত নিৰ্ভৰ কৰে। বিভিন্ন অত্সৰ পৰা বিদ্যুৎ পৰিবহন কৰা হয় আৰু সকলোতে বিজুলী শক্তি যোগান ধৰিবলৈ চেষ্টা কৰা হয়। আমাৰ কাছাৰতে যে অভূতপূৰ্ব বিজুলীৰ নাটনি হৈছে এনে নহয়, সমগ্ৰ অসমতে হৈছে। ইয়াৰ কাৰণ হৈছে যোৱা ৩১ মাৰ্চৰ দিনা ৰাতি ধুমুহা বতাহত কঠালগুৰিৰ পাৱাৰ গ্ৰিদ কৰপ'ৰেশ্যনৰ ৫ টা খুটা ভাঙি গ'ল। তাত ২২০ কেজি পাৱাৰ উৎপন্ন হয়। কিন্তু ৫ টা খুটা ভাঙি যোৱাৰ কাৰণে কঠালগুৰি পাৱাৰ ষ্টেচনৰ পৰা ১২০ মেগাৱাট পাৱাৰ পোৱা নাই। তাৰোপৰি লাকোৱাৰ পৰাও যিখিনি পোৱা যায় তাৰ পৰা ২৫ মেগাৱাট কমকৈ পোৱা হৈছে।

---

★ Speech not corrected.

উপাধ্যক্ষ মহোদয়, মই এইকথা সদনৰ মজিয়াত আগতেও কৈছো যে যদি পিক আৱাৰত ৬৫০ মেগাৱাট য'ত থাকে তাৰ পৰা ২০০ মেগাৱাট নাটনি হয় তেন্তে এইটো এটা ডাঙৰ কথা হয়। এতিয়া চাৰিওফালৰ পৰা বিভিন্ন ওজৰ আপত্তি আহিছে। কেনেকৈ এই বিদ্যুৎ শক্তিৰ নাটনিৰ জোৰা মাৰিব পাৰি তাৰ চিন্তা-চৰ্চা আমিও কৰি আছো।

★ **শ্ৰীবিমলাংশু ৰয়ঃ** মাননীয় অধ্যক্ষ মহোদয়, আদমটিলা আৰু বাঁসকান্দিত যি দুটা গেছ ভিত্তিক পাৱাৰ প্ৰজেক্ট আছে তাত পাৱাৰ জেনেৰেট কৰে ডি. এইচ. এল কোম্পানীয়ে আৰু চুক্তি অনুসৰি ইয়াত যি পাৱাৰ জেনেৰেট হয় সেইখিনি বৰাক ভেলিত প্ৰথমে দিব লাগে। তাৰ পিচতহে বাহিৰলৈ পঠাব পাৰিব। কিন্তু ডি. এইচ.এলে নেশ্যনেল পাৱাৰ গ্ৰীড কৰ্পোৰেশ্যনক পাৱাৰ বিক্ৰী কৰিছে। ফলত বৰাক ভেলিত বিদ্যুতৰ নাটনি হৈছে। এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে পৰিষ্কাৰকৈ জনাব লাগে যে বৰাক ভেলিত ক'ৰ পৰা পাৱাৰ চাপ্লাই দিয়া হৈছে।

★ **শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (শক্তি বিভাগৰ ৰাজ্যিক মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিদ্যুৎ শক্তি যেতিয়া পাৱাৰ ষ্টেচন সোমাই যায় তেতিয়া সেইটো নিৰ্দ্দিষ্টকৈ কোৱা অসুবিধা হয় যে পাৱাৰটো ক'ৰ? কিন্তু আদমটিলা আৰু বাঁসকান্দিৰ প্ৰজেক্টত যিখিনি পাৱাৰ উৎপাদন হয় সেইখিনি মূলতঃ বৰাক ভেলিতে ব্যৱহাৰ কৰা হয়।

**Mr. Dy. Speaker :** I now call upon Hon'ble Member, Shri Hemendra Nath Brahma to raise his Zero Hour Motion on a news item published in Ajir Dainik Batori, dt. 27.3.05 under the caption :

"বংগই আজুৰিছে অসমৰ নৈপৰীয়া মাটি।"

সময় বৰ কম, আপুনি চমু কৰিব।

★ **শ্ৰীহেমেন্দ্ৰ নাথ ব্ৰহ্মঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা জৰুৰী বিষয়

---

★ Speech not corrected.

মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। যোৱা ২৭/৩/০৫ তাৰিখৰ আজিৰ দৈনিক বাতৰিত প্ৰকাশিত 'বংগই আঁজুৰিছে অসমৰ নৈপৰীয়া মাটি, নিমাতে থাকি বিপদ মাতিছে গগৈ চৰকাৰে' শীৰ্ষক বাতৰিটোৰ বিষয়ে মই দুআষাৰমান ক'ব বিচাৰিছো।

চাৰ, মই বিধায়ক হোৱাৰ পিচৰে পৰা ১৯৯৬ আৰু ৯৭ চনত এই বিধান সভাত এই বিষয়টো উত্থাপন কৰিছিলো আৰু উত্তৰো দিয়া হৈছিল আৰু এই সম্পৰ্কত প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। মই পুনৰ ২০০১ চনত এই বিষয়টো উত্থাপন কৰিছিলো, কিন্তু আজিলৈকে কোনো ব্যৱস্থা লোৱা দেখা নগ'ল। সময়ে সময়ে জিলা প্ৰশাসনে এই অসম ভূমি বেদখলকাৰীৰ পৰা উদ্ধাৰ কৰিবলৈ চেষ্টা চলাইছিল, কিন্তু চৰকাৰৰ ফালৰপৰা কোনো ব্যৱস্থা লোৱা নগ'ল। পুনৰ ২৭/৪/৯৭ তাৰিখে কোকৰাঝাৰ জিলাৰ উপায়ুক্ত, ডি. এফ. অ' আদিয়ে অসম চৰকাৰ আৰু পশ্চিমবঙ্গ চৰকাৰৰ লগত আলোচনা মৰ্ম্মে বেদখলীকৃত ভূমিখিনি উদ্ধাৰৰ বাবে চেষ্টা চলাইছিল। কিন্তু পশ্চিমবঙ্গ চৰকাৰৰ প্ৰতিনিধিয়ে বুদ্ধিৰে সীমাৰ খুটি পৰ্য্যন্ত নোহোৱা কৰিছে। যোৱা ২৪/৩/২০০১ চনত ডিব্ৰুগড় জিলাৰ উপায়ুক্ত, ডি.এফ.অ'এ.ডি.চি.য়ে বংগ চৰকাৰৰ প্ৰতিনিধিৰ লগত চৰজমিন পৰীক্ষা কৰিছিল। তাৰ প্ৰতিবেদনো চৰকাৰক দাখিল কৰিলে কিন্তু অসম চৰকাৰৰ ফালৰ পৰা কোনো ধৰণৰ পদক্ষেপ লোৱা দেখা নগ'ল। এই সংক্ৰান্তত ২০/৬/২০০3 ত পুনৰ যুটীয়া তদন্ত হয় আৰু প্ৰতিবেদনো দাখিল কৰিছিল। সেই প্ৰতিবেদনৰ ওপৰত কোনো ব্যৱস্থা লোৱা হোৱা নাই। ১৯৮৫ চনত ভাৰতীয় জৰীপ বিভাগে জৰীপ কৰি কিছুমান কাঠৰ খুটা দিছিল। কিন্তু সেইবোৰ বৰ্ত্তমান নোহোৱা হৈছে। তদন্ত ৰিপোৰ্টমতে পশ্চিমবঙ্গই কাঢ়ি নিয়া ভূখণ্ডৰ পৰিমাণ প্ৰায় ৩,৫০০ বিঘা হ'ব। সোণকোষ চাহ বাগিছা আজি বাহিৰা লোকৰ বেদখলৰ কৱলত। তাৰোপৰি সোণকোষ নদীৰ গৰাখহনীয়াৰ সুযোগ

লৈ সীমান্তৱৰ্ত্তী লোকসকলে বালিৰ চৰ টিলাবিলাকত বসবাস কৰিবলৈ লৈছে। আনকি পশ্চিমবঙ্গ চৰকাৰে এই বালিচৰ ভূমিক পূৰ্ব শালমৰা নামেৰে নামাকৰণ কৰিছে। গতিকে অসম চৰকাৰে যুটীয়াভাৱে জৰীপ কৰি বেদখলকাৰীসকলক উচ্ছেদ কৰি বেদখলমুক্ত কৰিবলৈ মই মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনালো।

My suggestions for Border Dispute-

(1) Survey of India should be requested urgently to demarcate the boundary from Indo-Bhutan Border to entire Assam-Bengal Border and copies should made available to administrative Unit touching the border.

(2) Revenue and Forest Department should carry out separate survey in their respective jurisdiction immediately so that extent of encroachment can be ascertain at separate fund should be provided for the purpose.

(3) Works taken by both West-Bengal Government and Assam Government since 1985-86 should be checked along the Border as river Sonkosh is highly unstable river. Many works have been taken like construction of bundh at Kumargram which is highly objectionable and without knowledge of concerned authority of counter-part.

কিছুমান আমাৰ অসমৰ মাটিত বান্ধ বন্ধা হৈছে। যাৰ ফলত ওচৰ-চুবুৰীয়া গাওঁবিলাক যথেষ্ঠ অসুবিধাঁৰ সন্মুখীন হৈছে। সেইকাৰণে মই অনুৰোধ কৰিব বিচাৰিছো যে আমাৰ চৰকাৰৰ ফালৰ পৰা বিহিত ব্যৱস্থা লৈ এইবিলাক বন্ধ কৰিব লাগে। নহ'লে দৈয়াং বা মেৰাপানীৰ নিচিনা ঘটনা হ'ব। এই গোটেই বিষয়টো মই মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

★ **শ্ৰীগৌতম ৰয় (মন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীহেমেন্দ্ৰ নাথ ব্ৰহ্ম ডাঙৰীয়াই শূন্যকালীন সময়ত উত্থাপন কৰা "বংগই আঁজুৰিছে অসমৰ নৈপৰীয়া মাটি" শীৰ্ষক বাতৰিটোৰ সন্দৰ্ভত মই শুনিছো। এই বিষয়ত কওঁ যে—

সোণকোষ নদীয়ে অসম আৰু পশ্চিমবঙ্গ ৰাজ্যৰ মাজৰ সীমা। উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য বৃহৎ নদীৰ দৰেই এইনদীয়েও নিজৰ গতিপথ সময়ে সময়ে সলনি কৰে। ফলস্বৰূপে অসম আৰু পশ্চিমবঙ্গ ৰাজ্যৰ সীমাৰ স্বীকৃত খুটি এই নৈয়ে খহাই, উঠাই লৈ যোৱা কাৰণে বৰ্ত্তমান সময়ত বাতৰিত উল্লেখ কৰা ২ নং ৰিপু মৌজাৰ উল্লেখিত অঞ্চলসমূহৰ, মহকুমাধিপতিৰ পৰা প্ৰাপ্ত তথ্যমতে, চৰজমিনত কোনো সীমাৰ খুটি নাই। ফলত অসমৰ মাটি পশ্চিমবংগ ৰাজ্যৰ বেদখলত থকা কথাটো নিশ্চিত হ'ব পৰা নাযায়।

এই সন্দৰ্ভত বাতৰিত উল্লেখিত সোণকোষ চাহ বাগিছাখন পশ্চিমবঙ্গ ৰাজ্যৰ অন্তৰ্গত আৰু ই অসমৰ সীমামুৰীয়া অঞ্চলত অৱস্থিত। এই চাহ বাগিছাৰ কিছু অংশ নৈৰ মাজত চৰ অঞ্চললৈ বিস্তৃত হোৱা দেখা যায় আৰু এই অংশটোৱে প্ৰাপ্ত তথ্যমতে সম্ভাব্য বিবাদমান অঞ্চল। এই অংশটোত প্ৰায় ৫ৰ পৰা ৬ হেক্টৰ ভূমি আগুৰি আছে। উল্লেখযোগ্য যে মহকুমাধিপতি (গোসাইগাওঁ)ৰ প্ৰতিবেদন মতে ১৯৮৫-৮৬ ইং চনত, (চাৰ্ভে অৱ ইণ্ডিয়া) ভাৰতৰ জৰীপ বিভাগে এই অঞ্চলটো

★ Speech not corrected.

জৰীপ কৰি উভয় ৰাজ্যৰ সীমান্তত কিছুসংখ্যক কাঠৰ খুটি পুতি চিহ্নিত কৰিছিল যদিও পৰৱৰ্ত্তী সময়ত এই খুটিবোৰ হয় সোণকোষ নদীৰ বানপানীৰ প্ৰবল সোঁতত খহনীয়াত উটি গ'ল, হয়তো কোনো দুস্কৃতিকাৰীয়ে উঠাই পেলালে। ইতিমধ্যে ১৯৯৭-২০০১ আৰু ২০০৩ চনত এই বিবাদমান অঞ্চলত কোকৰাঝাৰ জিলাৰ উপায়ুক্ত গোঁসাইগাওঁৰ মহকুমাধিপতি আৰু আৰক্ষী অধীক্ষক, কোকৰাঝাৰ জিলা বন সংমণ্ডল বিষয়া, কোকৰাঝাৰ আদিৰ জড়িয়তে এই অঞ্চলত চৰজমীন তদন্ত কৰা হৈছিল। কিন্তু ওপৰত উল্লেখ কৰা কাৰণসমূহৰ বাবে পশ্চিমবঙ্গৰ দ্বাৰা বেদখলৰ অভিযোগ কৰা অঞ্চলসমূহ নিশ্চিতভাবে চিনাক্ত কৰিব পৰা হোৱা নাছিল। এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে এই অঞ্চলস্থিতৰিপু সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ১০ হেক্টৰৰ পৰা বন বিভাগে কেইবাবাৰো বেদখল উচ্ছেদ কৰিছে যদিও এই অঞ্চলত বাৰে বাৰে বেদখল হৈ থাকে। বৰ্ত্তমান পৰিস্থিতিত ভাৰতৰ জৰীপ বিভাগে (চাৰ্ভে অব ইণ্ডিয়া), অসম ভূমিলেখ্য অধিকৰ্ত্তা ও জৰীপ কাৰ্য্যালয় আৰু পশ্চিমবঙ্গৰ ভূমিলেখ্য অধিকৰ্ত্তাৰ যুটীয়া জৰীপ ক্ৰমে বিবাদমান এই অঞ্চলত, স্থায়ী সীমা নিৰ্দ্ধাৰণ কৰি পকী খুটা পুতি এই সমস্যাৰ সমাধান কৰিব পাৰি।

**Mr. Deputy Speaker :** I, now, call upon Hon'ble Member, Dr. Haren Das to raise his Zero Hour Motion on a News Item published in 'Asomiya Pratidin' dated 4-4-2005 under the caption : **" পেটৰ ভাতমুঠিও কাঢ়ি নিছে ভৈৰাতোলা জানৰ পানীয়ে"**

★ **ডঃ হৰেণ দাস ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ এটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আজি সদনত মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ক দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। মোৰ সমষ্টিৰ ওচৰেৰে বৰলীয়া

★ Speech not corrected.

নদী বৈ গৈছে। পাগলদিয়া, বৰলীয়া আৰু পুঠিমাৰী নদীয়ে সেই অঞ্চলত যি পৰিস্থিতিৰ সৃষ্টি কৰিছে সেইটো সকলোৰে অৱগত। আগৰ অ.গ.প. চৰকাৰৰ দিনত ১৯৮৬ চনত বৰভাগ অঞ্চলৰ ৰাইজক বানৰ কবলৰপৰা মুক্তি দিয়াৰ কাৰণে ভৈৰাতোলা জান খান্দি বল্লুটজানত লগ লগাই দি পানী উলিয়াই অনাৰ কাৰণে ত্রিশ হেজাৰ মানুহ এফেক্টেড হয় আৰু গোটেই অঞ্চলৰ এক আকৰ্ষণীয় পৰিস্থিতিৰ সৃষ্টি হয়। আমাৰ মাননীয় জলসম্পদ মন্ত্রীয়ে সেই ঠাই ভ্রমণ কৰি আহিছে। গতিকে তেখেত সেই বিষয়ত অৱগত হৈছে। সেইকাৰণে আমাৰ চৰকাৰে এই গোটেই বিষয়ৰ ওপৰত এটা ব্যৱস্থা লব লাগে। মথাউৰি দিয়াৰ কথাও আছে। যিটো নদী কাটি দিয়া হৈছে তাত বান্ধ দি সমান সমানকৈ পানী যাব দিব লাগে। খৰালি যি গৰাখহনীয়া হয় তাৰ ফলত সংখ্যালঘু গাওঁকে ধৰি ১০/১২ খন গাওঁ নিশ্চিহ্ন হৈছে। বহুত স্কুল ঘৰ গৈছে, মছজিদ গৈছে। ৪/৫ খন গাওঁ দূৰলৈ নিবলগীয়া হৈছে। এই গোটেই কথাটোৰ অতি সোনকালে ব্যৱস্থা লব লাগে। যোৱা বাৰিষা হাজো সমষ্টিত যি হৈছিল আপোনালোক সকলোৱে জানে। ৰাজহ বিভাগৰ মন্ত্রী মহোদয় এতিয়া ইয়াত নাই। এনেকুৱা প্রব্লেম আহিলে যাতে সহায় কৰে তাৰ বাবে জলসম্পদ মন্ত্রী মহোদয়ৰ যোগেদি ৰাজহ বিভাগৰ মন্ত্রীকো অনুৰোধ কৰিলো। লগতে গোটেই বিষয়টোৰ ওপৰত এটা বিহিত ব্যৱস্থা লবলৈ জলসম্পদ মন্ত্রী মহোদয়ক অনুৰোধ কৰিলো।

শ্রীভৰত চন্দ্ৰ নৰহ (মন্ত্রী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য ড° হৰেণ দাস ডাঙৰীয়াই জিৰো আৱাৰত যিটো বিষয় উত্থাপন কৰিছে সেইটো আমাৰ জলসম্পদ বিভাগৰ দৃষ্টিগোচৰ হৈছে। বৰলীয়া এখন নদী। ১৯৮৬ চনতে এই বৰলীয়া নদীৰ গতিপথ সলনি কৰাৰ কাৰণে এটা নলা খান্দি ভৈৰাতোলা জানত লগ লগাই দিয়ে। এই ভৈৰাতোলা জানটো হাজো সমষ্টিৰ মাজেৰে গৈছে। এই ভৈৰাতোলা জান ওৰফে

বৰলীয়া নদীয়ে গৰাখহনীয়াৰ সৃষ্টি কৰিছে। চৰকাৰে আকৌ বৰলীয়া নদীৰ গতিপথ সলনিৰ কাৰণে নলা খন্দাৰ কাম আৰম্ভ কৰিব। ভেৰাতোলাৰ পৰা আকৌ বৰলীয়া নদী ডাইভাৰ্ট হ'ব। এইটো যদি চাকচেচ হয়, তেতিয়াহ'লে বাৰিষা বহু কষ্ট লাঘৱ হ'ব। চৰকাৰে বিষয়টো বিবেচনা কৰি আছে।

## MISCELLANEOUS

★ **শ্ৰীদিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, গোপন বৈঠক সম্পৰ্কে মোৰা ৪/৪/২০০৫ ইং তাৰিখে চিঠিখন দিছে। এই বিষয়ে আলোচনা হ'বনে নহয় চিঠিত লিখা হৈছে যোৱা কেইদিনমানৰ পৰা সমগ্ৰ ৰাজ্যখনতে আলফাকে ধৰি বিভিন্ন বিদ্ৰোহী সংগঠনে একে-লেঠাৰীয়ে সংঘটিত কৰি অহা বোমা বিস্ফোৰণ তথা কূটাঘাটমূলক কাৰ্য্য-কলাপৰ ফলত ৰাজ্যখনত সৃষ্টি হোৱা আতংকময় পৰিস্থিতিৰ ফলত জনসাধাৰণৰ মাজত নিৰাপত্তাৰ অভাৱ পৰিলক্ষিত হৈছে। সেয়ে আলফা আৰু বিভিন্ন বিদ্ৰোহী সংগঠন আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত অৰ্থবহ আলোচনাৰ বিষয়টো সম্পৰ্কত বিশদভাৱে আলোচনা কৰিবলৈ আমি সদনৰ চলিত অধিবেশনৰ কালচোৱাত অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য-ক্ৰমণিকাৰ ১৮৮ (১) ধাৰাৰ অধীনত গোপন বৈঠক অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালো।

**Mr. Deputy Speaker :** Hon'ble Speaker will take the decision on the matter, Hon'ble Member may please be seated.

★ **শ্ৰীপবিন্দ্ৰ ডেকা** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই পৰহিও কৈছিলো। এই সদনত যদি উগ্ৰপন্থীৰ বিষয়ে আলোচনা কৰিবলৈ অসুবিধা হয়,

★ Speech not corrected.

তেতিয়াহ'লে গোপন বৈঠক পাতিব লাগে।

(মাননীয় অধ্যক্ষ মহোদয়ে আসন গ্ৰহণ কৰে)

★ **শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই পইন্ট অৱ ইনফৰমেশ্বন আছে। বিভিন্ন ঠাইত বোমা বিস্ফোৰণ হৈ আছে। বহুত ঘটনা সংঘটিত হৈ আছে। ধেমাজীত পুলিচে ৬ টা বজাৰ পিচত হুইচেল বজাই দিয়ে। এনেকুৱা ঘটনা হৈছে যে কালি এজন মানুহৰ ওপৰত অত্যাচাৰ চলাইছে। মানুহৰ ১০/১২ টা ঘৰ ভাঙিছে। এই বিষয়টো আলোচনা কৰিলে একো নহয়। ধেমাজীত যি ঘটনা সংঘটিত হৈ আছে, চৰকাৰে দায়িত্ব লব লাগে। তাত মানুহৰ চলন-ফুৰণ বন্ধ হৈ গৈছে। সেই কাৰণে গোপন বৈঠকৰ কথা কোৱা হৈছে। ১৮৮ ক্লজত কৈছে, অনন্ত কলিতাৰ কেচটো চৰকাৰে উঠাই লৈছে। কি কাৰণে চৰকাৰে উঠাই লৈছে? ১১ টা কেচৰ ভিতৰত চৰকাৰে এইটো কেচ উঠাই লৈছে?

**মাননীয় অধ্যক্ষ ঃ** মই পাৰ্লিয়ামেন্ট ৰুল চাইছো, এনেকুৱা এবাৰহে হৈছিল। গতিকে মই এইটো এলাও নকৰো।

★ **শ্ৰীবৃন্দাবন গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই বিষয়ে বিতং ভাবে জানিব বিচৰা নাই। গুপ্ত হত্যাৰ নিচিনা এনেকুৱা ঘটনা আছে, সেইবিলাক গোপন বৈঠকত আলোচনা কৰিব পাৰি। যিবিলাক গুপ্ত হত্যা হৈছে এইবিলাক নতুন হৈ থকা নাই। আমি এই কাৰণে বিচাৰিছো যে সদন শেষ হোৱাৰ পিচত আমি আৰু লগ হবলৈ নাপাম। বহুতবোৰ বিষয় আলফা উগ্ৰপন্থীৰ লগত জড়িত হৈ আছে। বিভিন্ন সময়ত চৰকাৰৰ লগত মুকলিকৈ আলোচনা কৰাত অসুবিধা হয়। সেইকাৰণে গোপন বৈঠকত আমি মিলিত হৈ আলোচনা হব লাগে।

★ **শ্ৰীবিমলাংশু ৰয় ঃ** মাননীয় অধ্যক্ষ মহোদয়, গোপন বৈঠকৰ বাবে যিহেতু আপোনাৰ ওচৰত নিবেদন কৰা হৈছে। ৰাইজৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত আমি এই গোপন বৈঠক বিচাৰিছো। তাত বাহিৰে আমি একো

★ Speech not corrected.

বিচৰা নাই। আমাৰ চৰকাৰৰ কিছুমান নিয়ম-নীতি আছে। সেই কথাখিনি আমি জানিব বিচাৰিছো। এইযি বিভিন্ন ঘটনা সংঘটিত হৈছে, এই বিষয়ে গোপনে বৈঠক হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এই কথাটো মই শুনিছো। গোপন বৈঠকত কেনেকুৱা বিষয় আলোচনা হয় সেইটো মই গোটেইখিনি চাইছো। বিষয়টো অন্য ডিভাইচত আলোচনা হৈ গৈছে। কিন্তু কথাটো হ'ল, এই যে দিছে, এই বিষয়ে সৰ্বসন্মত নহয় বুলি (গন্দগোল) এইটো হ'ব নোৱাৰে।

★ **শ্ৰীপবিন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো মইআগতে বিচাৰিছিলো।

★ **শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ ৰুলিংটো ৰেকৰ্ড কৰিব বিচাৰিছো। এই ক্ষেত্ৰত প্ৰতিবাদ আছে, গতিকে সোনকালে ৰাইজৰ স্বাৰ্থত গোপন বৈঠকে নিশ্চয় সহায় কৰিব পাৰিলেহেঁতেন।

**Mr. Speaker :** Under Rule 188(1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly. I have received a request letter dated 4.4.2005 from the Hon'ble Members, Sarbashree Dilip Kumar Saikia, Phani Bhusan Choudhury, Hitendra Nath Goswami, Girindra Kumar Baruah, Prasanta Kumar Baruah, Dr. Zoii Nath Sarma, Jagadish Bhuyan, Gunin Hazarika, Ranjit Dutta, Bimalangshu Roy, Rameswar Teli, Sushil Dutta, Parimal Suklabaidya and Kali Ranjan Deb. As per provision of the Rules of procedure and Conduct of Business in Assam Legislative Assembly. I had a consultation with

★ Speech not corrected.

the Hon'ble Chief Minister who is the Leader of the House in the matter.

A Secret Sitting of the House is held only when in the subject matter warrants the discussion in secret for a very grave and sudden unprecedented situation. I have gone through the contents of the letter of the Hon'ble Members requesting me to hold a Secret Sitting on the subject which appears to me, prima facie, to be of law and order situation. During the long period of this secret session most of the discussions either in the form of questions, Zero Hour Motions, Debates on the Motins of Thanks on the Governor's Address centred mostly round the law and order situation besides other business transacted in the House.

In such a contingency, I do not feel any necessity of holding a secret sitting of the House. Therefore, I withhold my consent for a Secret Session of the House.

## CALL ATTENTION NOTICE

**Mr. Speaker :** Now, Item No. 2. Hon'ble Member, Shri Girindra Kumar Baruah to call the attention of the Minister, Co-operation under Rule 54.

★ **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০০৫ চনৰ ৩ মাৰ্চ তাৰিখৰ নতুন দিন কাকতত প্ৰকাশিত 'ৰিজাৰ্ভ বেংকৰ ইংগিতত বন্ধ হব এপেক্স বেংক- ৫৫৩ কোটি ৰাজহুৱা ধনৰ দায়িত্ব লব কোনে' শীৰ্ষক বাতৰিটোৰ প্ৰতি মই দৃষ্টিগোচৰ কৰিব খুজিছো। এপেক্স বেংক ৰাজ্যখনৰ এটা অনুষ্ঠান। দিন অতিক্ৰম কৰাৰ লগে লগে ৰাজনৈতিক হস্তক্ষেপত ই মৃত্যুৰ ক্ষণ গণিব লগা হৈছে। ইয়াত দেখা যায় ৫৫৩ কোটি টকা বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠানৰ নামত জমা আছে। এতিয়া তেওঁলোকে ৭২ কোটি টকা লোকচান ভৰিব লগা হৈছে। মই বেছি কবলৈ নেযাও। ইয়াত দেখা গৈছে যে চৰকাৰে বিভিন্ন সময়ত ৰাজনৈতিক হস্তক্ষেপত এইটো মৃত কৰাত সহায় কৰিছে বুলি মই অনুভৱ কৰিছো। এ. বি দাসক বদলি কৰি আনি পৰিচালন সঞ্চালক হিচাবে দিয়া হৈছিল। কিন্তু সেই সময়ত তাত এটা অসাধু চক্ৰ আছিল। এই চক্ৰটোৱে পৰিচালন সঞ্চালক দাসক বদলি কৰাত সহায় কৰিছিল। ২০০২ চনত কাৰ্য্যকাল শেষ নোহোৱাকৈয়ে তেওঁক বেংকৰ পৰা আঁতৰ কৰা হ'ল। তাৰ পিচত ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া জন ইংটি কাঠাৰক ফেব্ৰুৱাৰী মাহত তালৈ বদলি কৰি অনা হ'ল। ফেব্ৰুৱাৰীৰ ২৩ তাৰিখে হুকুম জাৰি কৰিছে —It is here by brought to the notice of all concerned that all administrative circulars and orders passed by the Previous Managing Director shall be modified. যেতিয়া এ. বি. দাস আছিল, তেতিয়া হুকুম জাৰি কৰা হৈছিল যে কাকো বদলি কৰা নহ'ব। If necessary, review shall be carried out in all the circulars and orders by the Previous Managing Director and myself and

★ Speech not corrected.

the orders passed by the Court of Law and may be carried out from time to time. কিন্তু জন ইংটি কাঠাৰে বেংকৰ বৃহত্তৰ স্বাৰ্থত আগৰ নীতি-নিয়ম বাহাল ৰাখিছিল। অসম চৰকাৰৰ ২৩ তাৰিখত অৰ্ডাৰ হৈছিল, তেতিয়া জন ইংটি কাঠাৰ চৰকাৰী কামত বাহিৰলৈ গৈছিল আৰু সেই সময়ত অসাধু বিষয়াৰ চক্ৰত পৰি অসম চৰকাৰে কামত বাহিৰলৈ গৈছিল আৰু সেই সময়তে অসাধু বিষয়াৰ চক্ৰত পৰি অসম চৰকাৰে তেওঁক বদলিৰ আদেশ দিছিল। ২ মাৰ্চ তাৰিখে তেওঁ আহিছে আৰু ৪ দিন পিছত বদলিৰ হুকুম দিছে। দেখা গৈছে এই ক্ষেত্ৰত ৰাজনৈতিক হস্তক্ষেপ আছে। ১৯৯৬ চনৰ মাজভাগত এচকাৰ্ড বেংক দেউলীয়া হব লগা হৈছিল। চাহবাগানৰ মালিকসকলক সহায় কৰিবলৈ গৈ একমাত্ৰ ৰাজনৈতিক কাৰণত এই বেংক দেউলীয়া হব লগা হৈছিল। বেংকে মৃত্যুৰ ক্ষণ গণিব লগা হোৱাত মই আচৰিত হৈছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই স্বচ্ছ নিকা প্ৰশাসনৰ কথা কৈছিল। কিন্তু আজি নিকা প্ৰশাসনিক বিষয়া জন ইংটি কাঠাৰক বদলি কৰা হৈছে। চৰকাৰৰ স্পষ্টিকৰণ বিচাৰিছো। বেংকৰ ৰাজহুৱা স্বাৰ্থৰ খাতিৰত হস্তক্ষেপ বন্ধ হব লাগে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বেছি নকওঁ। বেংকৰ ক্ষেত্ৰত বিধান সভাত আগতেও কৈছিলো- এই বিষয়টো পুৰণা বিষয়। বেংকৰ বিষয়ে কবলৈ গ'লে মানুহে ভয় খাই উঠাই লব। এইটো বেয়া হ'ব। বিভিন্ন সময়ত চিঠি পত্ৰ দিয়া হৈছে। বেংকে সকলো কাম কৰিব লাগে। এ. বি. দাসক তিনি বছৰৰ কাৰণে দায়িত্ব দিয়া হৈছিল। গতিকে তেওঁক বদলি নকৰি ৩ বছৰ সম্পূৰ্ণ কৰিবলৈ দিব লাগিছিল। তাৰ পিছত জন ইংটি কাঠাৰক অনা হৈছিল। তাত ৭ জন জি. এম আছে। কিন্তু এম. দি.জনৰ লগত সহযোগ নকৰে। সেই ৭ জন জি. এম.ৰ টেবুল বদলি কৰা হৈছিল। কিন্তু এবছৰ আগতে ২, ৪ জনে

★ Speech not corrected.

আদেশ নামানিলে। তাত এটা অৰাজক অৱস্থাৰ সৃষ্টি হ'ল। এজন জি. এম.ক চাচপেণ্ড কৰা হৈছিল। কিন্তু তেওঁ এতিয়াও দৰমহা লৈ আছে। যোৱাকালি অৰ্ডাৰ ইছু কৰিছে। The internal checks and control system was ineffective. There were poor progress in areas of internal audit, branch inspection, balancing of books of accounts, reconciliation of inter-branch accounts, supervision of societies, monitoring and supervision of big loan accounts.

There were considerable delays in submission of statutory returns to Reserve Bank of India/NABARD.

The Bank has not effectively pursued with the State Government for release of the additional share capital and additional loan as agreed in DAP/MOU and for the State Government support in recovery of dues on Government guaranteed loan account particularly in case of payment of over-dues of Assam Tea Corporation Limited. The recovery of the Bank was 31.55 percent only as on 31.03.2004.

In view of the precarious financial position of the bank and poor working result over the years, I request you kindly to bestow your personal attention and the help the bank to

improve its position. As an immediate remedial measures, infusion of fresh capital may perhaps be required. You may please advice the banks to submit compliance to the findings of core areas pointed out in the NABARD inspection report urgently. I therefore, request you to immediate time bound action Plan for implementation for turn around of Bank. In case no improvement is observed in the financial position of the Bank within a reasonable period, we shall be constrained to initiate appropriate regulatory action. এইখন ফেব্ৰুৱাৰী মাহত দিছে। ৰিজাৰ্ভ বেংকলৈ লিখা হৈছিল। জি. এম. জনে এবছৰ ধৰি অৰ্ডাৰ ফল' নকৰিলে। চাচপেণ্ড কৰাৰ পিচতো তেওঁ আহি আছে। ডি. চি., এচ. পি.ক খবৰ দিছে। কোনো নাযায়। বেংক প্ৰশাসন মৰি গৈছে, কোনেও সহায় নকৰে। Shri K. N. Talukdar, General Manager shall remain in-charge.'

মাননীয় অধ্যক্ষ মহোদয়, ট্ৰেন্সফাৰ হোৱা মানুহজন কো-অপাৰেটিভ এপেক্স বেংকৰ জেনেৰেল মেনেজাৰ। ইউনিয়ন কৰে, ষ্ট্ৰাইক কৰে, ধৰ্ণা দিয়ে আৰু অৰ্ডাৰো দিয়ে জেনেৰেল মেনেজাৰজনে। সেইকাৰণে বেয়া লাগিছে। জেনেৰেল মেনেজাৰজনে বেংক পৰিচালনা কৰে আৰু দুটামান বছৰহে আছে। অৱস্থা একেবাৰে বেয়া। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কমিটী কৰিছে মাননীয় মন্ত্ৰী ভূমিধৰ বৰ্মন ডাঙৰীয়াই অকলে কমিটী কৰিছে। জেনেৰেল মেনেজাৰে বেংকৰ সা-সুবিধাখিনি কৰি দিব নোৱাৰে। তেন্তে কোনে কৰিব ? যিসকলে এই বেংকৰ পৰা

গ'ল তেওঁলোকে বহুত কৰিছিল। ৰুমত গ'লে দেখিব বহিবলৈ চকী এখন নাই। বেংকত চেয়াৰমেন, কমিচনাৰ কি কাৰণে বহি আছে? কাঠাৰ ডাঙৰীয়া থাকোতে বাথৰুমও বনাইছিলে। এপেক্স বেংকত দুখীয়া মানুহবোৰেহে টকা জমা ৰাখে। ডাঙৰ ডাঙৰ মানুহবোৰে ডাঙৰ ডাঙৰ চেন্ট্ৰেল বেংকবোৰত টকা ডিপোজিট কৰে। আমি এপেক্স বেংকৰ টকা উলিয়াবলৈ যাম নেকি? বেংকিং ল'নজনা মানুহৰ কাৰণে এইটো মুস্কিল। মাননীয় অধ্যক্ষ মহোদয়ৰ পৰা স্পেচিয়েল পাৰমিচন লৈ মই কব বিচাৰিছো বেংকটো ৰিজাৰ্ভ কৰক। জেনেৰেল মেনেজাৰে ইউনিয়ন কৰিলে নহ'ব। যিজন মানুহক চাচপেণ্ড কৰা হৈছিল তেওঁ আজিও দৰমহা লৈ আছে। জেনেৰেল মেনেজাৰে একেখন টেবুলত বহি থাকিব। এইটো কেনেকুৱা কথা? সেইকাৰণে মই মিনিষ্টাৰক দুবছৰ আগতে কথাটো কৈছিলো আৰু মাননীয় সদস্য গিৰীন্দ্ৰ কুমাৰ বৰুৱা ডাঙৰীয়াই আজি কথাটো কোৱাৰ কাৰণে মই ভাল পাইছো। মাননীয় অধ্যক্ষ মহোদয়েও আমাক কবৰ কাৰণে অনুমতি দিছে। চেয়াৰমেন কমিচনাৰক এই কথাটো জনাওঁক। এইটো অৰ্থনৈতিক বিনিয়োগৰ অধ্যায়।

মাননীয় অধ্যক্ষ মহোদয়, চুগাৰ মিলক চি. বি. আই.য়ে নটিচ দিছে। তাত কাম কৰা বিষয়া এচ. এন. তালুকদাৰক মাতি যোৱা ২৬ আগষ্ট তাৰিখে জেৰা কৰিছে। তাতো ৪ টা বজাত নে ৭টা বজাত কৰিব? এনেকুৱা বেংক মৃতপ্ৰায় হবলৈ দিব নোৱাৰি।

★ **শ্ৰীপবিন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এক ছেকেণ্ড কথা ক'বৰ বাবে আপোনাৰ পৰা অনুমতি বিচাৰিছো। এই ক্ষেত্ৰত নিৰপেক্ষ তদন্ত হ'ব লাগে।

★ **শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো পাব্লিক অৰ্ডাৰ টেকিং কমিটীৰ তদন্তৰ কাৰণে দিব লাগে।

★ **শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাগানত ঋণ

★ Speech not corrected.

ললে এপেক্স বেংকৰ যোগেদিহে ল'ব লাগে।

**Mr. Speaker :** Now, Hon'ble Minister, Co-operative to give reply.

★ **শ্ৰীমিচবাহুল ইছলাম লস্কৰ (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য চৌধুৰী ডাঙৰীয়া আৰু মাননীয় সদস্য গিৰীন্দ্ৰ কুমাৰ বৰুৱা ডাঙৰীয়াই আজি সদনত যিটো কথা উল্লেখ কৰিছে, এইটো আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়। ভাৰতবৰ্ষত যিমান কো-অপাৰেটিভ এপেক্স বেংক আছে তাৰ মাজতে ৫০০ কোটি টকাৰ আদান-প্ৰদানৰ বেংক দহটাৰ বেছি নাই। এপেক্স বেংকটো অসমৰ ৰাইজৰ বেংক। এপেক্স বেংকত টকা জমা দিয়া আৰু উলিওৱাৰ মানুহ আছে। গাৱঁৰ দুখীয়া মানুহে পইচাবোৰ এপেক্স বেংকতে জমা থয়। ১৯৯৯ চনত আহিছে, তেতিয়াৰ পৰা বেংকটো লাহে লাহে বেয়া হৈ আহিছে। ৰিজাৰ্ভ বেংকে এই এপেক্স বেংকৰ অৱস্থা ভাল নহয় বুলি এখন চিঠি আমাৰ মুখ্য সচিবলৈ প্ৰেৰণ কৰিছে। চিঠিখন মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছিলো। তেতিয়া তেখেতে এখন মিটিং পাতিছিলে। সেই মিটিঙলৈ চি. এম., কমিচনাৰ, চেক্ৰেটাৰী, বিত্ত বিভাগৰ মেনেজিং ডিৰেক্টৰ আদি উপস্থিত আছিল। তাত আমি গোটেই কথাখিনি উত্থাপন কৰিছিলো। কথাখিনি উত্থাপন কৰাৰ পিছত মিটিঙত কিছুমান ডিচিচনও লোৱা হৈছিল। আমাৰ চৰকাৰৰ ফালৰ পৰা কিছুমান টকা Share Capital হিচাবে দিয়া হ'ব। ৰিজাৰ্ভ বেংকে আৰ্টফেড আৰু অন্যান্য বিভাগক বেংকৰ লোন ঘূৰাই দিয়াৰ বাবে অনুৰোধ জনাইছে। এই টকাটো ঘূৰাই দিব লাগে। এটা পেকেজ কৰিছে। ৰিজাৰ্ভ বেংকে মানিছে। চেয়াৰ কেপিটেল দিম, দিয়াৰ পিছত কেনেকৈ চলাব লাগে লোনৰ ক্ষেত্ৰত সেইটো আমি বিবেচনা কৰি চাম। লোন দিয়াৰ আগতে লোন কমিটী কৰিব লাগে।

★ Speech not corrected.

এতিয়া দেখা গৈছে বহুত আগৰ পৰাই খেলি-মেলি হৈ আছে। চৰকাৰে সিদ্ধান্ত লৈছে। 'আসাম টি কৰপোৰেচন'ৰ যিমান লোন আছে 'প্ৰিন্সিপাল মানি'ৰ সৈতে ঘূৰাই লোৱাৰ ব্যৱস্থা কৰা হ'ব। যদি হাউচে বিচাৰে হাউচ কমিটী কৰাৰ কাৰণে, আমাৰ কোনো আপত্তি নাই। কাৰণ এই এপেক্স বেংকটোত ৫০০ কোটি টকাৰ অধিক ও ৰাইজৰ টকা ডিপোজিট আছে। আমাৰ মাননীয় অধ্যক্ষ মহোদয়ৰ ওপৰতে বস্তুটো এৰি দিছো। সৰ্বদলীয় টিম গঠন কৰি কৰে নে, চোৰা-চিতাৰ কাৰণে কি ব্যৱস্থা কৰে, কেনেধৰণে চালে ভাল হয়, এইটো চাব।

জেনেৰেল মেনেজাৰে কেনেকৈ কৰিব ? আমাৰ বিভাগৰ ফালৰ পৰা এখন চিঠি দিছে। চিঠিত দিটেইল লিখা আছে। এইখন চাই আমি সিদ্ধান্ত লম।

★ **শ্ৰীদিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, চাচপেণ্ডৰ বিষয়টো কি হ'ল ?

★ **শ্ৰীমিচবাহুল ইছলাম লস্কৰ** (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, মেনেজিং ডিৰেক্টৰে আমাক জনাইছে যে এই বিষয়ে তদন্ত কৰি আছে, তেখেতক কোনে দৰমহা দি আছে, তদন্তৰ পিছতহে সবিশেষ জানিব পৰা যাব।

★ **শ্ৰীপ্ৰেমধৰ বৰা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ সন্মতি সাপেক্ষে প্ৰশ্নকৰ্ত্তা আৰু উত্তৰদাতাক ধন্যবাদ জনাইছো। তেখেতসকলে পজিটিভ লাইনৰ কথা কৈছে। এই বেংকটো স্বৰ্গীয় বিমলা প্ৰসাদ চলিহাৰ দিনতে কাৰ্য্যকৰী কৰা হৈছিল। তেতিয়া অসমৰ ৰাজধানী চিলং আছিল আৰু তেতিয়াই বেংকটো গঠন কৰা হৈছিল আৰু এই বেংকটোৱে অসমৰ দহটা বেংকৰ ভিতৰত লাভজনক বেংক আছিল। এই বেংকটোৱে ৰাজ্যখনৰ গৰীব জনসাধাৰণে বিত্তীয় সহায় আদি পাই আছিল। কিন্তু এই কিছুদিনৰ পৰা ভুল পৰিচালনাত ক্ৰমান্বয়ে বেংকটোৰ অৱস্থা বেয়াৰ ফালে গৈছে। আভ্যন্তৰীণ মেনেজমেন্ট অতি বেয়াৰ ফালে গৈছে।

★ Speech not corrected.

গতিকে সম্পূৰ্ণভাবে বিবেচনা কৰাৰ প্ৰয়োজন হৈছে। গতিকে মই আপোনাৰ জড়িয়তে কব বিচাৰিছো যে আপুনি এখন সদন কমিটী গঠন কৰক আৰু তিনি মাহৰ ভিতৰত এই কমিটীখনে চৰকাৰক ৰিপোৰ্ট দিয়ক। মাটিৰ মালিক, চাহ-বাগিছাৰ মালিকসকলে ঋণ লৈ দুখীয়া ৰাইজক বঞ্চিত কৰাৰ পৰা উদ্ধাৰ কৰিব লাগে। গতিকে মই সদন কমিটীৰ প্ৰস্তাৱ দাঙি ধৰিলো।

**মাননীয় অধ্যক্ষ ঃ** কথাটো গুৰুত্বপূৰ্ণ। কিন্তু আমাৰ বেংক কৰপোৰেচন আদি চোৱা-চিতা কৰিবলৈ পাব্লিক আণ্ডাৰটেকিং সদন কমিটী এখন আছে। গতিকে যিটো বিষয় উত্থাপন হৈছে সেইটো পাব্লিক আণ্ডাৰটেকিং কমিটীয়ে চোৱা-চিতা কৰি ৰিপোৰ্ট দিব পাৰিব। গতিকে এই পাব্লিক আণ্ডাৰটেকিং কমিটীক এনকুৱেৰী কৰিবলৈ দি ৩ মাহৰ ভিতৰত ৰিপোৰ্ট বিচাৰি ৰিপোৰ্ট পোৱাৰ লগে লগে ব্যৱস্থা লবলৈ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

★ **শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইনফৰমেচন মতে চাচপেঞ্চন অৰ্ডাৰ এটা ১৮ জানুৱাৰী ২০০৫ চনত ওলাইছিল। কিন্তু নতুনকৈ এম. ডি. গৈ মানুহজনক জইন কৰিব দিলে। তাৰোপৰি জি. এম.জনক ৩ ফেব্ৰুৱাৰী চো কজ নটিজ দিয়া হৈছিল। এইটো ড্ৰপ কৰিব দিব লাগিছিল। আমাৰ মাননীয় সদস্য বৰা ডাঙৰীয়াই তিনি মাহৰ ভিতৰত ৰিপোৰ্ট বিচৰা ব্যৱস্থা দাঙি ধৰিছে আৰু আপুনিও আশ্বাস দিছে। তাৰ বাবে ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** এই ক্ষেত্ৰত যদিও পাব্লিক আণ্ডাৰ কমিটীত মন্ত্ৰী নাথাকে তথাপি এই বিষয়টোত মন্ত্ৰী ডাঙৰীয়াকো কো-অপাৰেট কৰিব কোৱা হৈছে। এই কমিটীত আমি যদি বিষয়টো দিও তেওঁলোকক তিনি মাহৰ ভিতৰত ৰিপোৰ্ট দাখিল কৰিবলৈ কোৱা হব।

---

★ Speech not corrected.

# MATTER UNDER RULE 301

**Mr. Speaker :** Item No. 3. I, now call upon Shri Mission Ranjan Das to raise his matter under Rule 301 of the Rules of procedure and conduct of Business in Assam Legislative Assembly to the news item appearing in the "Dainik Sonar Cachar" dated 20th March, 2005 under the caption-- "শিক্ষকের উপর হামলাকারীদের গ্রেপ্তারের দাবিতে করিমগঞ্জে নাগরিকদের বিক্ষোভ মিছিল।"

★ **Shri Mission Ranjan Das :** Sir, I would like to draw the attention of the Hon'ble Minister, Secondary Education under Rule 301 of the Rules of procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the "Dainik Sonar Cachar" dated 20th March, 2005 under the caption-- "শিক্ষকের উপর হামলাকারীদের গ্রেপ্তারের দাবিতে করিমগঞ্জে নাগরিকদের বিক্ষোভ মিছিল।"

**Mr. Speaker :** Now, Hon'ble Minister.

★ **শ্ৰীহেমপ্ৰকাশ নাৰায়ণ (শিক্ষা মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শ্ৰীমিছন ৰঞ্জন দাস ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে সেইটো কথাটো এনে ধৰণৰ মডেল হাইস্কুলৰ শিক্ষক শ্ৰীশ্বেখৰ দাসে সেই বিদ্যালয়ৰে ছাত্ৰ শ্ৰীইচলাম নামৰ ছাত্ৰ এজনে পৰীক্ষাত নকল কৰোতে

★ Speech not corrected.

